সেপ্টেম্বর ২০০১ Rs. 10/-

চান্দমামা



Orissa
The Soul of India
Orissa :
beyond a poet's pen & an artist's brush
তাৰ্থযাত্ৰীৰ বাবে উৰিষ্যা এখন প্ৰসিদ্ধ ঠাই । ইয়াৰে চমকপ্ৰদ তাঁতৰ কাপোৰ আৰু পুৰীৰ জগন্নাথ মন্দিৰৰ ৰথযাত্ৰা সৰ্বজন বিদিত । ইয়াৰে চিল্কা হ্ৰদত গভীৰ নিস্তব্ধতা আৰু পখীৰ কলৰৱ দুয়োতাই বিৰাজমান। ইয়াৰে সমুদ্ৰ উপকূলত সাগৰ আৰু আকাশৰ মিলনৰ দৃশ্য কি অপূৰ্ব। যেন উৰিষ্যা এখন জীৱন্ত ছবি । কলা আৰু সংস্কৃতিৰ ভঁৰাল ৰূপে প্ৰসিদ্ধ উৰিষ্যাৰ ছৌ আৰু ওডিসি নৃত্য অতি বিখ্যাত । উৰিষ্যাই মানুহৰ মনত কৌতুহল জগায় । গতিকে ইয়াক জনাৰ সুযোগ আপুনিও নেহেৰুৱাব ।
ORISSA TOURISM
For more information contact: Director, Tourism; Paryatan Bhavan; Bhubaneswar-751014, Orissa, India
Tel: (0674) 432177, Fax: (0674) 430887, e.mail:ortour@dte.vsnl.net.in, website:www.orissa-tourism.com
Tourist Offices at; Chennai: 42/18, Mount Road, (2nd Floor), Gee Gee Complex, Pin-600002, Telefax: (044)8534090
Calcutta: Utkal Bhawan 55, Lenin Sarani, Pin-700013, Tel: (033) 2443653
New Delhi: Utkalika, B/4 Baba Kharak Singh Marg, Pin - 110001, Telefax (011) 3364580
Visit
Konark Festival
December, 1-5
NATURATA

ORISSA
The soul of India

তোমালোকৰ বাবে কুইজ !

মনোৰম ভূৱনেশ্বৰ

December
1-5, 2001
Konark Festival

মন্দিৰ নগৰী ভূৱনেশ্বৰলৈ স্বাগতম, য'ত প্ৰায় ৫০০ মন্দিৰ আছে ।

এইটো কোৱা হয় যে, বিন্দুসাগৰ হ্ৰদত ডুব মাৰি আহিহে ভূবনেশ্বৰৰ তীৰ্থ যাত্ৰা আৰম্ভ হয় । এই হ্ৰদটো সম্পৰ্কে এটা মনোমোহা কাহিনী আছে। এবাৰ শিৱ পাৰ্বতীয়ে হাবিৰ মাজত ঘূৰি ফুৰোতে পাৰ্বতিৰ খুব পিয়াহ লাগিল । তেতিয়া শিৱই এটা হ্ৰদৰ সৃষ্টি কৰিলে আৰু ভাৰতবৰ্ষৰ সকলোবোৰ নদী আৰু হ্ৰদৰ পৰা পাণী আনি সেইটো পূৰ্ণ কৰিলে ।

ভূৱনেশ্বৰৰ ভিতৰতে ডাঙৰ মন্দিৰ হ'ল লিঙ্গৰাজ মন্দিৰ । একাদশ শতিকাতে নিৰ্মাণ কৰা এইটো ভগবান শিৱৰ মন্দিৰ । ৪৬ মিটাৰ উচ্চতাৰ এই মন্দিৰটো উৰিষ্যাৰ মন্দিৰ স্থাপত্যৰ এক শ্ৰেষ্ঠ নিদৰ্শন।

বালি শিলেৰে নিৰ্মিত মুক্তেশ্বৰ মন্দিৰটো দেখিবলৈ খুব ধুনীয়া । ইয়াৰ আচৰিত ধৰণৰ ধেনুভিৰীয়া তোৰণখন আৰু তাৰ ওপৰত খোদিত চিত্ৰবোৰ চালে চকুৰোৱা ।

লিঙ্গৰাজ মন্দিৰৰ দক্ষিণ পূবে কেইকিলোমিটাৰ মান দূৰত শিশুপালগড় দুৰ্গ আছে । এইটো খৃঃ পূঃ তৃতীয় শতিকাৰ বুলি কোৱা হয় ।

ভূৱনেশ্বৰৰ ৮ কি.মি দক্ষিণে ধৌলি । ইয়াতে সম্ৰাট অশোকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল । সম্ৰাট অশোকে প্ৰথম খোদিত কৰা শিলালিপি ইয়াত দেখিবলৈ পোৱা যায় ।

ধৱলগিৰি পাহাৰত শান্তিৰ বাবে অতি আধুনিক স্মৃতি সৌধ দেখিবলৈ পোৱা যায় । ইয়াৰ অলপ দূৰত খান্ডাগিৰি আৰু উদয়গিৰি গুহ, যিয়োৰ জৈন সংস্কৃতিৰ ভগ্নানশেষ ।

তোমালোকৰ বাবে কুইজ !

১৪ বছৰৰ তলৰ শিশুৰ বাবে

১. ভূৱনেশ্বৰৰ সৈতে সংলগ্ন কোন চহৰ এপ্লিক কৰা কামৰ বাবে বিখ্যাত ?

----

২. এই গুহাবোৰত খেদিত চিত্ৰৰ দ্বাৰা বহু শতিকা আগতে ক্লাচিকেল নৃত্যৰ পৰম্পৰা সম্পৰ্কে জানিব পাৰি । গুহাবোৰৰ নাম কোৱা ।

----

৩. ভূৱনেশ্বৰৰ লগতে এই চহৰ দুখনো উৰিষ্যাৰ ডাঙৰ মন্দিৰ নগৰী হিচাবে গঢ়ি উঠিছে । চহৰ দুখনৰ নাম কোৱা ।

প্ৰশ্নৰ তলত দিয়া খালি ঠাইত উত্তৰবোৰ স্পষ্টকৈ লিখিবা ।
তলত দিয়া কুপণখন ভৰ্ত্তি কৰি এই ঠিকনাত পঠোৱা -

Orissa Tourism Quiz Contest
Chandamama India Limited
No.82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097

নাম : ....
বয়স : ....
ঠিকানা : ....
: ....
পিন.................. ফোন..................

ORISSA TOURISM

Winners picked by Orissa Tourism in each contest will be eligible for 3-days, 2-night stay at any of the OTDC Panthanivas, upto a maximum of four members of a family. Only original forms will be entertained. The competition is not open to CIL and Orissa Tourism family members. Orissa Tourism, Paryatan Bhaven, Bhubaneswar - 751 014. Ph : (0674) 432177, Fax : (0674) 430887, e-mail : ortour@sancharnet.in. Website : Orissa-tourism.com

এই সংখ্যাত আছে বৰ্ষ : ২৮ চেপ্টেম্বৰ ২০০১ সংখ্যা - ৯

ভাৰত কথা ২৯

গণপতি বাপ্পা মোৰয়া ২৪

পণ্ডিতৰ পৰিচয় ১৯

সৰবজান ৩৮

এই মাহৰ বিশেষ আকৰ্ষণ

★ ডাঙৰ কোন ? ...৬ ★ আৱশ্যকতকৈ বেচি চিকিৎসা ?...৮
★ যক্ষ পৰ্বত-৭?...১৫ ★ পৰিবৰ্তন ?...১৬ ★ সঙ্গীত পুষ্প ?...১৯ ★ এজন ৰজাৰ প্ৰত্যাবৰ্তনত আনন্দ ?...২৩
★ভাৰত কথা ২০ ?...২৯ ★ গতিশীল নৃত্য ?...৩৪ ★ ব্ৰাহ্মণ বনাম বিধাতা ?...৩৮ ★ ৰসিক ব্যক্তি ?...৪২ ★ সংবাদ প্ৰবাহ ?...৪৪
★ যোগ্য উপহাৰ ?...৪৬ ★ ভাৰতৰ বিষয়ে জানো আহা ?...৫০ ★ মহাভাৰত ৬৬?...৪৭
★ অজেয় গৰুড় ...৫৮ ★ অব্যৰ্থ বাণী ?...৬২
★ ফটো নামকৰণ প্ৰতিযোগিতা ?...৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of
Chandmama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক

বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

অতীতৰ সৈতে এক সংযোগ

জাপানৰ এখন শিক্ষা বিষয়ৰ আলোচনীত লিখিছে, কেনেকৈ তাৰ সৰু সৰু ল'ৰা ছোৱালীবোৰক দিয়াচলাইৰ কাঠি নোহোৱাকৈ জুই জ্বলাবলৈ শিকোৱা হয়, আৰু কেনেকৈ তাৰ ছাত্ৰ ছাত্ৰীবোৰে মিউজিয়াম পৰিদৰ্শন কৰি পাঠ্য পুথিতকৈও ভালদৰে ইতিহাসৰ কথা শিকে। সেই দেশৰ শিক্ষকবোৰে প্ৰকৃতি আৰু মিউজিয়ামৰ দৰে ঠাইত সংৰক্ষণ কৰি ৰখা প্ৰচীন কাহিনীবোৰক সুন্দৰ ব্যৱহাৰত লগায়।

ইয়ে পাঠ্যপুথিক অবমাননা কৰাতো নুবুজায়। যদি সেই পাঠ্যপুথিবোৰে শিশুৰ মন আকৃষ্ট কৰিবলৈ অসমৰ্থ হয় তাৰবাবে কিতাপ বা তাৰ লেখকক দোষাৰোপ কৰিব নোৱাৰি। ছাত্ৰ ছাত্ৰীবোৰে কোন উৎসৰ পৰানো পোনে পোনে জ্ঞান, তথ্য, শিক্ষা আহৰণ কৰিব পাৰে সেই বিষয়ে মন কৰিব নালাগে। এইটো অনুমান হয়, আমি অকল আমাৰ সংস্কৃতিৰ লগতে সংস্পৰ্শ হেৰুৱাই নাই, আনকি আমাৰ উদ্ভিদ জগত আৰু প্ৰাণীজগতৰ লগতো সংস্পৰ্শ হেৰুৱাইছো। ভাৰতৰ দৰে বৈচিত্ৰপূৰ্ণ এখন বিশাল দেশৰ প্ৰতিখন ৰাজ্যতে গৌৰৱ কৰিবলাগীয়া কিবা নহয় কিবা আছে, যত অন্য ৰাজ্যৰ মানুহেও ভাগ লব লাগে। ইয়ে আমাক এখন ৰাজ্যত হোৱা উৎসৱত ভাগ লবলৈ উদ্বুদ্ধ কৰে, এখন ৰাজ্যৰ নৃত্য গীত অন্য ৰাজ্যৰ মানুহে শিকাৰ বাবে আগ্ৰহী কৰি তোলে। ইয়াৰ ফলত উদ্ভব হয় জাতীয় সংহতিৰ।

এইটো প্ৰায়ে কোৱা হয় যে এটা অঞ্চলৰ মানুহ অইন এটা অঞ্চললৈ ভ্ৰমণ কৰিবলৈ গলে দুয়োটা অঞ্চলৰ মানুহৰ মাজত নিবিড় সম্পৰ্ক গঢ়ি উঠে। আমাৰ উৎসৱ পাৰ্বণ আৰু লোক-সংস্কৃতিৰ বিষয়ে পঢ়িব পাব, তেওঁলোকেও এক ধৰণৰ ভ্ৰমণৰ অভিজ্ঞতাই অৰ্জন কৰিব পাৰিব।

এই চেপ্তেম্বৰ মাহৰ ৫ তাৰিখে আমাৰ দেশৰ দাৰ্শনিক ৰাষ্ট্ৰপতি ডঃ এচ. ৰাধাকৃষ্ণনৰ জন্মদিন পৰিছে।

ডঃ ৰাধাকৃষ্ণনে এবাৰ কৈছিল, "এক ক্ষুদ্ৰ ইতিহাস হবলৈ বহুতো শতিকা লাগে; এক পৰম্পৰা গঢ়ি তুলিবলৈ বহু শতিকাৰ ইতিহাস লাগে।"

প্ৰতিজন ভাৰতীয়ই মনত ৰখা উচিত যে আমাৰ পৰম্পৰাবোৰ আমাৰ দেশৰ অতীতৰ সৈতে গভীৰ ভাবে যুক্ত হৈ আছে, আৰু সেয়েহে অতীত আৰু ভৱিষ্যতৰ মাজৰ প্ৰধান সংযোগ হেৰুৱাব নালাগে।

সম্পাদক : বিশ্বম



ডাঙৰ কোন ?

এদিন এজন কৃষক চহৰলৈ গৈ আছিল। বাটতে এজন ব্যৱসায়ী আৰু এজন অধ্যাপকৰ সৈতে তেওঁৰ দেখা হ'ল । তিনিওজনে কথা কৈ কৈ খোজকাঢ়ি গৈ আছিল । গৈ থাকোতে থাকোতে দুপৰীয়া হ'ল । তিনিওজনৰে খুব ভোক লাগিছিল । কিন্তু কোনো এজনৰ লগতে খোৱা বস্তু নাছিল। আশে পাশেও কোনো গাওঁ নাছিল। এই অৱস্থাত তেওঁলোক তিনিওজনে এখন ফলৰ বাগানৰ ওচৰ পালেগৈ । বাগানত কঠাল লাগি আছিল । পকা কঠালৰ মধুৰ গোন্ধ বতাহত ভহি আহিছিল ।

তিনিওজনে বাগানৰ মালীটোক কলে যে তেওঁলোকৰ খুব ভোক লাগিছে, যদি তেওঁ এটা পকা কাঠাল দিয়ে তেতিয়াহলে তেওঁলোকে সেইটো ভগাই খাই ভোক গুচাব পাৰে । মালীয়ে এটা পকা কঠাল চিঙি আনি তেওঁলোকক দিলে ।

কৃষকজনে কঠালটো কাটিবলৈ ধৰিলে । তেওঁৰ মনত ইচ্ছা হ'ল তেওঁ যেন বাকী দুজনতকৈ বেচি ভাগত পায় । এই কথা মন কৰি তেওঁ কলে- "আমি তিনিজনে তিনিটা ব্যৱসায় কৰো । মই খেতি কৰো, ব্যৱসায়ীয়ে ব্যৱসায় কৰে আৰু অধ্যাপকে পঢ়ায় । এই তিনিজনৰ ভিতৰত যিজনৰ পেশা ডাঙৰ তেওঁ এভাগ কঠাল বেচি পাব । এই কথাত তোমালোক দুয়োৰে মতামত কি ?" কৃষকজনে ভাবিছিল মানুহৰ বাবে বেপাৰৰ বস্তু আৰু পঢ়াশুনা কৰাৰ তুলনাত আহাৰ হল মুখ্য বস্তু, সেয়ে শস্য উৎপাদন কৰা কৃষক, তেওঁৰেই বেচি ভাগ পোৱা উচিত । ভোকতে আতুৰ হোৱা ব্যৱসায়ী আৰু অধ্যাপকেও তেওঁলোকৰ কামৰ মহত্ব কম বুলি নকব ।

কৃষকজনৰ মুখত এই কথা শুনি অধ্যাপকে কলে- "তোমৰ কথাৰ উত্তৰ হিচাবে মই এটা কাহিনী কব খুজিছো । সেই কাহিনী শুনা ।"

এখন গাঁৱত এজন ধনীমানুহ আছিল । তেওঁৰ তিনিজন পুত্ৰ আছিল । তেওঁলোক তিনিও কামবন নকৰাকৈ ইফালে সিফালে ঘূৰি ফুৰিছিল । তেওঁলোকৰ কামৰ প্ৰতি

ৰজনী বালা

অনিহা দেখি পিতাকৰ মনত দুখ লাগিছিল ।

ধনীমানুহজন ক্ৰমে বুঢ়া হৈ আহিছিল । তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ তিনি পুত্ৰই তেওঁৰ সকলো সম্পত্তি কেইঘন্টামানৰ ভিতৰতে খৰছ কৰি শেষ কৰিব । ইয়াৰ পৰা ৰক্ষা কৰিবলৈ ধনী মানুহজনে এক উপায় চিন্তা কৰিলে ।

ধনী মানুহজনে এজন এজন পুত্ৰক বেলেগ বেলেগকৈ মাতি আনি উইলখন দেখুৱালে । তাত লিখা আছিল তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ সকলো সম্পত্তি চাৰিভাগ কৰা হব আৰু তাৰ ভিতৰত যিজন পুত্ৰই আঙঠি পাব, তেওঁক এভাগ সম্পত্তি বেচি দিয়া হব। ধনী মানুহজনে প্ৰত্যেকজন পুতেককে এইবুলি কলে-"চোৱা বাচা, তুমি যদি নিজৰ দায়িত্ব পালন কৰি বিশ্বাসযোগ্যভাবে থাকা তেতিয়াহলে সেই আঙঠি তোমাকে দিম ।"

কিছুদিন পিছত ধনী মানুহজনৰ মৃত্যু হ'ল। গাওঁপ্ৰধানে এঠাইত বহি উইলখন পঢ়িলে । তেওঁলোকৰ সম্পত্তি চাৰিভাগ কৰিলে । তাৰপিছত তিনিজন পুত্ৰকে মাতি আনি সুধিলে--"তোমালোকৰ কোনজনে তোমালোকৰ পিতাৰাৰ আঙঠি পাইছা ?"

এজনে আঙঠি এটা দেখুৱাই গাওঁ প্ৰধানক কলে-"আঙঠি মই পাইছো ।" দ্বিতীয় আৰু তৃতীয়জনেও সেই একে ধৰণৰ আঙঠি দেখুৱালে । পিতাকে ইজানে সিজনক নজনাকৈ সকলোকে একোটা আঙঠি দিছিল। তিনিওটা আঙঠি একে সমান আছিল।

গাওঁপ্ৰধানে উপায়হীন হৈ তিনিওকে সমানে সম্পত্তি ভাগ কৰি দিলে । এই কাহিনীটো শেষ কৰি অধ্যাপকে কলে-"আমাৰ তিনিওজনৰে বৃত্তি উত্তম । ইয়াকে লৈ তৰ্ক কৰাৰ কোনো আৱশ্যক নাই । সেইদৰে আমাৰ তিনিওজনৰে ভোকো সমান। বৃত্তি অনুযায়ী মানুহৰ ভোক কম বেচি নহয় । সেয়ে এই কঠালটো আমি সমানে ভাগ কৰি খোৱা উচিত ।"

কৃষকজনৰ নিজৰ প্ৰলোভনৰ বাবে লাজ লাগিল । তেওঁ কঠালটো সমানে তিনিভাগ কৰিলে আৰু তাকে খায় তিনিওজনে ভোক গুচালে । ইয়াৰ পিছত তিনিও আকৌ আগবাঢ়িবলৈ ধৰিলে ।

আৱশ্যকতকৈ বেচি চিকীৎসা

কাশী যাত্ৰা কৰিবলৈ গৈ ঘটনাক্ৰমে দুজন বৈদ্যৰ দেখাদেখি হ'ল । দুয়োজন বৈদ্যৰ মাজত বিভিন্ন ধৰণৰ কথা বতৰা হ'ল । শেষত দুয়ো নিজৰ বৃত্তি সম্বন্ধে আলোচনা কৰিবলৈ ধৰিলে ।

"সকলো ৰোগতকৈ মানসিক ৰোগ চিকিৎসা কৰা অতি কঠিন কাম ।" প্ৰথমজন বৈদ্যই নিজৰ অভিজ্ঞতাৰ বিষয়ে কলে । "আমাৰ দেশৰ প্ৰথা এক বিচিত্ৰ ধৰণৰ । কোনো ৰজা যদি পুত্ৰ সন্তান নোহোৱাকৈ মৰি যায়, ৰাজকীয় হাতী এটাক এধাৰ ফুলৰ মালা দি এৰি দিয়া হয় । সেই হাতীটোৱে যাৰ ডিঙিতে মালা পিন্ধাই দিব তেওঁৱেই ৰজা হব । আমাৰ বৰ্ত্তমান ৰজাৰো কোনো পুত্ৰ নাই ।

আমাৰ নগৰৰ সীমাত এজন খৰিকটীয়া আছে । তেওঁ ভাবে যে ৰজাৰ অতি সোনকালে মৃত্যু হব আৰু ৰাজকীয় হাতীয়ে তেওঁকে মালা পিন্ধাব । তেওঁ আশা কৰিবলৈ ধৰিলে, যিকোনো সময়তে তেওঁৰ ৰজা হোৱাৰ সম্ভাবনা আছে । তেওঁৰ এই ভ্ৰম পাগলামিলৈ ৰূপান্তৰিত হ'ল আৰু তেওঁ এনেদৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে যেন তেওঁ ৰজাহে । তেওঁৰ মাক বাপেকে তেওঁক চিকিৎসা কৰাবলৈ মোৰ ওচৰলৈ লৈ আহিল । মই পাঁচ বছৰ ধৰি তেওঁক একেৰাহে চিকিৎসা কৰি কোনোমতে তেওঁৰ পাগলামি দূৰ কৰিছো ।"

"ইয়াৰ মানে তেওঁৰ ভ্ৰম দূৰ হ'ল আৰু তেওঁ জানিব পাৰিলে তেওঁ ৰজা নহয়, এজন খৰিকটীয়াহে । মই ঠিক কথা কৈছোনে ?" দ্বিতীয় বৈদ্যজনে সুধিলে ।

"হয়, ঠিক সেই সময়তে ৰজাৰ মৃত্যু হ'ল আৰু ৰাজাৰ হাতীয়ে তেওঁক মালাও পিন্ধাই দিলে ।" প্ৰথম বৈদ্যজনে কলে ।

"কি আচৰিত কথা !" এইবুলি কৈ দ্বিতীয় বৈদ্যজনে হাতেৰে তিলিকি বজালে । "হায় দুনিয়া ! আৰু এক অদ্ভুত কথা হ'ল । তেওঁৰ ডিঙিত থকা মালাধাৰ দলিয়াই দি তেওঁ চিঞৰি চিঞৰি কবলৈ ধৰিলে মই ৰজা নহয় । ইয়াৰ পিছত মানুহে তেওঁক হাবিত খাৰি কাটি থকা দেখিবলৈ পালে আৰু মানুহবোৰে তেওঁক মহামূৰ্খ বুলি হাঁহিবলৈ ধৰিলে ।"

"এইটো তেওঁৰ দুৰ্ভাগ্য নহয় আৰু কি ?" এইবুলি কৈ প্ৰথমজন বৈদ্য ৰল আৰু দ্বিতীয় বৈদ্যজনৰ ফালে চাবলৈ ধৰিলে ।

"মানুহে কয়, বুদ্ধিও কৰ্ম অনুসাৰেই হয় । আপুনি কেতিয়াবা এই বিষয়ে ভাবি চাইছেনে, আপোনাৰ ফালৰ পৰা ইয়াত কোনো ভুল হোৱা নাইতো ?" দ্বিতীয় বৈদ্যজনে সুধিলে ।

"মই এই বিষয়ে ভবা-চিন্তা কৰাই নহয়, আজিও চিন্তাচৰ্চা কৰি আছো এই প্ৰক্ৰিয়াত কি ত্ৰুটি হৈছে ?" প্ৰথম বৈদ্যজনে কলে ।

"ক্ষমা কৰিব ।মোৰ অনুমান হৈছে আপুনি আৱশ্যকতকৈ বেচি চিকিৎসা কৰিছে ।" দ্বিতীয় বৈদ্যজনে কলে । কিৰণ

যক্ষ পৰ্বত

7

(সমৰবাহু আৰু তেওঁৰ অনুচৰজনক ভালুকৰ ছালৰ পোচাক পিন্ধা মানুহবোৰে গাঁতৰ ভিতৰলৈ লৈ গ'ল । খৰ্গ আৰু জীৱদন্ত্ৰ এনেকুৱা এখন ঠাইত উপস্থিত হ'ল গৈ যৰপৰা ধোঁৱা ওলাই আছিল । তেওঁলোকে জানিব পাৰিলে ইয়াত দুৰ্গ আছে, সেয়েহে তেওঁলোকে ভিতৰত প্ৰৱেশ কৰিলে । ভালুকৰ মানুহবোৰে তেওঁলোক দুয়োকে ধৰি এটি সুৰঙ্গ পথেৰে কুকুৰনেচীয়া বাঘৰ গড়ালৰ ওচৰলৈ লৈ গল । ইয়াৰ পিছত -)

চাৰিওফালে অন্ধকাৰেই অন্ধকাৰ আছিল। ভালুকৰ পোচাক পিন্ধা মানুহবোৰে খৰ্গ আৰু জীৱদন্ত্ৰক সুৰঙ্গ পথেৰে কিছু দূৰলৈ লৈ গ'ল । তাৰপিছত এঠাইত গৈ ৰল । ভালুকৰ পোচাক পিন্ধা মানুহ এজনে আনজনক কলে- "ভাই, এই মানুহ দুজনে হয়তো ভাবিছে, কুকুৰনেচীয়া বাঘৰ গড়াল কোনো বিনোদৰ ঠাই । আগতে আমি ইয়ালৈ যিবোৰ মানুহক ধৰি লৈ আহিছিলো, সিহঁতে কুকুৰনেচীয়া বাঘৰ চিঞৰ শুনি ভয়তে কাঁপিবলৈ ধৰিছিল । আমি ইহঁতক দেখুৱাই দিও নেকি কুকুৰনেচীয়া বাঘৰ গড়াল আচলতে নো কি ?"

"ঠিক আছে, বলা, ইহঁতক অলপ মজা দেখুৱাও ।" আনজনে কলে ।

প্ৰথম জন মানুহে তৎক্ষণাত গুহাৰ ওপৰৰ অঁকোৰাডাল খুব জোৰ দি টানিলে। অলপ পাছতে এখন দুৱাৰ খোলা গ'ল আৰু সেই দুৱাৰেৰে সুৰঙ্গৰ ভিতৰলৈ পোহৰ আহিল ।

সেই পোহৰত জীৱদন্ত্ৰই সুৰঙ্গ পথটো ভালদৰে দেখিবলৈ পালে আৰু খৰ্গবৰ্মাক কলে, "খৰ্গ. আমি এই গাঁতটো সৰু বুলি ভুল ভাবিছিলো । এইটোতো বহুত ডাঙৰ । বাহিৰৰ মানুহেতো বুজিবই নোৱাৰে, ইয়াতে যে ইমান মানুহ থাকিব পাৰে ।"

"পিন্ধা পোচাক দেখি অনুমান হয় ইয়াৰ ভিতৰত এজন সমৰবাহু আছে ।" জীৱদন্ত্রই কলে । কোন বাহুৰ কথা কৈছা আমি নাজানো, কিন্তু এইটো অৱশ্যে জানো যে অলপ পিছতে সিহঁত দুয়োকে কুকুৰনেচীয়া বাঘে চিৰাচিৰ কৰি খাই পেলাব । তোমালোকেও তালৈ যোৱাৰ পথত । তোমালোকৰো সেই একেই অৱস্থা হব । দেৱী বৃকেশ্বৰীৰ কৃপাত যদি তোমালোকে বাচি আহিব পাৰা, তেতিয়াহলে গুৰু ভালুকৰ সেৱাত....."

ভালুকৰ পোচাক পিন্ধা মানুহজনৰ কথা শেষ হবলৈ নাপাওতে জীৱদন্ত্রই তাক ধমক দি কলে, "ভাটো চৰাইৰ দৰে তোমাৰ গুৰুৰ নাম লোৱা বন্ধ কৰা । আমি সেই শিলাখন্ডলৈ যাব লাগিব । নহয় নে ? আমি অৱশ্যেই তালৈ যাম । তুমি নিজৰ ৰাস্তা খোজা ।"

ইমান সাহস ! নিজেই সেই ঠাইলৈ যাবা?"

ভালুকৰ পোচাক পিন্ধা মানুহ দুজনে কলে।

"এতিয়া কোৱা, আমি তালৈ কোনপিনে যাব লাগিব ?" খৰ্গবৰ্মাই সুধিলে । "মৰিবলৈ ইমান তৎ নোহোৱা কিয় হৈছা ? আমাৰ লগত বলা ।" এইবুলি কৈ দুয়োকে সুৰঙ্গ পথেৰে কিছু দূৰলৈ লৈ গ'ল । তাত তেওঁলোকে চাৰিকোণীয়া আকাৰৰ শিলৰ দুৱাৰ এখন দেখিবলৈ পালে । সেই শিলৰ দুৱাৰ খনত বান্ধি ৰখা ৰছী এজাল ভালুকৰ পোচাক পিন্ধা মানুহ দুজনে জোৰকৈ টানি দিলে । শিলচটা তাৰপৰা আঁতৰি গ'ল । জীৱদন্ত্রই এতিয়া

তেওঁলোকৰ এই কথা শুনি ভালুকৰ মানুহ দুজনে খুব জোৰে হাঁহি দিলে আৰু কলে, "তোমাকতো খুব বুদ্ধিমান যেন লাগিছে । যদি তোমালোক দুয়ো এসপ্তাহৰ ভিতৰত কুকুৰনেচীয়াৰ গড়ালৰ পৰা বাচি আহি এই সুৰঙ্গপথ পৰ্য্যন্ত আহিব পাৰা, তেতিয়াহলে গুৰু ভালুকৰ সেৱা কৰি নিজৰ জীৱন কটাব পাৰিবা ।"

খৰ্গ আৰু জীৱদন্ত্রই খোলা দুৱাৰখনেৰে বাহিৰলৈ চালে । তাতে এক বিশাল সমতল ঠাইৰ ওপৰত দহ বাৰফুট ওখ এক ডাঙৰ শিলাখন্ড আছিল । তাৰ ওপৰত দুজন মানুহ বহি আছিল । সিহঁতৰ হাতত বৰ্শা আছিল । সিহঁতে তলত থিয় হৈ খাবলৈ সাজু কৰি ৰখা কুকুৰনেচীয়া কেইটাক বৰ্শাৰে ভয় খুৱাই আছিল । কিছুমান কুকুৰনেচীয়াই চিঞৰি চিঞৰি শিলাখন্ডৰ চাৰিওফালে ঘূৰি আছিল।

স্পষ্ট ভাবে কুকুৰনেচীয়াৰ গড়ালত যাঠি লৈ থিয় হৈ থকা সমৰবাহু আৰু তেওঁৰ অনুচৰজনক দেখিবলৈ পালে । শিলচটা আঁতৰি যোৱাৰ শব্দ শুনিয়েই সমৰবাহুৱে চিঞৰি উঠিল আৰু কলে, "হে চন্দু! অনুমান হৈছে কুকুনেচীয়াবোৰ ওপৰলৈ আহিব ধৰিছে ।"

শিলাখন্ডৰ ওপৰত উঠি খৰ্গ আৰু জীৱদন্ত্ৰই কলে, "আমি কুকুৰনেচীয়া নহয়। তোমালোকৰ দৰে মানুহহে । ভয় নকৰিবা সমৰবাহু ! আমি তোমালোকৰ বন্ধু ।" খৰ্গ আৰু জীৱদন্ত্ৰক তাত দেখিবলৈ পাই সমৰবাহু অতি আচৰিত হ'ল । তেওঁ কিবা কব খুজিছিল, কিন্তু এনেতে ভালুকৰ পোচাক পিন্ধা মানুহদুজনে শিলচটাৰে সুৰঙ্গটো বন্ধ কৰি দি কলে, "তেতিয়াহলে তোমালোক আতাইকেইটা বন্ধু মিলি এতিয়া ভালুকৰ চিকাৰ হোৱা ।"

জীৱদন্ত্ৰই সমৰবাহুৰ পিঠিত থপৰিয়াই প্ৰবোধ দি কলে "তোমালোকৰ বিষয়ে স্বৰ্ণচাৰীৰ মুখে সকলো শুনিবলৈ পাইছো । আমি নিশ্চই কুকুৰনেচীয়াৰ মুখৰ পৰা ৰক্ষা পৰি ইয়াৰ পৰা ওলাই যাবলৈ সক্ষম হম । মোৰ কথা বিশ্বাস কৰা ।"

এনেতে এটা ভোকাতুৰ কুকুৰনেচীয়াই জাপ মাৰি শিলাখন্ডৰ ওপৰলৈ উঠি আহিল। খৰ্গবৰ্মাই তৎক্ষণাত তৰোৱালেৰে তাৰ মূৰত আঘাত কৰিলে । তাৰপিছত মৰা কুকুৰনেচীয়াটো শিলৰ ওপৰত পেলাই দিলে।

জীৱদন্ত্ৰই তেওঁৰ সাহসক প্ৰশংসা কৰি কলে, "বাঃ খৰ্গ, তুমিতো ভাল সাহস দেখুৱালা ।" ইয়াৰ পিছত সমৰবাহুক

সুধিলে, "ভালুকৰ মানুহবোৰে কোন সময়ত ইহঁতক খাবলৈ দিয়ে তুমি জানানে ?"

তেওঁলোকে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ সময়ত ইহঁতবোৰক জন্তুৰ মাংস খাবলৈ দিয়ে। ইয়াৰ বাবে তেওঁলোকে সম্মুখ দেৱালত থকা দুৱাৰ এখন খোলে ।" সমৰবাহুৱে কলে ।

অলপ পিছত সূৰ্য্যোদয় হওঁ হওঁ হঁওতে কুকুৰনেচীয়া বোৰে চিঞৰিবলৈ ধৰিলে । সুৰঙ্গ পথৰ ফালে থকা দুৱাৰৰ তলত সিহঁতে কিবা বিচাৰিবলৈ ধৰিলে ।

জীৱদন্ত্ৰই খৰ্গবৰ্মাক সেই দুৱাৰখন দেখুৱাই কলে, "ইয়াৰ মানে ভালুকৰ পোচাক পিন্ধা মানুহবোৰে দুৱাৰখন খুলি কুকুৰনেচীয়া বোৰক মাংস খুৱাবলৈ আহিছে । এতিয়া ধনুশৰ উলিয়াই দুৱাৰৰ ফালে নিচানা লাগোৱা।"

জীৱদন্ত্ৰই কোৱা মতে খৰ্গবৰ্মাই ধনুত শৰ

এনে সময়তে দৌৰি দৌৰি তালৈ এজন মানুহ আহিল । সি ভয়তে কঁপি কঁপি কবলৈ ধৰিলে, "গুৰু ভালুক, ডাঙৰ বিপদ হ'ল । কুকুৰনেচীয়াৰ গড়ালৰ শিলত বহি থকা এজনে আমাৰ মানুহক মাৰি পেলাইছে ।"

চকুদুটা ৰঙা কৰি গুৰু ভালুকে কলে, "তাৰ ইমান সাহস ! সি হয়তো জনা নাই মই বৃকেশ্বৰী দেৱীৰ এজন পৰম ভক্ত আৰু মোৰ শক্তি অসীম । এতিয়াই সিহঁত দুয়োকে শূলত দি মৃত্যু লোকলৈ পঠাম ।" এইবুলি কৈ তেওঁ কুকুৰনেচীয়াৰ গড়ালৰ ফালে গ'ল।

অলপ পিছতে তেওঁ সুৰঙ্গ দুৱাৰৰ ওচৰ পালে আৰু শিলাখন্ডৰ ওপৰত থিয় হৈ থকা দুয়োৰে ফালে চাই কলে, "ঐ পাষন্ডহঁত, তোমালোকে বৃকেশ্বৰী দেৱীৰ ভক্ত এজনক বধ কৰি অক্ষমনীয় অপৰাধ কৰিছা । এতিয়াই তোমালোকক শূলত দি বধ কৰিম।" তেওঁ অতি কৰ্কশ ভাবে কথাখিনি কৈছিল ।

জীৱদন্তই মন্ত্ৰদন্ডডাল নিজৰ হাতত লৈ হাঁহি হাঁহি কলে, "হে গুৰু ভালুক, তুমিতো এটা ভালুক । তুমি ভালুকেশ্বৰী দেৱীৰ পূজা কিয় কৰি আছা ? শুনা, মই শিলাখন্ডৰ পৰা নামি গৈ সুৰঙ্গ পথৰ দুৱাৰৰ ওচৰলৈ গৈ আছো ।"

সমৰবাহুৱে জীৱদন্তক বাধা দি কলে, "এনেকুৱা নকৰিবা । তুমি ভোকাতুৰ কুকুৰনেচীয়াবোৰৰ মাজেৰে গুৰু ভালুকৰ ওচৰলৈ যাব বিচাৰিছা । এইটো বৰ বিপদৰ কাম । মন্ত্ৰ-তন্ত্ৰৰ ওপৰত ভালুকৰ অসামান্য দক্ষতা আছে । তেওঁ অতি সহজতে আপোনাক মাৰি পেলাব পাৰে ।

খৰ্গবৰ্মাই তেতিয়া তৰোৱালখন দাঙি লৈ লগাই শিলাখন্ডৰ ওপৰত আৰামেৰে বহি লালে । দুই তিনি মিনিট মানৰ পিছতে সুৰঙ্গ পথৰ ওপৰৰ দুৱাৰ খুলিবলৈ ধৰিলে ।

দুজন ভালুকৰ মানুহে টুকুৰি ভৰাই মাংস লৈ আহিছিল আৰু কুকুৰনেচীয়াবোৰৰ ফালে দলিয়াই দিব ধৰিছিল এনেতে খৰ্গবৰ্মাই নিক্ষেপ কৰা বাণ তাৰে এজনৰ মূৰত লগাত সি ধপ্ কৈ মাটিত পৰি গল । তাৰ লগত অহা আনজন মানুহৰ হাতত থকা টুকুৰিটোও সুৰঙ্গ পথত পৰি গল ।

চাওতে চাওতে সুৰঙ্গৰ ভিতৰত হাঁহাকাৰ লাগি গ'ল । সেই সময়ত গুৰু ভালুকে বৃকেশ্বৰী দেৱীৰ সন্মুখত পদ্মাসনত বহি ধ্যান কৰি আছিল । হাঁহাকাৰ শুনি তেওঁৰ ধ্যান ভঙ্গ হ'ল । তেওঁ ক্ৰোধিত হৈ থিয় হৈ চিঞৰি চিঞৰি সুধিলে, "এইবোৰ কি হৈছে ? এয়া কিহৰ হাঁহাকাৰ ? কি, কালি ধৰি অনা যুৱক দুজনক কুকুৰনেচীয়াই খাব ধৰিছে নেকি ?"

কলে, “সমৰবাহু, তুমি হয়তো নাজানা এই তৰোৱাল আৰু জীৱদন্ত্ৰৰ মন্ত্ৰ দন্ড কিমান অদ্ভুত শক্তি আছে । তোমালোকে গুৰু ভালুকক ভয় কৰাৰ কোনো আৱশ্যক নাই।”

সুৰঙ্গ পথৰ ওপৰত থিয় হৈ থকা গুৰু ভালুকৰ ফালে জীৱদন্ত্ৰই এবাৰ ভালদৰে চাই ললে আৰু খৰ্গবৰ্মাক কলে, খৰ্গবৰ্মা, ইয়াৰ পৰা বাহিৰলৈ যোৱাৰ বোধহয় এটাই উপায় আছে। যেনেদৰে আমি প্ৰথমতে জঙ্ঘলত যক্ষপুৰৰ ৰজা আৰু তাৰ বাঘ চিকাৰ কৰিছিলো, ঠিক সেই উপায় অবলম্বন কৰিয়ে আমি এই কুকুৰনেচীয়াবোৰক চিকাৰ কৰো আহা আৰু গুৰু ভালুকৰ গাঁতত হাঁহাকাৰ লগাই দিও ।”

“তেতিয়াহলে পলম কৰো কিয় ?” খৰ্গবৰ্মাই উৎসাহিত হৈ কলে ।

জীৱদন্ত্ৰই প্ৰথমতে খৰ্গবৰ্মাক বুজালে কিকি কৰিব লাগিব । পুনৰ সৰু সৰু মাতেৰে খৰ্গক কলে, “প্ৰথমতে এই মৰা কুকুৰনেচীয়াটো কান্ধত তুমি লবা ! মৰা কুকুৰনেচীয়াটোৰ মাংসৰ বাবে যেতিয়া ভোকাতুৰ কুকুৰনেচীয়াবোৰে তোমাৰ পিছে পিচে যাব তেতিয়া তোমাৰ তৰোৱালৰ কিমান ধাৰ আছে তাৰ প্ৰমান চাবা ।”

“জীৱ, কিমান আৰু বুজাবা ? কিমান সময় মই এই মৰা কুকুৰনেচীয়াটো কান্ধত লৈ থাকিম ?” খৰ্গবৰ্মাই কলে ।

“আমি এতিয়াই এই শিলাখন্ডৰ পৰা নামি যাম । তুমি শিলাখন্ডৰ চাৰিওফালে দৌৰি থাকিবা যাতে বেচি সংখ্যক কুকুৰনেচীয়া তোমাৰ প্ৰতি আকৰ্ষিত হয় । মইও তোমাৰ

পিছে পিছে দৌৰি থাকিম । ইয়াৰ পিছত...”

জীৱদন্ত্ৰৰ কথা শেষ হোৱাৰ আগতে খৰ্গবৰ্মাই কলে, “হে গুৰু ভালুক, আমি তোমাৰ ওচৰলৈকেহে আহিছো । তুমি আৰু তোমাৰ বৃকেশ্বৰীয়ে যদি প্ৰাণ ৰক্ষা কৰিব খুজিছা, তেতিয়াহলে গৰ্তদুৰ্গৰ পৰা গুচি যোৱা ।” এইবুলি কৈ চিঞৰ মাৰি তেওঁ শিলাখন্ডৰ পৰা নামি গ'ল । তাৰ লগে লগে জীৱদন্ত্ৰও নামি আহিল ।

দুজন মানুহ সিহঁতৰ ফালে আহি থকা দেখি ভোকাতুৰ কুকুৰনেচীয়াবোৰে তেওঁলোক দুয়োৰে ফালে দৌৰিগ'ল । খৰ্গবৰ্মাই শিলাখন্ডৰ চাৰিওফালে খুব জোৰে দৌৰিবলৈ ধৰিলে । কুকুৰনেচীয়াবোৰেও তেওঁৰ পিছে পিছে দৌৰিবলৈ ধৰিলে । জীৱদন্ত্ৰইও দৌৰি দৌৰি নিজৰ মন্ত্ৰ দন্ডডালৰ সহায়ত কুকুৰনেচীয়াবোৰক দাঙি লৈ তলত পেলাই দি আছিল ।

ভালুকে সুৰঙ্গৰ মুখত থিয় হৈ এই সকলোবোৰ চাই আছিল । উৎসাহিত হৈ তেওঁ চিঞৰিবলৈ ধৰিলে, ‘‘সকলো বৃকেশ্বৰী দেৱীৰে মহিমা । তেওঁ নিজৰ শত্রুক বুদ্ধিভ্রষ্ট কৰি দিছে । পাগল কৰি দিছে । তেওঁ নিজৰ বাহন কুকুৰনেচীয়াৰ মুখত আহাৰ দিছে ।’’ এইবুলি কৈ গুৰু ভালুকে ভক্তি ভাবে চকুদুটা মুদি দিলে ।

খৰ্গ আৰু জীৱদন্তই ভাবিলে এয়ে ভাল সুযোগ । জীৱদন্তই খৰ্গক কলে, ‘‘জীব, এয়ে সুবৰ্ণ সুযোগ । ভালুক ভক্তিৰ নিচাত আছে।’’ খৰ্গবৰ্মাই তেওঁৰ ইঙ্গিত বুজি পালে আৰু বাওঁহাতেৰে মৰা কুকুৰনেচীয়াটো দাঙি লৈ সুৰঙ্গ পথৰ যত ভালুকটো থিয় হৈ আছিল তাতে পেলাই দিলে । নিজৰ আহাৰ দেখিবলৈ পাই, চাৰি পাঁচটা কুকুৰনেচীয়া সেইফালে দৌৰি আহিল ।

চকুমুদি ধ্যান কৰি থকা ভালুকৰ গাৰ ওপৰত গৈ মৰা কুকুৰনেচীয়াটো পৰিছিল । তাৰ মাংস খাবলৈ চাৰি পাঁচটা কুকুৰনেচীয়া তাৰ ওপৰত জপিয়াই পৰিছিল ।

‘‘ৰক্ষা কৰা বৃকেশ্বৰী দেৱী, ৰক্ষা কৰা।’’ এইবুলি কৈ ভালুকটো তলত পৰি গ’ল । এনেত তেওঁৰ শিষ্যই কুকুৰনেচীয়া, কুকুৰনেচীয়া বুলি কৈ দৌৰি পলাবলৈ ধৰিলে।

গুৰু ভালুকে ভয়তে থৰথৰ কৈ কঁপিবলৈ ধৰিলে । তেওঁ দেখিলে, কিছুমান ভোকাতুৰ কুকুৰনেচীয়াই মৰা কুকুৰনেচীয়াটোৰ মাংস খাব ধৰিছে । এটা কুকুৰনেচীয়া অন্য কুকুৰনেচীয়াবোৰ মাজলৈ যাব পৰা নাছিল, সেয়েহে সি ভয়াতুৰ ভালুকটোৰ ফালে চাই আছিল । তাৰ দৃষ্টি ভালুকৰ ওপৰত কেন্দ্রিভূত আছিল।

তেতিয়া ভালুকটোৱে তৎক্ষণাত কুকুৰনেচীয়াটোৰ ফালে যাঠি দাঙি লৈ কলে,

"বৃকেশ্বৰীৰ প্ৰিয় ভক্তকে খাব বিচাৰিছা ।" এইবুলি কৈ পিচুৱাই গৈ সুৰঙ্গ পথেৰে পলাবলৈ ধৰিলে । ইফালে খৰ্গ আৰু জীৱদন্তই বুজিব পৰা নাছিল ভালুকৰ কি হৈছে । সি মৰিছে নে জীয়াই আছে ?

খৰ্গ, আমি ইয়াত থিয় হৈ থাকিলে কোনো লাভ নহব । ভালুকটো মৰিছে নে জীয়াই আছে আমি জানিব পৰা নাই । যিবোৰ কুকুৰনেচীয়াই সুৰঙ্গত প্ৰৱেশ কৰিছে, সিহঁতে এই দুষ্ট ভালুকৰ বুকুত ভয়ৰ সঞ্চাৰ কৰি দিছে । তুমি বাৰু চিঞৰ বাখৰ শুনা নাই নে ?" জীৱদন্তই কলে ।

"কিয় নুশুনিম ? ভালদৰে শুনিবলৈ পাইছো । এতিয়ামানে সেই ভীৰু ভালুকটো গৰ্ত এৰি যাব ধৰিছে চাগৈ । গুৰু ভালুকক আমি জীয়াই ৰাখিব বিচৰা নাই । "খৰ্গবৰ্মাই কলে ।

"তেতিয়াহলে বিলম্ব কিয় ? আমি সকলোৱে সুৰঙ্গ পথেৰে গাঁতটোলৈ যাওঁ । সমৰবাহু আৰু তেওঁৰ অনুচৰজনকো ইয়ালৈ মাতি আনা ।" জীৱদন্তই কলে ।

খৰ্গবৰ্মাই মতাৰ লগে লগে সমৰবাহু আৰু তেওঁৰ অনুচৰজন শিলাখন্ডৰ পৰা নামি আহি তেওঁৰ ওচৰ পালে । তেতিয়া জীৱদন্তই সমৰবাহুক কলে, "সমৰবাহু, আমি ওপৰৰ দুৱাৰেৰে গাঁতত প্ৰৱেশ কৰিবলৈ গৈ আছো।"

সমৰবাহুৱে চাৰিওফালে এবাৰ দৃষ্টি নিক্ষেপ কৰি ভয় ভয় কৈ কলে, "আমি চাৰিওজনে মিলি শত্ৰুক বধ কৰিব পাৰিম নে? ভাল হব । এতিয়া আমি চাব লাগিব ইয়াৰ পৰা জঙ্ঘললৈ যোৱাৰ কোনো ৰাস্তা আছে নে নাই ?"

"ভয় নকৰিবা সমৰবাহু, এইটো কুকুৰনেচীয়া বাঘৰ গড়াল । ইয়াৰ পৰা বাহিৰলৈ যোৱাৰ গাঁতেই হৈছে একমাত্ৰ পথ। তাৰপৰাই আমি বাহিৰলৈ যাব পাৰিম ।" এইবুলি কৈ জীৱদন্তই উঠি সুৰঙ্গ পথেৰে আগুৱাই গল । তেওঁৰ পিছে পিছে খৰ্গমৰ্বাও গ'ল ।

সমৰবাহু আৰু তেওঁৰ অনুচৰ জনে সিদ্ধান্তই কৰিব পৰা নাই তেওঁলোকে কিকৰিব। এনেতে জীয়াই থকা কুকুৰনেচীয়াবোৰে জিভা উলিয়াই তেওঁলোকক খাবলৈ আগবাঢ়ি আহিবলৈ ধৰিলে ।

(ক্ৰমশঃ)





পৰিবৰ্তন

প্ৰাচীন কালত কলিঙ্গ নগৰত মহাজন নামৰ এজন ব্যৱসায়ী আছিল । তেওঁ অকল ব্যৱসায়তে যে পাৰ্গত আছিল সেইটো নহয়, বৰং ন্যায় সিদ্ধান্ত লোৱাৰ বাবেও তেওঁ বিখ্যাত আছিল ।

বহুতো মানুহ পাৰস্পৰিক কাজিয়া মিমংসা কৰিবলৈ দূৰ-দূৰণিৰ পৰা তেওঁৰ ওচৰলৈ আহিছিল আৰু তেওঁৰ সিদ্ধান্ত মানি লৈছিল । এইদৰে মানুহৰ মাজত তেওঁৰ নাম প্ৰচাৰ হৈছিল।

মহাজনৰ শম্ভু নামৰ এটা পুতেক আছিল । পিতাকৰ এটাও গুণ তেওঁৰ গাত নাছিল, কিন্তু এজন ধনবানৰ পুতেকৰ যিবোৰ বেয়া স্বভাৱ থাকে, যেনে মদ খোৱা, জুৱা খেলা এই আতাইবোৰ বেয়া গুণে তেওঁৰ আছিল । পুতেকৰ এই বেয়া স্বভাৱবোৰ দূৰ কৰিবলৈ মহাজনে যি উপদেশ দিছিল সেই আতাইবোৰ অথলে গৈছিল । শম্ভুৰ এই বেয়া স্বভাৱৰ বাবে পিতাকৰ সকলো নাম যশ মাটিৰ লগত মিহলি হৈ গৈছিল ।

মহাজনে তেওঁৰ পুত্ৰক লৈ খুব চিন্তাত পৰিছিল। শম্ভু তেওঁৰ একমাত্ৰ পুত্ৰ হোৱা বাবে কঠোৰ দণ্ডও বিহিব পৰা নাছিল । এনেয়েও মহাজনৰ অন্তৰখন কঠোৰ নাছিল ।

শম্ভুৰো পিতাকৰ প্ৰতি মৰম আৰু শ্ৰদ্ধাভাব আছিল । কিন্তু পিতাকৰ ভাল উপদেশবোৰৰ প্ৰতি কাণ নিদিছিল । বৰং সেইবোৰত বেচিকৈহে লিপ্ত হৈছিল ।

খুব চিন্তা-ভাবনা কৰি মহাজনে এটা সিদ্ধান্ত কৰিলে । তেওঁ এইটো ভাবিছিল যে কিছুদিন যদি শম্ভুৰ পৰা দূৰত থকা হয় তেওঁৰ আশ্ৰয় নাপাই শম্ভুৰ হয়টো স্বভাৱৰ পৰিবৰ্তন হব পাৰে ।

এদিন মহাজনে পুতেকক কলে-"শম্ভু শুনা, মই সমুদ্ৰ ব্যৱসায়ত দূৰ দেশলৈ ওলাইছো, সেয়েহে মোৰ ওচৰত যিমান ধন আছে সকলোখিনিয়ে মই লগত লৈ যাম । এই যাত্ৰাত মোৰ কিমান দিন লাগে মই এতিয়াই কব নোৱাৰো।

এই কথা শুনি শম্ভু ব্যাকুল হৈ উঠিল । তেওঁ সুধিলে-"ধন নহলে মই কেনেকৈ চলিম ?"

"বাচা ! মইতো ইয়াৰ নিমিত্তেই যাবলৈ ওলাইছো । ধন অৰ্জন কৰিবলৈতো মূলধন লাগিব? তথাপি তুমি চিন্তা নকৰিবা । তোমাক যি ধন লাগে, সেই ধন মোৰ বন্ধুৰ পৰা ধাৰলৈ লবা । মই বেপাৰৰ পৰা ঘূৰি আহি পৰিশোধ কৰিম ।" এইবুলি কৈ মহাজনে যাত্ৰা কৰিলে ।

পিতাক গুচি যোৱাৰ পিছত শম্ভুৰ ভাব হ'ল তেওঁ যন এতিয়া বেচি মুকলিমূৰীয়া । তেওঁ অতি

পচিশ বছৰ আগতে চান্দমামাত প্ৰকাশিত পুৰণি কাহিনী

উৎসাহেৰে বেয়া কাম বোৰত লিপ্ত হৈ পৰিল । ইয়াৰ বাবে যি ধনৰ আৱশ্যক হৈছিল, যতে ধাৰে পাইছিল তাৰ পৰাই ধন ধাৰে লৈছিল ।

কিন্তু কিছুদিন পিছত শম্ভুক ধন ধাৰে দিয়া মানুহজনে ধাৰ দিবলৈ অস্বীকাৰ কৰিলে । তথাপি শম্ভুই একো চিন্তা নকৰিলে । ঘৰত থকা গহনা-পাতি আৰু অন্যান্য সামগ্ৰী বিক্ৰী কৰি তেওঁৰ খৰছৰ টকা বাহিৰ কৰিলে ।

ইয়াৰ দুদিনমান পিছত শম্ভুৰ ঘৰলৈ দুজন নাবিক আহি কলে--"বাবু, কিনো কম ? কেইদিনমান আগতে তোমাৰ পিতাৰৰ মাল নিয়া জাহাজ সাগৰত ডুবি গৈছে । তেওঁৰ সকলোবোৰ বেপাৰৰ সামগ্ৰীয়ে সাগৰৰ তলিত ডুব গৈছে । আমি দুয়ো কোনোমতে প্ৰাণ বচাই আহিছো ।" এইবুলি কৈ তেওঁলোকে চকুপানী টুকিবলৈ ধৰিলে ।

এই খবৰ শুনিয়েই শম্ভুৰ মূৰ্চা যোৱাৰ দৰে অৱস্থা হ'ল । তেওঁ বুজিব পৰা নাই ভৱিষ্যতে কি হব । কিন্তু অতি সোনাকালে তেওঁ বুজিব পাৰিলে তেওঁৰ অৱস্থা এতিয়া কি হব ।

মহাজনৰ মৃত্যুৰ বাতৰি শুনি নগৰৰ বেপাৰীবোৰে শম্ভুক ধাৰ পৰিশোধ কৰিবলৈ জোৰ দি ধৰিলে । তেওঁ ধাৰ পৰিশোধ কৰাৰ বাবে নিজৰ ঘৰটোৰ বাহিৰে সকলো সম্পত্তি বিক্ৰী কৰিব লগা হয় । কিন্তু ধাৰ দিয়া মানুহৰ লাইন লাগি থাকিল আৰু ধাৰ আদায়ৰ বাবে নতুন নতুন ধাৰদাঁতা লোক আহিবলৈ ধৰিলে ।

শম্ভু চিন্তাত অস্থিৰ হৈ পৰিল । তেওঁ তেওঁৰ পিতাকে আনৰ তাত পাব লগা ধাৰৰ টকাৰ হিচাব বিচাৰিবলৈ আৰম্ভ কৰিলে । আদায় কৰিবলৈ তেতিয়াও বহুত ধাৰ পৰি আছিল । শম্ভুৰ মনত আশাৰ সঞ্চাৰ হ'ল । তেওঁ ধাৰ আদায়ৰ বাবে ধৰুৱা বোৰৰ ওচৰলৈ চাকৰক পঠাই দিলে । কিন্তু এক পইচাও ধাৰ আদায় কৰিব নোৱাৰিলে । ধাৰ লোৱা মানুহবোৰে কৈ পঠালে যে তেওঁলোকে কেতিয়াবাই ধাৰ পৰিশোধ কৰিছে আৰু ধাৰ পৰিশোধ কৰা ৰছিদো তেওঁলোকৰ লগত আছে ।

তেওঁৰ বাহিৰেও তেওঁৰ পিতাকে লোৱা ধাৰ আদায় কৰিবলৈ ইমানবোৰ মানুহ অহা বাবে শম্ভুৰ মনত সন্দেহ হ'ল । তেওঁ ভাবিলে পিতাকে ইমানবোৰ ধাৰ কিয় লবলগা হ'ল । এইবোৰ নকল পত্ৰ হব নিশ্চয় । এইবুলি ভাবি তেওঁএক বিশেষজ্ঞৰ দ্বাৰা পত্ৰবোৰ পৰীক্ষা কৰালে । বিশেষজ্ঞয়ো কলে সেইবোৰ মহাজনৰে হস্তাক্ষৰ।

শম্ভুয়ে পিতাকৰ ধাৰ পৰিশোধ কৰিব নোৱাৰিলে । লাহে লাহে ধাৰ দিয়া মানুহবোৰ তেওঁৰ ওচৰলৈ আহিবলৈ এৰিলে । ইয়াৰ লগে লগে শম্ভুৰ পুৰণি বন্ধুবোৰেও শম্ভুৰ পৰা দূৰে দূৰে থাকিবলৈ ধৰিলে ।

শেষত নগৰৰ মানুহেও তেওঁৰ সৈতে কথা-বতৰা নোকোৱা হ'ল । শম্ভুৰ এনেকুৱা লাগিল সকলোৱে যেন তেওঁক সমাজৰ পৰা বাহিৰ কৰি দিছে । তেওঁৰ মনত খুব দুখ লাগিল । মানসিক ভাবে তেওঁৰ পৰিৰ্তন আহিল । তেওঁ অতীত জীৱনটো এক দুঃস্বপ্ন বুলি ভাবি লৈ এক সাধাৰণ জীৱন যাপন কৰিবলৈ ধৰিলে । তেওঁৰ ভাব হ'ল এয়েহে আচল জীৱন । ইয়াতেই তেওঁ সুখ অনুভৱ কৰিলে ।

সেই সময়তে শম্ভুৰ জন্মদিন পৰিল । শম্ভুৱে নিজৰ জন্মদিন পালন কৰাৰ কথা ভবা নাছিল । কিন্তু তেওঁৰ সিদ্ধান্তৰ বিৰুদ্ধে খুব ধুমধামেৰে তাৰ আয়োজন চলিবলৈ ধৰিলে । কৰবাৰ মানুহ আহি গোটেই ঘৰ দুৱাৰ সজাবলৈ ধৰিলে । তেওঁৰ নিমন্ত্ৰণ নোহোৱাকৈয়ে বন্ধু বান্ধ আৰু সম্বন্ধীয় লোকসকল আহি ওলাল ।

গোটেই ঘৰতে আনন্দৰ জোৱাৰ দেখি শম্ভু বিস্মিত হ'ল । নগৰৰ সকলো ব্যৱসায়ী তেওঁৰ ঘৰলৈ আহিল ।

শম্ভু আচৰিত হোৱাৰ লগে লগে আনন্দিতও হ'ল । এই সকলোবোৰৰ কাৰণ নাজানিলেও, এই আনন্দ উৎসৱৰ সময়ত শম্ভুৰ পিতাকৰ কথা মনত পৰিল । এই সময়ত পিতাক নথকাত তেওঁৰ মনত দুখ লাগিল আৰু কান্দিবলৈ ধৰিলে ।

এনে সময়তে কৰবাৰ পৰা মহাজন আহি পুতেকক আকোৱালি ধৰিলে । এই সময়ত পিতাকক দেখি শম্ভুৱে যেন নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই । তেওঁ একেথৰে পিতাকৰ ফালে চাই থাকিল।

"বাচা, মই জীয়াই আছো ! মই সকলো সময়তে তোমাৰ ওপৰত নজৰ ৰাখি আছো । তোমাৰ স্বাভাৱৰ পৰিবৰ্তন আনিবলৈ মই এই নাটক কৰিব লগা হ'ল ।" মহাজনে পুতেকক কলে ।

শম্ভুৱে পিতাকৰ ভৰিত পৰি কলে, "পিতাদেউ, আজিলৈকে মই আপোনাৰ অন্তৰত যেদুখ দি আছো এই কথা এতিয়াহে বুজিব পাৰিছো । ভৱিষ্যতে মই কেতিয়াও আৰু এনে নকৰো । মোক ক্ষমা কৰি দিয়ক ।"

আনন্দতে মহাজনৰ চকুৰ পৰা দুধাৰি চকুলো বৈ আহিল । ইয়াকে দেখি শম্ভুৱে তলমূৰ কৰি কলে -"মোৰতো পৰিবৰ্তন হ'ল কিন্তু আমি এতিয়া অতি দুখীয়া । ধৰুৱাবোৰে আমাৰ গোটেই সম্পত্তি লৈ গৈছে । আমাৰ পৰা ধন ধাৰে লাওঁতাবোৰে আপোনাৰ চহী থকা ৰছিদ দেখুৱাইছে । আপুনিও সেই ৰছিদবোৰ বিচাৰ কৰি চাওক ।"

মহাজনে হাঁহি মাৰি কলে-"সেই পত্ৰ আৰু ৰছিদবোৰ ময়েই তৈয়াৰ কৰি দি গৈছো । সেইবোৰ জাল ৰছিদ । তোমাৰ হাতত যাতে ধন নাথাকে ইয়াৰ বাবে মই এই ব্যৱস্থাবোৰ কৰিছো ।"

শম্ভুৱে এই কথাৰ বাবে আনন্দিত হ'ল যে, তেওঁ যিদৰে ধন নাশ কৰিব ধৰিছিল তাৰ হাতৰ পৰা পিতাকে সেই ধন ৰক্ষা কৰিলে । তেতিয়াৰ পৰা শম্ভুৱে পিতাকৰ দিহা মতে চলি এজন যশস্বী লোক হৈ পৰিল ।

বেতাল কথা

সঙ্গীত পুষ্প

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল । গছৰপৰা মৰাশটো নমাই আনি কান্ধত পেলাই ললে । তাৰ পাচত মৌন হৈ শ্মশানৰ ফালে আগবাঢ়িবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে-"ৰাজন, সাধাৰণতে ৰজা বিলাসময় জীৱনত অভ্যস্ত হয় । নিজৰ শাসনকাল যিমান বেচি হয় সিমানে সুখভোগৰ ইচ্ছ বাঢ়ি যায় । অতি চতুৰতাৰে নিজৰ ঐহিক ইচ্ছা পূৰণ কৰি লয় । তুমিও এজন ৰজা, কিন্তু এই সকলোবোৰৰ পৰা দূৰত থাকি ইয়াত তুমি কঠোৰ পৰিশ্ৰম কৰি আছা । ইয়াৰ পিছত নিশ্চয় কোনো কাৰণ থাকিব লাগিব । কোনো ৰজাধিৰাজ বা কোনো ৰাজচক্ৰৱৰ্ত্তীয়ে তোমাক কিবা দায়িত্ব অৰ্পণ কৰিছে কিজানি । মোৰ অনুমান হৈছে



ইয়াকে কৈ বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে।

চন্দনপুৰ গাঁৱত কুৱেৰ আৰু সুশেন নামৰ দুজন ধনী মানুহে বাস কৰিছিল। দুয়োৰে বহুত ডাঙৰ ঘৰ আছিল। ঘৰৰ প্ৰাঙ্গনো বিশাল আছিল। শ শ একৰ খেতিৰ মাটি আছিল। তেওঁলোকৰ ভিতৰত ভাল বন্ধুত্ব আছিল। কিন্তু তেওঁলোকৰ ব্যৱহাৰত বহুত প্ৰভেদ আছিল।

কুৱেৰ ধন অৰ্জন কৰাত নিমগ্ন আছিল। সুশেন আছিল কলাৰ প্ৰতি আসক্ত। গাঁৱলৈ যি কলাকাৰ আহিছিল সুশেনে তেওঁক সম্ভাষণ জনাইছিল আৰু ঘৰলৈ মাতি নি মূল্যবান উপহাৰ দিছিল। তেওঁৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিছিল। কুৱেৰে কিন্তু এইবোৰ একো কৰা নাছিল, কোনোবাই খুজিলেহে কিবা নহয় কিবা এটা দিছিল।

গন্ধৰ্ব নামৰ এজন গায়ক এই গাওঁখনৰ প্ৰতি আকৰ্ষিত হৈছিল। কিয়নো, তেওঁ জানিব পাৰিছিল তেওঁৰ পূৰ্বপুৰুষ এই গাঁৱত বাস কৰিছিল, পিছত তেওঁলোকে গৈ অন্য ঠাইত থাকিবলৈ লৈছিল।

গন্ধৰ্বৰ আচল নাম কি কোনোও নাজানিছিল। বহুদিন আগতে এজন ৰজাই তেওঁৰ গান শুনি তেওঁক এই নামটো দিছিল। বহুতো নগৰত তেওঁ গান গাই অনেক ধন আৰু খ্যাতি অৰ্জন কৰিছিল। নিজৰ পূৰ্বপুৰুষৰ গাঁৱলৈ যাবলৈ তেওঁৰ তীব্ৰ ইচ্ছা হৈছিল। লগতে তেওঁৰ গীত গাওঁবাসীক শুনুৱাৰো তেওঁৰ একান্ত ইচ্ছা আছিল।

কিন্তু তেওঁৰ সম্মুখত এটা সমস্যাই দেখা দিলে। বহুদিন ধৰি তেওঁ সংসাৰিক সুখত অভ্যস্ত আছিল। এটা সুখী আৰু আৰামৰ জীৱন কটাবলৈ তেওঁ ভাল পাইছিল। তেওঁ প্ৰতিদিন সৰোবৰৰ গোলাপ জলত স্নান কৰিছিল। বিভিন্ন প্ৰান্তৰ পৰা অহা চাৰি প্ৰকাৰৰ ব্যঞ্জন ৰান্ধিব পৰা

তেওঁৰ আজ্ঞা পালন কৰি কোনো লক্ষ্যত উপনিত হোৱাৰ বাবে তুমি লাগি আছা। সেয়ে এই নিবিড় অন্ধকাৰ ৰাতি নিজৰ জীৱনলৈও ভয় নকৰি আজ্ঞা পালন কৰিবলৈ উঠিপৰি লাগিছা। তুমি পাহৰিয়েই গৈছা এইখন এখন শ্মশান, ইয়াত ভূত প্ৰেত থাকে, অতি বিষধৰ শাপ থাকে আৰু হিংস্ৰ জন্তু থাকে। এই কামত তুমি সফলো হব পাৰা, বিফলো হব পাৰা। এইদৰে থাকিলে তুমি বৰ্ত্তমান জীৱন পৰিস্থিতিৰ দাস হৈ থাকিব লাগিব আৰু ভৱিষ্যতেওঁ ৰাজকীয় বৈভবৰ পৰা বঞ্চিত হৈ থাকিবা। সাধু-সন্ন্যাসীয়েহে এনে নিৰাস জীৱন যাপন কৰে, তোমাৰ দৰে ৰজাৰ বাবে এই জীৱন নহয়। তুমি এজন ৰজা হৈ এক অনুচিত কামত লাগি আছা। এতিয়াও সময় আছে, তুমি উলতি গৈ ৰাজসুখ ভোগ কৰাগৈ। তোমাক সাৱধান কৰি দিবলৈ গন্ধৰ্ব নামৰ এজন গায়কৰ কাহিনী কম। অতি মনোযোগেৰে এই কাহিনী শুনা আৰু কৰ্ত্তব্য ঠিক কৰি লোৱা।"

চাৰিজন ৰান্ধনীয়ে তেওঁৰ খোৱা আহাৰ তৈয়াৰ কৰিছিল । চাৰিজন ৰান্ধনী মিলি প্ৰতিদিন নতুন নতুন খোৱা বস্তু বনাইছিল । নিজৰ মন আনন্দত ৰাখিবলৈ নৰ্ত্তকীসকলৰ নৃত্যানুষ্ঠান তেওঁ নিয়মিত চোৱা কৰিছিল । গৰম তেওঁ সহ্য কৰিব নোৱাৰিছিল । তেওঁৰ থকা ঘৰটো যাতে শীতল হৈ থাকে তাৰ ব্যৱস্থা কৰিছিল । নহলে তেওঁৰ গৰমত টোপনী নাহিছিল ।

গন্ধৰ্বই সেই ভাগ্যবান সকলক হে গীত শুনাইছিল, যিয়ে তেওঁক আমন্ত্ৰন জনাই এই সুবিধাবোৰৰ ব্যৱস্থা কৰিব পাৰিছিল । এইটো দেখা কথা, যিয়ে তেওঁৰ আৱশ্যকতা পূৰণ কৰিব পাৰিছিল তেওঁলোকহে তেওঁৰ সঙ্গী আছিল । তেওঁ যিহেতু এতিয়া নিজৰ পূৰ্বপুৰুষৰ গাওঁ চন্দনপুৰলৈ যোৱাৰ সিদ্ধান্ত কৰিছে, সেয়ে তেওঁ পুলিন্দ নামৰ অনুচৰ এজনক সেই গাঁৱলৈ পঠাই এই কথাটো জানিব বিচাৰিলে, তাত এনে কোনো ধনী ব্যক্তি আছে নে নাই, যিয়ে তেওঁক এই সুবিধাবোৰ প্ৰাদন কৰিব পাৰিব ।

পুলিন্দই চন্দনপুৰলৈ আহি কুবেৰ আৰু সুশেনৰ বিষয়ে জানিব পাৰিলে । প্ৰথমতে তেওঁ কুবেৰৰ ঘৰলৈ গ'ল । পুলিন্দই কোৱা সকলো কথা শুনাৰ পিছত কুবেৰে কলে- "মোৰ ঘৰত সকলো সুবিধাই আছে । গন্ধৰ্বক আশ্ৰয় দিয়াত মোৰ কোনো আপত্তি নাই । কিন্তু মোৰ কোনো গীত বা অন্যান্য কলাৰ প্ৰতি ৰাপ নাই । ইয়াৰ বাবে মই তেওঁৰ সৈতে সময় কটাব নোৱাৰিম। তেওঁৰ কাৰ্য্যসূচীবোৰত ভাগ লব নোৱাৰিম । আমাৰ দুয়োৰে পথ বেলেগ বেলেগ, কিয়নো আমাৰ অভিৰুচিও একে নহয় । যদি তুমি বিচৰা, মই তেওঁৰ কাৰ্য্যসূচীত ভাগ লব লাগে, তেওঁৰ লগত মই থাকিব লাগে, সেইটো মোৰ বাবে সম্ভব নহব । তুমি সুশেনক দেখা কৰাই বেচি ভাল হব ।"



পুলিন্দই সুশেনকো দেখা কৰিলে । গন্ধৰ্বৰ কথাবোৰ ভালদৰে বুজাই কলে । পুলিন্দৰ কথা শুনি সুশেনে আনন্দিত হৈ কলে- "গন্ধৰ্বৰ দৰে প্ৰসিদ্ধ গায়ক এজন ইয়ালৈ অহাতো আমাৰ বাবে ভাগ্যৰ কথা । তেওঁৰ বাবে এটা স্নানাগাৰ নিৰ্মাণ কৰাই দিম । উত্তম ৰান্ধনী আৰু নৰ্ত্তকীৰ ব্যৱস্থা কৰি দিম । তেওঁ যিমান দিন ইয়াতে থাকে সিমান দিন মই তেওঁৰ লগতে থাকিম ।"

সুশেনৰ কথা শুনি পুলিন্দৰ মনত ভাল লাগিল । পুলিন্দই উভতি গৈ গন্ধৰ্বৰ আগত সকলো কথা কলে । সুশেনৰ কথাত গন্ধৰ্ব আনন্দিত হৈ তেওঁলৈ খবৰ পঠালে যে এমাহৰ ভিতৰতে তেওঁ চন্দনপুৰলৈ গৈআছে ।

গন্ধৰ্বই যেতিয়া চন্দনপুৰলৈ যোৱাৰ বাবে আয়োজন কৰি আছিল, তেতিয়া হঠাতে তেওঁক এদিন ৰজাই মাতি পঠালে । ৰাজমাতাৰ বেমাৰ। দুদিন তেওঁ অচেতন হৈ আছিল । চেতনা পাই

চকুমেলিয়েই তেওঁ গন্ধৰ্বৰ গান শুনাৰ ইচ্ছা প্ৰকাশ কৰিলে ।

তেওঁ চন্দনপুৰ যাত্ৰা স্থগিত ৰাখি ৰজাৰ প্ৰাসাদলৈ গল আৰু ৰাজমাতাক গীত শুনালে । ৰাজমাতাই পুলকিত হৈ কলে--"কোনো ঔষধে মোক ইমান শান্তি দিব পৰা নাছিল । তুমি এমাহ মোক সদায় গীত শুনাবা ।" ৰাজমাতাৰ কথানো গন্ধৰ্বই কেনেকৈ প্ৰত্যাখ্যান কৰে । তেওঁ সুশেনলৈ খবৰ পঠালে যে তেওঁ এমাহ পিছতহে চন্দনপুৰলৈ যাব পাৰিব ।

এসপ্তাহ পিছত ৰাজবৈদ্য আহি গন্ধৰ্বক কলে "তোমাৰ সঙ্গীত অদ্ভুত । দীৰ্ঘকাল ধৰি ৰাজমাতাই ৰোগত ভোগী আছিল । মই তেওঁৰ বেমাৰ ধৰিবই পৰা নাছিলো, সেয়ে মই ভাল চিকিৎসাও কৰিব পৰা নাছিলো । তুমি ৰাজমাতাক এমাহ গীত শুনাই থাকা । ইয়াৰ পিছত মই তোমাক এটা গুটি দিম । সেইটো লৈ তুমি হাবিলৈ যাবা । তোমাৰ লগত যাব মাথোঁ দুজন সৈনিক। সিহঁতে তোমাক সহায় কৰিব। গীত গাই গাই এঠাইত তুমি গুটিটো ৰোপন কৰিবা । সদায় গীত গাই গাই তাত পানী দি থাকিবা । তাৰ পিছত পুলি হব । ছমাহ পিছত সেই পুলিশ পৰা ফুল ওলাব । ইয়াৰ প্ৰথম ফুলটো চিঙি আনি মোক দিবা । এই ফুলৰ পৰা তৈয়াৰ কৰা ঔষধে ৰাজমাতাৰ বেমাৰ চিৰকালৰ বাবে ভাল কৰিব। কিন্তু তুমি এটা নিয়ম পালন কৰিব লাগিব । যিমান দিন তুমি হাবিত থাকিবা সিমান দিন তুমি ফল-মূল, গাখীৰ, পানী খাই হে থাকিব লাগিব । সেই সময়ত তুমি অন্য কোনো আহাৰ খাব নোৱাৰিবা । আহাৰেই হওক বা ব্যৱহাৰেই হওক কতো কৃত্ৰিমতা থাকিব নালাগিব । পৰিবেশো কৃত্ৰিম হব নালাগে, সেয়ে মই তোমাক গভীৰ হাবিৰ মাজলৈ পঠাব লগা হৈছে।

এই কথা যদিও ৰাজবৈদৰ মুখৰ পৰাই ওলাইছিল, গন্ধৰ্বই ভালদৰে বুজিব পাৰিছিল এয়া ৰজাৰ আজ্ঞা । তেওঁ এই কথা জানিব পাৰি আনন্দিত হ'ল যে, তেওঁৰ সঙ্গীত ৰাজমাতাৰ প্ৰাণ ৰক্ষা কৰাৰ ব্যৱহাৰত লাগিছে । পুলিন্দক মাতি আনি সুশেনক এই খবৰটো দিয়াৰ বাবে কলে ।

পুলিন্দে নিজে গৈ সুশেনক এই খবৰটো দি আহিল । সকলো ধৰণৰ আয়োজন সম্পূৰ্ণ কৰি সুশেনে গন্ধৰ্বৰ বাবে অপেক্ষা কৰি আছিল । বাস্তুশাস্ত্ৰ মতে সুশেনৰ ঘৰত তৈয়াৰ কৰা স্নানাগাৰটো দুমাহৰ বেচি ৰাখিব নোৱাৰিব । সেয়েহে তেওঁ খবৰ পোৱাৰ লাগে লগে স্নানাগাৰৰ বৃহৎ চৌবাচ্চাটো পূৰ্ণ কৰি দিলে । বান্ধনী আৰু নৰ্ত্তকীবোৰক দুগুণ বেতন দি পঠাই দিলে ।

সুশেনে পুলিন্দক কলে, "মই এই কথালৈ চিন্তা কৰা নাই যে মোৰ সকলো আয়োজন অথলে গ'ল । তেওঁ অহাৰ দহ দিন আগতে

কলে মই সকলো আয়োজন আকৌ সম্পূৰ্ণ কৰিব পাৰিম। গন্ধৰ্বদেৱৰ আগমনৰ বাবে মই অধিক আগ্ৰহেৰে বাট চাই আছো।"

পুলিন্দই ঘূৰি আহি সুশেনে যি কৈছিল সেই গোটেই কথা গন্ধৰ্বৰ আগত কলে। এই কথা শুনি গন্ধৰ্ব আনন্দিত হোৱাৰ লগতে আচৰিতো হ'ল। তেওঁ মনতে সিদ্ধান্ত কৰি ললে, তেওঁ সুশেনৰ আতিথ্য পোৱাৰ বাবে হলেও চন্দনপুৰলৈ যাব লাগিব। নিৰ্দিষ্ট দিনত তেওঁ হাবিলৈ বুলি ওলাল।

গন্ধৰ্বই হাবিৰ মাজত ছমাহ থাকি ৰাজবৈদ্যই কোৱা মতে সকলো কৰিলে। প্ৰথমতে কেইদিনমান তেওঁ অসুবিধা অনুভৱ কৰিছিল। কিন্তু কেইদিনমান যোৱাৰ পিছত তাৰ পৰিবেশৰ লগত তেওঁ অভ্যস্ত হৈ গ'ল। তেওঁৰ কণ্ঠৰ পৰা দৈনিক নতুন নতুন ৰাগ ওলাবলৈ ধৰিলে। তেওঁৰ স্বৰ আৰু বেচি মধুৰ হ'ল। আগতে তেওঁৰ স্বৰত ইমান মাধুৰ্য্য নাছিল।

ইয়াৰ পাছত গন্ধৰ্বই সঙ্গীতৰ পৰা উদ্ভৱ হোৱা ফুল লৈ ৰাজধানীলৈ আহিল। সেই ফুলৰ পৰা তৈয়াৰ কৰা ঔষধেৰে ৰাজমাতাৰ বেমাৰ ভাল হ'ল। ইমান সোনকালে ৰাজমাতা ভাল হৈ উঠিব বুলি কোনেও ভবা নাছিল।

সেই সময়তে চুবুৰীয়া ৰজাবোৰেও গন্ধৰ্বৰ সঙ্গীত পুষ্পৰ বিষয়ে জানিব পাৰিলে। চুবুৰীয়া ৰজাবোৰে গন্ধৰ্বৰ অদ্ভুত ধৰণৰ সঙ্গীত শুনাৰ ইচ্ছা প্ৰকাশ কৰি সেই ৰজালৈ খবৰ পঠালে। সেই ৰাজ্যলৈ যোৱাৰ বাবে ৰজাই গন্ধৰ্বক আদেশ দিলে। ৰজাৰ আদেশ পালন কৰি গন্ধৰ্বই ওচৰৰ ৰাজ্যলৈ যাবলৈ ওলাল। যোৱাৰ আগতে তেওঁ পুলিন্দক কলে যে তেওঁৰ চন্দনপুৰ যোৱাৰ কাৰ্য্যসূচীৰ বিষয়ে এতিয়া যেন সুশেনক একো কোৱা নহয়।

গন্ধৰ্বৰ গীত শুনি চুবুৰীয়া ৰজাৰ মনত আনন্দ লাগিল। এনেকুৱা শান্তি তেওঁ আগতে কেতিয়াও অনুভৱ কৰা নাছিল। তেওঁ গন্ধৰ্বক নিজৰ দেশতে ৰাখিব বিচাৰিছিল। কিন্তু তেওঁ জানিছিল গন্ধৰ্বৰ দেশৰ ৰজাই এই প্ৰস্তাৱত মান্তি নহব। তেওঁ অসহায় অৱস্থাত পৰি ৰাজবৈদ্যৰ সহায় বিচাৰিলে।

তেতিয়া বৈদ্যই ৰজাক কলে, "মহাৰাজ, বহুদিন ধৰি আপোনাৰ মনত শান্তি নাই। মই ভাবো আপোনাৰ মনৰ অশান্তি দূৰ কৰিবলৈ কোনো ধৰণৰ ঔষধ নাই। কিন্তু গন্ধৰ্বৰ গীতে সেইটো কৰি দেখুৱালে। তেওঁৰ গীতৰ নিশ্চয় কোনো বৈশিষ্ট আছে। এই কাৰণে তেওঁৰ গীতে নতুনত্ব আনি দিব পাৰে। যেনদৰে ওচৰৰ ৰাজ্যৰ ৰজাই ৰাজমাতাৰ বাবে সঙ্গীত পুষ্পৰ সৃষ্টি কৰিছিল সেইদৰে যদি আপুনিও সঙ্গীত পুষ্প সৃষ্টি কৰাব পাৰে আপোনাৰ মনৰ অশান্তি সম্পূৰ্ণৰূপে দূৰ হৈ যাব। এইটোৱে মোৰ মনৰ অভিপ্ৰায়।"



চুবুৰীয়া ৰাজ্যৰ ৰজাৰ অনুৰোধত গন্ধৰ্ব পুনৰ হাবিৰ মাজলৈ গ'ল। প্ৰথমতে তেওঁৰ কিছু অসুবিধা লাগিলেও লাহে লাহে তেওঁৰ এই জীৱনটোৱে ভাল লগা হ'ল। সঙ্গীত পুষ্প অঙ্কুৰিত কৰি সেই পুষ্প তেওঁ ৰজাৰ হাতত দি নিজ দেশলৈ উলতিল।

কেইদিনমানৰ ভিতৰতে তেওঁ আকৌ বিলাসপূৰ্ণ জীৱনত অভ্যস্ত হ'ল। পুলিন্দই এদিন তেওঁক চন্দনপুৰৰ কথা মনত পেলাই দিলে। অলপ পিছতে গন্ধৰ্বই পুলিন্দক কলে, “তুমি, কুৱেৰলৈ খবৰ পঠোৱা যে মই চন্দনপুৰলৈ গৈ আছো। মই তেওঁৰ আলহী হৈ থাকিম।”

কাহিনী শেষ হোৱাৰ পিছত বেতালে কলে, “ৰাজন, গন্ধৰ্বৰ সিদ্ধান্তৰ কথা শুনি এইটো অনুমান হয় যে তেওঁ স্বাভাৱিক অৱস্থাত নাই। বহুদিন ধৰি সুশেনে তেওঁৰ প্ৰতিক্ষাত আছে। এনে এজন যোগ্য ব্যক্তি আৰু আলহী ৰখা গৃহস্থ এৰি কুৱেৰৰ তালৈ যাব খোজা সিদ্ধান্তটো বাৰু অসঙ্গত লগা নাই নে? তুমি বাৰু গন্ধৰ্বৰ বুদ্ধি ভ্ৰষ্ট হোৱা বুলি নাভাবানে? হাবিৰ মাজত থাকি তেওঁ বৈৰাগী জীৱন কটাইছে। নগৰলৈ ঘূৰি আহি তেওঁ আকৌ বিলাসপূৰ্ণ জীৱন কটাবলৈ ধৰিলে। ইয়াৰ কাৰণ এইটো নহয়তো, গন্ধৰ্বই হয়তো ভাবিছে মই যি কোনো ধৰণৰ জীৱন কটাব পাৰো, যিকোনো পৰিবেশতে নিজকে খাপ খুৱাব পাৰো। মোৰ এই সন্দেহৰ কথা জানিও যদি তুমি মৌন হৈ থাকা তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।”

ৰজা বিক্ৰমে কলে, “কাৰো দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ, কোনো জোৰ জবৰদস্তি নোহোৱাকৈ স্বইচ্ছাইমানুহে যি পৰিবৰ্তন বিচাৰে সেইটোৱে তেওঁক এক নতুন আনন্দ প্ৰদান কৰে। কিন্তু গন্ধৰ্বই যি সিদ্ধান্ত লৈছে ইয়াৰ কাৰণ সঙ্গীতপুষ্প। সঙ্গীত পুষ্পৰ কাৰণেই দুবাৰ চন্দনপুৰ যাত্ৰা স্থগিত ৰাখিব হয়। আগলৈ যে আৰু যাত্ৰা স্থগিত নহব তাৰ কোনো নিশ্চয়তা নাই। গন্ধৰ্বই জানিছিল তেওঁৰ যাত্ৰা নিশ্চিত নহয়। সুশেনক যিহেতু তেওঁ বহুতো সুখ সুবিধাৰ কথা কৈছিল, সয়ে তেওঁ সুশেনক আৰু অসুবিধা দিব বিচৰা নাছিল। তেওঁ জানিছিল তেওঁ অহা খবৰ পালে সুশনে মহা ধুমধামেৰে আয়োজন কৰিব, সেয়ে তেওঁ কুৱেৰৰ আলহী হব বিচাৰিছিল, কাৰণ তেওঁৰ আগমনৰ বাবে কুৱেৰে কোনো বিশেষ আয়োজন নকৰে। কথা এইটোৱে। তেওঁ বুদ্ধিভ্ৰষ্টও নহয় আৰু তেওঁৰ মানসিক অৱস্থাও দোদুল্যমান নহয়।

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতাল শটোৰে সৈতে নোহোৱা হৈ গ'ল আৰু গছৰ ডালত ওলমি থাকিল।

(বসুন্ধৰাৰ ৰচনাৰ আধাৰত)

এজন ৰজাৰ প্ৰত্যাবৰ্তনত আনন্দ

এয়া হ'ল কেৰেলাৰ ওনম উৎসৱ । ওনমৰ কথা উল্লেখ কৰিলেই মনলৈ আহে ঘৰৰ চোতালত সজোৱা ৰংবিৰঙৰ ফুলাম নক্সাৰ কথা আৰু কেৰেলাৰ প্ৰসিদ্ধ নৌকা চালনা প্ৰতিযোগিতাৰ কথা।

হাজাৰ বছৰৰো আগৰে পৰা ওনম কেৰেলাৰ এক প্ৰধান উৎসৱ হিচাবে বিবেচিত হৈ আহিছে । ৮৬১ খৃষ্টাব্দৰ এখন তামৰ ফলিত ওনম উৎসৱ পালন কৰাৰ উল্লেখ পোৱা গৈছে ।

বৰ্ষাকাল শেষ হোৱাৰ পিচতে যেতিয়া চাৰিওফালৰ পৰিবেশ সেউজীয়া হৈয়ে থাকে সেই সময়ত ওনম পালন কৰা হয় । কেৰেলাৰ দুটা প্ৰধান উৎসৱৰ ভিতৰত এটা হ'ল ওনম আৰু আৰু আনটো হ'ল এপ্ৰিল মাহত পালন কৰা বিষু উৎসৱ । শস্য চপাই ভঁৰালত থোৱাৰ পিচত মানুহে অলপ আহৰি সময় পায় । সেই সময় হৈছে উৎসৱ আদি পালন কৰাৰ বাবে উপযুক্ত সময়।

কেৰেলাৰ নব বৰ্ষৰ প্ৰথম মাহ চিঙ্গো (আগষ্ট-চেপ্টেম্বৰ) মাহত ওনম উৎসৱ পালন কৰা হয় । সেই সময়ত উত্তৰ আৰু উত্তৰ পূব ভাৰতত শাওন অথবা ভাদ মাহ পৰে । এই ওনম উৎসৱ জাতি বৰ্ণ নিৰ্বিশেষে সকলোৰে ঘৰে ঘৰে এসপ্তাহ জুৰি পালন কৰা হয় । কিছুমান সম্প্ৰদয়ে এই উৎসৱ দহদিন ধৰি পালন কৰে ।

মহাবলীৰ প্ৰত্যাবৰ্তন

বহুদিন আগতে মহাবলী নামৰ এজন অসুৰ ৰজাই কেৰেলা শাসন কৰিছিল। তেওঁ জ্ঞানী, ন্যায়পৰায়ণ আৰু উপযুক্ত ৰজা আছিল । সেয়ে তেওঁক প্ৰজাসকলে খুব ভাল পাইছিল। তেওঁৰ ৰজত্ব কালত প্ৰজাসকলে সুখে সন্তোষে বাস কৰিছিল । তেওঁ এজন ক্ষমতাশালী ৰজা আছিল । সেয়ে তেওঁ অকল পৃথিৱীতে তেওঁৰ শাসন চলোৱা নাছিল, স্বৰ্গ আৰু পাতালতো তেওঁৰ আধিপত্য বিস্তাৰ কৰিছিল ।

স্বৰ্গৰ দেৱতাসকলে তেওঁৰ নাম যশ সহ্য কৰিব পৰা নাছিল । তেওঁ দেৱতাসকলৰ ৰোষত পৰিছিল। মহাবলীয়ে স্বৰ্গ অধিকাৰ কৰা বাবে দেৱতাসকলে তেওঁক উচিত শিক্ষা দিব বিচাৰিছিল আৰু সেই উদ্দেশ্যে তেওঁলোকে ভগবান বিষ্ণুৰ সহায় খুজিছিল ।

বিষ্ণুয়ে তাৰ বাবে সুযোগৰ অপেক্ষাত আছিল । মহাবলীয়ে এক অশ্বমেধ যজ্ঞৰ আয়োজন কৰিছিল । বিষ্ণুয়ে এজন বাওনা ব্ৰাহ্মণৰ (বামন) ৰূপ ধৰি পোনে পোনে যজ্ঞ স্থলিত গৈ উপস্থিত হ'ল । যজ্ঞৰ নিয়ম অনুসাৰে তাত উপস্থিত থকা ব্ৰাহ্মণসকলে যি বিচাৰে তাকে ৰজাই দিব লাগে । সেই নিয়ম পালন কৰি মহাবলীয়ে বামনক সুধিলে তেওঁক কি লাগে । তেতিয়া বামনে কলে যে তেওঁক অইন একো নালাগে, মাথোঁ তিনি পদ ভূমি লাগে । গুৰু

শুক্ৰচাৰ্য্যৰ কথা নুশুনি মহাবলীয়ে তৎক্ষণাত সন্মতি জনালে । অকণমাণি ব্ৰাহ্মণজনে বিচৰা বস্তুত তেওঁ একো অন্যায় দেখা নাপালে । ইয়াৰ পিছত হে সেই আচৰিত ঘটনাটো ঘটিল ।

বামনে হঠাতে এক প্ৰকাণ্ড ৰূপ ধৰি এখন ভৰি স্বৰ্গত আৰু এখন ভৰি পৃথিবীত ৰাখিলে । ইয়াৰ পিছত তৃতীয় ভৰিখন ৰাখিবলৈ তেওঁ মহাবলীৰ ওচৰত মাটি খুজিলে । ৰজাই তেওঁৰ প্ৰতিজ্ঞা ৰাখি তৃতীয় ভৰিখন থবলৈ তেওঁ মূৰটো পাতি দিলে । বামনে তেওঁৰ তৃতীয় ভৰিখন মহাবলীৰ মূৰত থৈ হেঁচুকি দি তেওঁক পাতাললৈ পঠাই দিলে । বামন অদৃশ্য হোৱাৰ আগতে ৰজাই এটা বৰ বিচাৰিলে । তেওঁ যেন প্ৰজাসকলক চাবলৈ প্ৰতিবছৰে এবাৰ তেওঁৰ ৰজ্যলৈ আহিব পাৰে ।

এইয়েই সেই মহাবলীৰ পৃথিবীলৈ প্ৰত্যাবৰ্তন, যাক ওনম হিচাবে পালন কৰা হয়।

জনসাধাৰণে বিশ্বাস কৰে যে, ওনমৰ দহ দিনৰ ভিতৰত তেওঁলোকৰ প্ৰিয় ৰজা সকলোৰে ঘৰলৈ যি কোনো এদিন গৈ তেওঁলোক কেনে আছে তাৰ বুজ লয় । সেয়ে মহাবলীক স্বাগতম জনাবলৈ সকলোৱে ঘৰদুৱাৰ ধুনীয়াকৈ ৰাখে । ওনমৰ আগে আগে সকলো মানুহে ঘৰবোৰ সুন্দৰকৈ সজায়। উৎসৱৰ দিনাখন ৰাতিপুৱা মহিলা আৰু শিশুবোৰে গৈ ফুল আৰু পাত সংগ্ৰহ কৰি আনি তেওঁলোকৰ পদূলিবোৰ আকৰ্ষণীয়কৈ সজায়। এই ধুনীয়া ফুলাম আৰ্হিকে পুক্কালম বুলি কোৱা হয় ।

আজি কালি মহাবলীৰ লগতে বামনৰো পূজা কৰা হয়, যিয়ে মহাবলীক পাতাললৈ পঠাইছিল । চোতালৰ আগত বৰ্গক্ষেত্ৰ আকৃতিৰ মাটিৰ ঢাপ বান্ধি ফুলেৰে সজোৱা হয় আৰু সেইটোকে মহাবলী আৰু বামন বুলি ভবা হয় । আগৰ দিনত বামনক পূজা কৰা হোৱা নাছিল ।

মানুহবোৰে নতুন কাপোৰ পিন্ধে, ইজনে সিজনক উপহাৰ দিয়ে আৰু তেওঁলোকৰ মহান ৰজাক প্ৰশংসা কৰি গীত গায়।

এই দহদিনীয়া উৎসৱৰ সময়ত মানুহে পৰম্পৰাগত সুস্বাদু আহাৰ বনায়। মহিলাবোৰে ওনম উৎসৱৰ সৈতে জৰিত কৈকোত্তিক্কালি লোক নৃত্য পৰিবেশন কৰে।

কেৰেলাৰ নাওঁখেল প্ৰতিযেগিতা সকলোৰে ভিতৰত এক অতি উত্তেজনাপূৰ্ণ খেল। কাঠেৰে তৈয়াৰী এই দীঘল নাওবোৰ মূৰটো দাঙি থকা সাপৰ আকৃতিত তৈয়াৰ কৰা হয়। প্ৰতিযোগিতাৰ দিনাখন এই বিশাল নাওবোৰত শ শ নাও চলোৱা মানুহ উঠি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। এই বিশাল নাওবোৰৰ উপৰিও বহুতো সৰু সৰু নাও থাকে যিবোৰ আনকি সৰু সৰু ল'ৰা ছোৱালীবোৰেও চলায়। মুঠতে কবলৈ গলে সেই দিনা সকলোৰে হাঁহি আনন্দৰ মাজেৰে কটায় দিয়ে।

যোৰা যোৰাকৈ মিলোৱা

তলত দিয়া ওনমৰ সৈতে জৰিত শব্দবোৰ তাৰ অৰ্থৰ সৈতে মিলাকৈ সজোৱা।

১. কৈকোত্তিক্কালি	a) ওনামৰ দিনা নতুন কাপোৰ পিন্ধা।
২. ওনাকোডি	b) নাওখেলা।
৩. পুক্কালম	c) ওনমৰ সময়ত পতা ভোজ।
৪. বল্লমকালি	d) এবিধ লোকনৃত্য।
৫. ওনাসাদিয়া	e) মাটিত ফুলেৰে সজোৱা আৰ্হি।

উত্তৰ : 1-d, 2-a, 3-e, 4-b, 5-c

ভাৰত কথা

এক মহান সভ্যতাত এভুমুকি

যুগে যুগে সত্যৰ বাবে গৌৰৱময় অনুসন্ধান

১৮. ৰজাৰ যেতিয়া বাঁওচকুটোৰে চকুপানী ওলায়



"ককাদেউতা, নদীৰ পাৰত থকা মন্দিৰটোৰ সন্মুখত যে যজ্ঞ পতা হব আপুনি শুনিছেনে? কিছুমান ধাৰ্মিক মানুহে এই যজ্ঞ পাতিব খুজিছে আৰু আমাৰ চহৰৰ কিছুমান অৱস্থাপন্ন লোকে ইয়াৰ খৰছ বহন কৰিব খুজিছে।" সন্দীপে অলপ উত্তেজিত হৈ কথাখিনি কলে।

"অ' হয়নেকি?" অধ্যাপক দেৱনাথে মাথো কথাটো শলাগি থলে। সন্দীপে বাতৰি কাকতখন ভাজ কৰি বাতৰিটো ককাকক দেখুৱালে। ককাকে কিন্তু বাতৰি চোৱাৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱালে। এই কথাত সন্দীপ আচৰিত হল যদিও সেইটো প্ৰকাশ নকৰিলে। "ককা, তেওঁলোকে কৈছে যজ্ঞই শান্তি প্ৰতিষ্ঠা কৰিব। কথাটো সচানে?" সন্দীপে সুধিলে।

"মই নাজানো বোপা, কাৰণ, শান্তি এনে এটা গুণি যিটো আমাৰ মাজত হে উৎপন্ন হব লাগিব, আমাক বাদ দি নহয়। যিসকলে যজ্ঞৰ আয়োজন কৰিছে তেওঁলোকৰ মন আৰু অন্তৰত যদি শান্তি থাকে তেতিয়াহলে এই যজ্ঞৰ প্ৰভাৱ আনৰ ওপৰত পৰিব পাৰে।"

"তাৰমানে আপুনি কব বিচাৰিছে, অন্যথা এই যজ্ঞ অসাৰ্থক।"

"নিশ্চয়। ধৰা, যিসকল পুৰোহিতে যজ্ঞৰ মন্ত্ৰ মাতিব, তেওঁলোকে যদি ভক্তিভাৱে যজ্ঞৰ মন্ত্ৰ উচ্ছাৰণ কৰে, যজ্ঞৰ পৰিবেশ যদি পৰিষ্কাৰ আৰু গাম্ভীৰ্য্যপূৰ্ণ হয়, ইয়াৰ প্ৰভাৱ যজ্ঞত ভাগ লোৱাসকল অথবা যজ্ঞ চাবলৈ

বিশ্বাবসু



অহা মানুহৰ ওপৰত পৰিব । আনকি যজ্ঞত ব্যৱহাৰ কৰা ফুলৰ সৌৰভ, ধূপ ধূনাৰ গোন্ধ আৰু অন্যান্য বস্তুবোৰৰ প্ৰভাবো মানুহৰ মনৰ ওপৰত পাৰে । যদি এই অনুষ্ঠানটোৰ ওপৰত মানুহৰ বিশ্বাস থাকে, তেতিয়া কিছুপৰিমানে হলেও এইটো পতাৰ সাৰ্থক হব ।" ককা দেৱনাথে কলে ।

"কিন্তু, পুৰণি কালত প্ৰায়েই বহুতো যজ্ঞ পতাৰ কথা আমি শুনা নাইনে ? সেইবোৰ বাৰু ধাৰ্মিক উদ্দেশ্যেৰেহে মাথোঁ পাতিছিল নেকি ?" সন্দীপৰ মাক জয়শ্ৰীয়ে হাতত একাপ চাহ লৈ কোঠালিটোলৈ সোমাই কথাখিনি সুধিলে ।

অধ্যাপকে অলপ পোন হৈ বহি চাহ কাপ হাতত লৈ হাঁহি এটা মাৰি কলে, "সময়ৰ পৰিবৰ্তনৰ লগে লগে যজ্ঞৰ ধাৰণাটোৰো বহুতো পৰিবৰ্তন হৈছে । আদিতে যজ্ঞৰ উদ্দেশ্য আছিল ঐশ্বৰিক শক্তিৰ লগ মিলি যোৰা । ইয়াৰ মানে এজনৰ ইচ্ছা আকাংক্ষা ভগবানৰ ওচৰত সমৰ্পন কৰা । প্ৰসঙ্গ ক্ৰমে কব পাৰি যজ্ঞ শব্দটোৰ কোনো ভাল প্ৰতিশব্দ নথকাত ইংৰাজীত ইয়াক Sacrifice ত্যাগ হিচাবে অনুবাদ কৰা হয় । (ত্যাগ) এইকাৰণে কোৱা হয় যে এজনৰ ইচ্ছাৰ বাবে এজনে ত্যাগ কৰে । আধ্যাত্মিক অৰ্থত এইটোৱে হ'ল ত্যাগৰ আচল অৰ্থ । কিন্তু, কিছুমানে আকৌ যজ্ঞ পাতি ভগবানৰ ওচৰত বিভিন্ন বস্তু প্ৰাৰ্থনা কৰে । আজি তেওঁলোকে শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰিছে । পুৰণি কালত ৰজা মহাৰজা, ঋষি মুনিসকলে পুত্ৰ অথবা মান যশ প্ৰাৰ্থনা কৰি যজ্ঞ পাতিছিল । যি নহওক, যজ্ঞই মানুহক কিছুমান অদৃশ্য শক্তিৰ সৈতে সংযোগ ঘটায় দিয়ে ।"

"তাৰ মানে বিভিন্ন প্ৰকাৰৰ যজ্ঞ আছে । নহয় নে ককা ?" চামেলীয়ে সুধিলে ।

"হোমাগ্নি হ'ল যজ্ঞৰ বাহ্যিক চিহ্ন । অগ্নি শিখা যেনেকৈ সদায় উৰ্দ্ধমুখী হয়, আমাৰ আশা আকাঙ্খাও উৰ্দ্ধমুখী হোৱাতো বিচাৰো। জুয়ে যেনেকৈ অশোধিত ধাতু পুৰি তাক শোধন কৰে যজ্ঞয়ো আমাৰ অপৱিত্ৰ চৈতন্যক পুৰি পৱিত্ৰ কৰে ।" অধ্যাপক দেৱনাথে বুজাই কলে । "প্ৰকৃত যজ্ঞ কোনো এজনৰ ভিতৰত সদায় চলি থাকিব পাৰে যেতিয়ালৈকে তেওঁৰ সকলোবোৰ ঈশ্বৰৰ ওচৰত সমৰ্পণ কৰা নহয় । সামাজিক জীৱনতো পাহৰিব নোৱাৰা বহুতো উদাহৰণ আছে, যিয়ে নিজৰ সৰ্বস্ব ত্যাগ কৰিছিল ।

মই তোমালোকক কোৱা ৰজা হৰিশ্চন্দ্ৰৰ কাহিনীটো মোৰ মনলৈ আহিছে । তোমালোকে নিশ্চয় কৰ্ণৰ কাহিনীটো শুনিছা, যিয়ে প্ৰতিজ্ঞা ৰক্ষা কৰি কৱচ কুণ্ডল দান কৰিছিল । তেওঁৰ দানশীলতাৰ বিষয়ে

অন্য এটা কাহিনীও আছে। এদিনাখন কৰ্ণই অতিথি সকলৰে সৈতে আহাৰ খাই আছিল। এনেতে এজন ভিখাৰী আহি তেওঁৰ দুৱাৰ মুখত উপস্থিত হ'ল আৰু তেওঁৰ জীয়েকৰ বিয়াৰ খৰছৰ বাবে ৰাজাৰ ওচৰত ভাল দান মাগিলে। ৰজাই যিহেতু সোঁ হাতখনেৰে খাই আছিল বাওঁহাতখনেৰে নিজৰ গলৰ পৰা মূল্যবান হাৰ এডাল উলিয়াই চাকৰটোৰ হাতত দি ভিখাৰীটোক দিবলৈ কলে। তেতিয়া এজন আলহীয়ে কলে, "ভিক্ষা আৰু দান যে সোঁহাতেৰে দিব লাগে এইটো আপুনি নাজানে নেকি ? আপোনাৰ খোৱা শেষ হোৱালৈ তাক অপেক্ষা কৰিবলৈ কৈ খাই উঠাৰ পিছতো তাক হাৰডাল দিব পাৰিলে হয়।"

ইয়াৰ উত্তৰত কৰ্ণই কলে, "বন্ধু, সিমান সময় অপেক্ষা কৰিলে ইয়াৰ ভিতৰতে মোৰ যে মনৰ পৰিবৰ্তন নহব এইটো কোনে জানে? সেয়েহে মানুহৰ মঙ্গলৰ বাবে কৰা মহৎ কামবোৰ অতি সোনকালে কৰিব লাগে। যিবোৰ কামে মানুহক অন্যায় কৰিব পাৰে সেইবোৰ কাম হে ভাবিচিন্তি কৰিব লাগে।"

"সচাঁকৈয়ে বাৰু ইমান দয়ালু মানুহ আছেনে ?" সন্দীপে সুধিলে।

"মহৎ, সাহসী আৰু দয়ালু লোক সদায় আছিল আৰু এতিয়াও আছে। দৰাচলতে, এই সকলোবোৰ গুণ তোমাৰ, মোৰ আৰু আনবোৰ মানুহৰ গাতো আছে। অতীতৰ আখ্যান উপাখ্যানবোৰে আমাক তেওঁলোকৰ কথা সোঁৱৰাই দিয়ে যাতে সেই গুণবোৰ আমাৰ মাজত জাগ্রত কৰি ৰাখিব পাৰো। উদাহৰণ স্বৰূপ ময়ুৰধ্বজৰ কথা কব পাৰি।" এইবুলি অধ্যাপকে কাহিনীটো আৰম্ভ কৰিলে:



যুধিষ্ঠিৰ হস্তিনাপুৰৰ যেতিয়া ৰজা আছিল সেই সময়ত ময়ুৰধ্বজে ৰত্নগিৰি ৰাজ্য শাসন কৰিছিল । দুয়োজন ৰজাকে তেওঁলোকৰ শুভাকাঙ্খী সকলে ৰাজসূয় যজ্ঞ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল । যিয়ে এই যজ্ঞ কৰে তেওঁক ৰাজচক্ৰৱৰ্ত্তী ৰাজা বুলি বিবেচনা কৰা হয় । কিন্তু এই যজ্ঞ কৰাৰ যোগ্যতা অৰ্জন কৰিবলৈ এটা ঘোঁৰা সজায় লব লাগিব । সেই ঘোঁৰাটোৰ পিছে পিছে এজন সেনাপতিৰ নেতৃত্বত কিছুমান সৈন্য যাব ।ঘোঁৰাটো ৰজাৰ আধিপত্যত থকা ৰাজ্যবোৰৰ চাৰিওফালে ঘূৰাই লৈ ফুৰাব লাগিব । যদি ঘোঁৰাটো কোনেও নধৰে তেতিয়া বুজিব লাগিব, অন্যান্য ৰজাবোৰে তেওঁৰ আধিপত্য মানি লৈছে ।

ৰজা যুধিষ্ঠিৰৰ যজ্ঞৰ ঘোঁৰাৰ পাছে পাছে কৃষ্ণ আৰু অৰ্জুন গৈছিল । তেওঁলোকে জানিব পাৰিছিল যে ময়ূৰধ্বজ ৰজাৰ ঘোঁৰা তেওঁৰ পুত্ৰ সুচিত্ৰৰ লগত বিপৰীত ফালৰ পৰা আহি আছে । তেওঁলোকে ময়ূৰধ্বজৰ ঘোঁৰাক বাধা দিয়াৰ কথা ভাবিলে । তাকে নকৰিলে ময়ুৰধ্বজৰ আধিপত্য মানি লোৱা হব ।

কিন্তু সেই সময়তে এক অঘটন ঘটিল । যেতিয়া ময়ূৰধ্বজ ৰজাৰ ঘোঁৰা তেওঁলোকৰ ওচৰেৰে পাৰ হৈ গৈছিল, তেওঁলোক সেই সময়ত অচেতন হৈ পৰিছিল । তেওঁলোকে একো কব নোৱাৰিছিল ।

কিছুমান জ্ঞানী মানুহে তেওঁলোকক জনাইছিল যে ৰজা ময়ুৰধ্বজ এজন অসামান্য লোক । তেওঁৰ কোনো বস্তুৰে প্ৰতি লোভ নাই । এটা বিশেষ মুহূৰ্ত্তত কোনো মানুহ তেওঁৰ ওচৰলৈ গৈ যি বস্তুকে খোজে তাকে তেওঁ দিয়ে ।

কৃষ্ণ আৰু অৰ্জুনে কৌতুহলী হৈ পৰিব্ৰাজকৰ ভাও ধৰি এক শুভ মুহূৰ্ত্তত ৰজাৰ ওচৰলৈ গ'ল ।

"মহাৰাজৰ জয় হওক" বুলি কৈ কৃষ্ণই আৰম্ভ কৰিলে, "মহাৰাজ আমি যেতিয়া হাবিৰ মাজেৰে পাৰহৈ আহিছিলো আমি এটা ভয়ানক সিংহৰ মুখা মুখি হৈছিলো । সেই সিংহটোৱে মোৰ পুত্ৰক থাপ মাৰি ধৰি পিচত খাম বুলি গুহা এটাৰ ভিতৰত দলি মাৰি থৈ দিলে । আমি সিংহটোক কাকুতি কৰি কলো যে পুত্ৰৰ সলনি আমাৰ দুয়োৰে যি কোনো এজনক খাওঁক । তেতিয়া সিংহটোৱে কলে যে মই তোমালোকৰ প্ৰাৰ্থনা শুনিব পাৰো যদি ইয়াৰ সলনি মই এজন অতি ধাৰ্মিক মানুহ পাওঁ । সিংহটোৱে ইয়াকো কলে যে যদি সেই ধাৰ্মিক ব্যক্তিজনে তোমাৰ পুত্ৰৰ প্ৰাণ ৰক্ষাৰ বাবে নিজেই আগবাঢ়ি আহে তেতিয়াহলে তেওঁৰ শৰীৰৰ আধা হলেও হব । সিংহটোৰ মতে আপুনিয়েই হ'ল অতি ধাৰ্মিক ব্যক্তি ।

হে মহাৰাজ, আপুনি মোৰ পুত্ৰৰ প্ৰাণ ৰক্ষাৰ বাবে আপোনাৰ শৰীৰৰ আধা দান কৰিবলৈ সাজু নে ?"

ৰজাই কোনো কথা কোৱাৰ আগতে, ভিতৰৰ পৰা সকলোবোৰ কথা শুনি থকা ৰাণী ওলাই আহি কলে, "পতিৰ অৰ্দ্ধাঙ্গিনী হ'ল পত্নী । গতিকে মোক সিংহটোৰ ওচৰলৈ লৈ বলা । মোক খাই সিংহটোৱে তোমাৰ পুত্ৰক এৰি দিয়ক ।"

"হে করুণাময়ী ৰাণী, পত্নীক পতিৰ বাওঁফালৰ অৰ্দ্ধাঙ্গিনী বুলি কোৱা হয়, কিন্তু সিংহটোৱে বিচাৰিছে ৰজাৰ সোঁফালৰ অৰ্দ্ধ ভাগটো," কৃষ্ণই বিনীত ভাবে কলে ।

ৰজা ময়ুৰধ্বজে তৎক্ষণাত থিয় হৈ কলে, "তেতিয়াহলে কিয় পলম কৰিছা ? সিংহটো যদি ভোকাতুৰ হৈ আছে সি ধৈৰ্য হেৰাই তোমাৰ পুত্ৰৰ অনিষ্ট কৰিবও পাৰে । এই তৰোৱালখন লোৱা আৰু মোক দুভাগ কৰি কাটা আৰু মোৰ সোঁফালৰ ভাগটো সিংহৰ উদ্দেশ্যে লৈ যোৱা ।"

কৃষ্ণই তৰোৱালখন লৈ কাটিবলৈ সাজু হোৱাৰ দৰে ভাও ধৰিলে । কিন্তু তেওঁ ৰজাৰ বাওঁ চকুটোৰ কোণত এটোপাল চকুপানী দেখি সুধিলে, "আপোনাক দুভাগ কৰি কটাৰ কথা জানিব পাৰি আপুনি দুখ কৰিছে । নহলে কিয় চকুপানী ওলাব ? আপুনি নিশ্চয় জানে অসুখী কৰি দিয়া দান গ্ৰহণ কৰা উচিত নহয়!"

"হে মোৰ বান্ধৱ, তুমি বাৰু অনুমান কৰা নাইনে মোৰ চকুপানী বাওঁ চকুটোৰ পৰাহে ওলাইছে ? বাওঁ চকুটোৱে কন্দাৰ কাৰণ হ'ল, মোৰ শৰীৰৰ সোঁফালটো যি মহৎ কামত লাগিছে বাওঁফালটো তেনে কামত নালাগিব।" ৰজাই বুজাই কলে ।

কৃষ্ণ আৰু অৰ্জুনে নিজ ৰূপ ধাৰণ কৰি তৎক্ষণাত ময়ুৰধ্বজৰ সন্মুখত দেখা দিলে । তাৰ পাছত ময়ুৰধ্বজে পতা যজ্ঞত ভাগ ললে। ইয়াৰ পিছত ময়ুৰধ্বজে তেওঁলোকৰ লগত লগ হৈ যুধিষ্ঠিৰে পতা যজ্ঞত গৈ উপস্থিত হ'ল ।

"কি চমৎকাৰ !" জয়শ্ৰীয়ে মন্তব্য কৰিলে।

দৰাচলতে চমৎকাৰিত্ব আছিল আমাৰ পুৰণি কালৰ লোকসকলৰ বিশ্বাসত । এই কাহিনীটোৰ পৰা শিকিব লগা এইটোৱে হ'ল দৰকাৰী কথা । তেতিয়াহে আমি আমাৰ ঐতিহ্যৰ কথা ভালদৰে বুজিব পাৰিম ।" অধ্যাপক দেৱনাথে কলে । (ক্ৰমশঃ)

গতিশীল নৃত্য

ভৰতনাট্যমৰ লাস্যময়ী দেহভঙ্গিমা আৰু পদসঞ্চালনাৰ সমন্বয় দেখি কোনে বাৰু মোহিত নহব ? আচলতে, ভগবান ব্ৰহ্মা, নিজেই এই নৃত্যশৈলীৰ স্ৰষ্টা আছিল।

কথিত আছে যে, দেৱতা আৰু গন্ধৰ্বসকলে এবাৰ ব্ৰহ্মাৰ ওচৰলৈ গৈ পঞ্চম বেদ সৃষ্টি কৰাৰ বাবে অনুৰোধ কৰিছিল । ইয়াক ইমান সুন্দৰকৈ সৃষ্টি কৰিব লাগে যাতে ইয়ে প্ৰত্যেকৰে চেতনাক অকৰ্ষণীয় কৰি তুলিব পাৰে । সেয়ে ব্ৰহ্মাই চাৰিওখন বেদৰে সমল লৈ নাট্যবেদ ৰচনা কৰিছিল । তেওঁ ঋগ বেদৰ পৰা পাঠ্য (শব্দ), যজুৰ বেদৰ পৰা অভিনয়, সামবেদৰ পৰা সঙ্গীত আৰু অথৰ্ববেদৰ পৰা ৰস লৈছিল ।

ইয়াৰ পাছত তেওঁ সেইখন ভাৰত মুনিৰ হাতত দি মানুহক শিকাব কৈছিল । এই বেদৰ সহায়ত মুনিয়ে নাট্যশাস্ত্ৰ ৰচনা কৰিছিল । ইয়াত ভৰতীয় নাটক, নৃত্য আৰু সঙ্গীতৰ পদ্ধতি সম্পৰ্কে বিষদ আলোচনা কৰা হৈছে । সম্ভৱত ভাৰত মুনিৰ নামৰ পৰাই এই নৃত্যৰ নাম ভাৰতনাট্যম হৈছে ।

ভাৰতনাট্যম ভাৰতৰ এক পুৰণি নৃত্যশৈলী। তামিলনাডুৰ মন্দিবোৰত এই নৃত্যৰ বিভিন্ন ভঙ্গিমা খোদিত কৰা আছে ।

সঙ্গমৰ সময়ৰ তামিল সাহিত্যত শিলপাতি-কৰম আৰু মনিমেখলাইয়ে এই নৃত্যৰ বিষয়ে উল্লেখ কৰিছে ।

হিন্দু পৌৰাণিক কাহিনী মতে নৃত্যৰ প্ৰধান দেৱতা হ'ল শিৱ । দেৱাদিদেৱ শিৱ আৰু দেৱী পাৰ্বতীয়ে এই স্বৰ্গীয় কলাশৈলী পৰিবেশন কৰিছিল বুলি বিশ্বাস কৰা হয় । শিৱই পৰিবেশন কৰা নৃত্য বীৰত্বপূৰ্ণ আৰু দ্ৰুত সেয়ে ইয়াক তান্ডৱ নৃত্য বোলা হয় । আনন্দেৰে সৈতে প্ৰদৰ্শন কৰা তান্ডৱ নৃত্যক আনন্দ তান্ডৱ আৰু ক্ৰোধিত হৈ প্ৰদৰ্শন কৰা তান্ডৱ নৃত্যক ৰুদ্ৰ তান্ডৱ বুলি কোৱা হয় । দেৱী পাৰ্বতীয়ে প্ৰদৰ্শন কৰা নৃত্যশৈলী অতি শান্ত আৰু লাস্যময়ী সেয়ে ইয়াক লাস্য বুলি কোৱা হয় ।

ভাৰতনাট্যম প্ৰদৰ্শনৰ সময়ত গোৱা গীতবোৰৰ উল্লেখ হিন্দু পৌৰাণিক কাহিনী, সাহিত্য আৰু ধৰ্মত পোৱা যায় । গায়কে মৃদঙ্গ, বেহালা আৰু নটুভানাৰ বাদ্য শিল্পী সকলোৰে সৈতে গীত পৰিবেশন কৰে ।

পুৰণি কালত দেৱদাসীসকলে মন্দিৰত আৰু ৰাজনৰ্ত্তকী সকলে ৰাজসভাত ভাৰতনাট্যম নৃত্য প্ৰদৰ্শন কৰিছিল । তামিল ৰজাসকল নৃত্য আৰু সঙ্গীতৰ প্ৰধান পৃষ্ঠপোষক আছিল ।

দুৰ্ভাগ্যবসত : কুৰি শতিকাৰ প্ৰথম ভাগত এই নৃত্য বিপৰ্যয়ৰ সন্মুখীন হৈছিল । আইন কৰি দেৱদাসী পৰম্পৰা উঠাই দিয়া হৈছিল । ভাগ্যক্ৰমে এই নৃত্যশৈলীৰ কিন্তু মৃত্যু নহল । স্বাধীনতাৰ পিছত এই নৃত্যৰ প্ৰতি আকৃষ্ট বহুতো শিল্পীয়ে ইয়াক আকৌ জীয়াই তোলে । তাৰ ভিতৰত কেইজনমান হ'ল - ই.কৃষ্ণ আয়াৰ, বালাসৰস্বতী, ৰুক্মনীদেৱী অৰুনদলে, কলানিধি আৰু শান্তা ৰাও ।

- তুমি মন কৰিছানে ভৰতনাট্যমৰ শব্দত থকা প্ৰথম শব্দাংশবোৰ হল, ভাব-প্ৰকাশভঙ্গি, ৰাগ-সুৰ, তাল-তাল, আৰু নাট্যম-নৃত্য ?
- এজন শিল্পীয়ে প্ৰথম ৰাজহুৱাভাবে নৃত্য প্ৰদৰ্শন কৰাতো এক উল্লেখযোগ্য ঘটনা। তামিলত ইয়াক 'অৰঙ্গেত্ৰম' আৰু কানাড়াত ইয়াক 'ৰঙ্গপ্ৰৱেশ' বুলি কোৱা হয়।
- অৰঙ্গেত্ৰমৰ আগতে নেপুৰ পূজা কৰা হয় । তামিলত ইয়াক চালঙ্গৈ পূজা আৰু কানাড়াত ইয়াক গেজেপূজে বুলি কোৱা হয়। আগৰ দিনত ছাত্ৰ-ছাত্ৰীসকলে ৰাজহুৱা ভাবে নৃত্য প্ৰদৰ্শন নকৰালৈকে নেপুৰ পিন্ধিবলৈ দিয়া নহৈছিল ।

পশ্চিমবঙ্গৰ লোক কথা

পশ্চিমবঙ্গ ৰাজ্যখন বাংলাদেশ, ভূটান আৰু নেপাল এই তিনিখন দেশৰ সীমাত থকা এখন ৰাজ্য । এই ৰাজ্যখন বঙ্গোপ সাগৰৰ মূৰৰ ফালে ২১ ডিগ্ৰী আৰু ২৭ ডিগ্ৰী অক্ষাংশ আৰু ৮৬ ডিগ্ৰী আৰু ৮৯ ডিগ্ৰী পূবৰ দ্ৰাঘিমাংশত অৱস্থিত । ইয়াৰ মাজেৰে কৰ্কটক্ৰান্তি ৰেখাডাল গৈছে ।

ভাৰতৰ নখন উপকূলীয় ৰাজ্যৰ ভিতৰত পশ্চিমবঙ্গও এখন । এইখন এনে এখন ৰাজ্য যাৰ ভূপ্ৰকৃতি, জলবায়ু আৰু আবাসভূমি অলপ বেলেগ ধৰণৰ । এই ৰাজ্যখন সমুদ্ৰ উপকূলৰ পৰা হিমালয়ৰ বৰফাবৃত শৃঙ্গলৈকে বিস্তৃত । এইৰাজ্যৰ মোহনা অঞ্চলত জলজ উদ্ভিদৰ হাবি আৰু উত্তৰাঞ্চলত ওখ পৰ্বতমালা আছে । পশ্চিমবঙ্গ হ'ল উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ দুৱাৰমুখ । ইয়াৰ মাটিকালি ৮৮,৭৫২ বৰ্গ কি.মি.আৰু ইয়াৰ জন সংখ্যা হ'ল ৮০,২২১,১৭১ জন ।

ইয়াৰে সুন্দৰবনৰ হাবিত বিখ্যাত ৰয়েল বেঙ্গল টাইগাৰ পোৱা যায় । প্ৰজেক্ট টাইগাৰ আঁচনি মতে কেন্দ্ৰীয় চৰকাৰে সুন্দৰবনক জাতীয় উদ্যান আৰু টাইগাৰ ৰিজাৰ্ভ হিচাবে ঘোষণা কৰিছে ।

ব্ৰাহ্মণ বনাম বিধাতা

এসময়ত পশ্চিমবঙ্গৰ সোণাৰপাৰা নামৰ সৰু গাওঁ এখনত এজন ব্ৰাহ্মণে বাস কৰিছিল । তেওঁৰ ভাগ্যখন আছিল অদ্ভুত ধৰণৰ । যিকোনো ভোজতে তেওঁ তৃপ্তি কৰি পেটভৰাই খাব নোৱাৰিছিল । তেওঁ খাবলৈ বহিলে কিবা নহয় কিবা এটা বিজুতি ঘটিবই । তেওঁ নিজৰ ভাগ্যৰ বাবে দুখ প্ৰকাশ কৰিছিল । খৰকৈয়ে খাওক বা লাহে লাহেই খাওক তেওঁ জানিছিল যে তেওঁ ভাগ্যক প্ৰতাৰণা কৰিব নোৱাৰে ।

বিধাতা পুৰুষে তেওঁৰ কপালত যি লিখিছিল প্ৰতিবাৰেই তেওঁৰ ভাগ্যাত সেইটোকে ঘটিছিল।

এবাৰ এক উৎসৱ উপলক্ষে স্থানীয় মহাৰজাৰ ঘৰত তেওঁ ভোজৰ বাবে নিমন্ত্ৰন পালে । এই নিমন্ত্ৰন পাই তেওঁ খুব আনন্দিত হৈছিল । তেওঁ তেওঁৰ পত্নীক কলে, “এইবাৰ এসাজ পেটপুৰাই খাব পাৰিম যেন লাগিছে । তুমি মোৰ পিন্ধা কাপোৰবোৰ পৰিষ্কাৰ কৈ ধোৱা যাতে মই মহাৰাজৰ ঘৰলৈ চাফচিকুন হৈ যাব পাৰো ।”

ব্ৰাহ্মণে পৰিস্কাৰ ধুতি চোলা পিন্ধি মহাৰাজৰ ঘৰলৈ বুলি যাত্ৰা কৰিলে । তেওঁ সেউজীয়া ধাননি পথাৰৰ মাজেৰে খোজ কাঢ়ি গৈ আছিল। অলপ দূৰত কহুঁৱা ফুলবোৰ বতাহত হালিজালি আছিল।

তেওঁ গৈ যেতিয়া ৰজাৰ ঘৰ পালে তেওঁক আদৰ সাদৰকৈ মাতি নি বহুৱালে । যথা সময়ত খোৱাৰ বাবে মাতি নিলে । চাকৰবোৰে তেওঁৰ সম্মুখত এখন ৰূপৰ থাল দিলে আৰু তাতে খোৱা বস্তু পৰিৱেশন কৰিলে । থালত ইমানবোৰ খোৱা বস্তু দেখি ব্ৰাহ্মণৰ চকু উজলি উঠিল । খোৱা বস্তুবোৰৰ ভিতৰত আছিল -- মাছৰ জোল, আলু পোস্তো, বেঙেনা ভাজা, সুগন্ধি চাইলৰ ভাত, তাৰ লগতে অলপ ঘিউ আৰু জলপাইৰ চাটনি । ইয়াৰ উপৰিও আছিল মিষ্টি দৈ আৰু কুৰিবিধমান বিভিন্ন ধৰণৰ মিঠাই।

সকলো ভালদৰেই চালিছিল, ব্ৰাহ্মণেও টকালি টকালি খাই আছিল । কিন্তু হঠাতে সেই ঘটনাটো ঘটিল । তেওঁ খাবলৈ বহা ঠাইখনৰ ওপৰতে দৈৰ মলা এটা শিকিয়াৰে বান্ধি চিলিঙত আঁৰি থোৱা আছিল । সেই দৈৰ মলাটো হঠাতে ব্ৰাহ্মণৰ থালখনৰ ওচৰতে পৰি ভাঙি গ’ল । মাটিৰ মলাটোৰ ভঙা টুকুৰাবোৰ ব্ৰাহ্মণৰ থালত

কলা আৰু হস্তশিল্প

বিভিন্ন ধৰণৰ কাৰু শিল্প আৰু হস্তশিল্পৰ বাবে পশ্চিমবঙ্গ বিখ্যাত । ইয়াত তৈয়াৰ কৰা তাঁতৰ কাপোৰ গোটেই ভৰতত জনপ্ৰিয় । টাঙ্গা-ইল, ধনেখালিৰ গাওঁবোৰ তাঁত বস্ত্ৰ তৈয়াৰ কৰাৰ বাবে বিখ্যাত, আনহাতে মুৰ্চিদাবাদ বিখ্যাত, ধুণীয়া চিল্কৰ কাপোৰৰ বাবে।

বাঁকুৰা আৰু বিষ্ণুপুৰ পোৰা মাটিৰ মূৰ্ত্তি তৈয়াৰ কৰা আৰু হস্তশিল্পৰ বাবে বিখ্যাত । বিষ্ণুপুৰত পোৰা মাটিৰে তৈয়াৰ কৰা এটা পুৰণি মন্দিৰ আছে । এই চহৰখন শঙ্খৰ পৰা তৈয়াৰ কৰা বিভিন্ন অলঙ্কাৰ, তচৰ চিল্ক আৰু বালুচৰী শাৰীৰ বাবে প্ৰসিদ্ধ ।

মৃত শিল্পৰ বাবে কুমাৰতুলি পৃথিৱী বিখ্যাত। দুৰ্গা পূজাৰ সময়ত, দেৱী দুৰ্গা আৰু অন্যান্য দেৱ দেৱীৰ অসংখ্য সুন্দৰ সুন্দৰ মাটিৰ প্ৰতিমা ইয়াত তৈয়াৰ কৰা হয় । ইয়াতে তৈয়াৰ কৰা ধুনীয়া মুৰ্ত্তি ভাৰতৰ বিভিন্ন ঠাইলৈ যায়, আনকি ভৰতৰ বাহিৰলৈও যায় ।

পুৰুলিয়াৰ মাৰ্শ্বেল আৰ্টৰ আৰ্হিৰ ছৌনৃত্য পুৰুলিয়া জিলাত অতি জনপ্ৰিয় । এই নৃত্যৰ জনপ্ৰিয়তাৰ বাবে এই অঞ্চলত মুখা তৈয়াৰ কৰা আৰু মাটিৰ মূৰ্ত্তি তৈয়াৰ কৰা শিল্প গঢ়ি উঠিছে ।



গৈ চিটিকি পৰিছিল। ব্ৰাহ্মণে আধা খোৱাকৈয়ে উঠি আহিব লগা হ'ল।

ব্ৰাহ্মণ যেতিয়া যাবলৈ ওলাল মহাৰাজে বিনম্ৰভাবে তেওঁক সুধিলে, "মই আশাকৰো ৰান্ধনিবোৰে আপোনাক ভালদৰেই খাবলৈ দিছিল। খোৱা বস্তুবোৰ আপোনাৰ মনৰ মতন হৈছিল নে ঠাকুৰ মহাশয়? ভালদৰে পেট ভৰাই খাইছিল নে?

তেতিয়া ব্ৰাহ্মণে কলে, "হায়! পেট পুৰাই হে মোৰ খোৱা নহল, ইয়াৰ বাবে অৱশ্যে কাকো দোষাৰোপ কৰিব নোৱাৰি। সেইটো মোৰ অদৃষ্টৰে দোষ।" এইবুলি তেওঁ ৰজাৰ আগত গোটেই ঘটনাটোৰ কথা কলে।

এই কথা শুনি ৰজাৰ বৰ খং উঠিল। তেওঁ কলে, ঠাকুৰ মহাশয় আজি ৰাতিটো মোৰ ইয়াতে থাকক। অহাকালি মই নিজে আপোনাৰ খোৰবস্তু পৰিৱেশন কৰিম, যাতে আপুনি এসাজ

উৎসৱ - পাৰ্বণ

সকলোবোৰ পূজাই পশ্চিমবঙ্গত পালন কৰা হয় যদিও ইয়াৰ প্ৰধান উৎসৱ হ'ল দুৰ্গাপূজা। এই সময়ত গোটেই পশ্চিমবঙ্গতে এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। বিজয়াৰ দিনা ইজনে সিজনৰ মঙ্গল কামনা কৰি আলিঙ্গন কৰে আৰু মিঠাই বিতৰণ কৰে। এই উৎসৱ সাধাৰণতে আহিন কাতি মাহত (চেপ্টেম্বৰ অক্টোবৰ) অনুষ্ঠিত হয়।

মকৰ সংক্ৰান্তিত সাগৰ দ্বীপত গঙ্গা সাগৰ মেলা হয়। ভাৰতৰ বিভিন্ন ঠাইৰ মানুহ এই মেলালৈ আহে। এপ্ৰিল মাহত বঙালী নববৰ্ষ উৎসৱ পালন কৰা হয়। ভাদ আৰু আহিনৰ সংক্ৰান্তিৰ দিনাখন বিশ্বকৰ্মা পূজা পালন কৰা হয়। ইয়াৰ এক বৈশিষ্ঠ হ'ল সেইদিনাখন পৰম্পৰাগত ভাবে চিলা উৰুৱা হয়। দেৱালীৰ সময়ত শ্যামাপূজা বা কালীপূজা পতা হয়।

পেটভৰাই খাব পাৰে।" ৰজাৰ কথাত ব্ৰাহ্মণ সন্মত হ'ল।

পিছদিনা নতুনকৈ আকৌ ভোজ ৰন্ধা হ'ল। মহাৰাজ নিজেই এজন ভাল ৰান্ধনি। তেওঁ নিজেও কেইখনমান আঞ্জা ৰান্ধিলে। সকলো সম্পূৰ্ণ হোৱাৰ পিছত ব্ৰাহ্মণ খাবলৈ বহিল।

য'ত ব্ৰাহ্মণজন খাবলৈ বহিছিল সেইটো কোঠাত ভাঙিব পৰা, ওপৰৰ পৰা পৰিব পৰা অথবা ব্ৰাহ্মণৰ খোৱাত ব্যঘাত জন্মাব পৰা একোৱেই নাছিল। বিধাতা এতিয়া সচাঁকৈয়ে বিপদত পৰিল। তেওঁ ব্ৰাহ্মণে সম্পূৰ্ণকৈ খোৱাত বাধা দিবলৈ একো পথ বিচাৰি নাপালে। সেয়েহে অৱশেষত তেওঁ এটা সৰু সোণালী বেং হৈ ব্ৰাহ্মণৰ ভাতত গৈ জাপ মাৰি পৰিল। ব্ৰাহ্মণ খোৱাত ইমান মগ্ন হৈ আছিল যে তেওঁ ভাতত বেংটো পৰা দেখাই নাপালে আৰু ভাতৰ লগত সেইটোও খাই পেলালে। অৱশেষত ব্ৰাহ্মণে পেটভৰাই ভোজন কৰি উঠি আহিল। হাত মুখ ধুই আহি মিঠা পান খালে। তাৰ পাছত তেওঁ মহাৰাজৰ পৰা বহুতো উপহাৰ লৈ আনন্দ মনে ঘৰলৈ গ'ল।

তেওঁ যেতিয়া মহাৰাজৰ ধাননি পথাৰৰ মাজেৰে গাঁৱলৈ বুলি খোজকাঢ়ি গৈ আছিল, তেওঁ কাৰোবাৰ মাত শুনিবলৈ পালে, "হে ব্ৰাহ্মণ, মোক বাহিৰ কৰি দিয়া, হে ব্ৰাহ্মণ, মোক বাহিৰ কৰি দিয়া।" তেওঁ অলপ ৰৈ ইফালে সিফালে এবাৰ চালে, কিন্তু কাকো দেখা নাপাই পুনৰ আগবাঢ়ি গৈ থাকিল।

তেওঁ আকৌ শুনিবলৈ পালে; "হে ব্ৰাহ্মণ, মোক বাহিৰ কৰি দিয়া।"

"কোন তুমি?" ব্ৰাহ্মণে সুধিলে।

"মই বিধাতা," এটা ভয়তে বিতত হোৱা মাত শুনা গ'ল।

"তুমি ক'ত আছা?" ব্ৰাহ্মণে সুধিলে।

"মই তোমাৰ পেটৰ ভিতৰত আছো। মই তোমাৰ খোৱাত বাধা দিবলৈ এটা সোণালী বেং হৈ তোমাৰ ভাতত জাপমাৰি পৰিছিলো, কিন্তু তুমি মন নকৰি মোক ভাতৰ লগতে খাই দিলা।" বিধাতা পুৰুষে কলে।

"অ' সেয়েহে মই ভাবিছিলো কোনো বাধা নোপোৱাকৈ কেনেকৈ ইমান তৃপ্তিৰে পেটভৰা ভাতসাজ খাব পাৰিলো। এইটো ভাল হ'ল যে মই তোমাক গিলি পেলালো। তুমি আৰু মোক দিগদাৰি কৰিব নোৱাৰা। তোমাক মই এতিয়াই এৰি নিদিও। বৰঞ্চ মই এতিয়া মুখখন জপাই থকাই ভাল হব। ঠিক কৰিছো!"

ইয়াৰ পিছত ব্ৰাহ্মণে মুখখন জপাই খোজ কাঢ়ি গৈ থাকিল। তেওঁ মনতে ঠিক কৰিলে,



অনিশ্চাস্বত্বেও লক্ষ্মীদেৱীয়ে বাহন ফেচাটো লৈ মৰ্ত্তলৈ গ'ল । লক্ষ্মীদেৱীক দেখি ব্ৰাহ্মণ আচৰিত হ'ল । তেওঁ থিয় হৈ দেৱীক প্ৰাণাম জনাই বহিবলৈ আসন আগবঢ়াই দিলে ।

"মা লক্ষ্মী, তোমাৰ কাৰণে মই কি কৰিব পাৰো ?" ব্ৰাহ্মণে সুধিলে ।

"তুমি বধাতাক বন্দী কৰি ৰাখিছা । তুমি তেওঁক মুকলি কৰি দিয়া । বিধাতা অবিহনে এই বিশ্ব ব্ৰহ্মান্ড ঠিক মতে চলিব নোৱাৰে ।" দেৱীয়ে বুজাই কলে ।

এই কথা শুনি ব্ৰাহ্মণে মানসিক ভাৰসাম্য হেৰুৱালে । ব্ৰাহ্মণে ঘৈণীয়েকক কলে , "চাও মোৰ লাঠিডাল দিয়াচোন । দেৱীক মই মজা দেখুৱাও । মোৰ গোটেই জীৱনতে তেওঁ এবাৰ মোৰ ফালে ভাল চকুৰে নাচালে, আৰু আজি মই যি অলপ সৌভাগ্যৰ মুখ দেখিবলে পাইছো, তেওঁ মোক সেই বদমাচ বিধাতাক মুকলি কৰি দিয়াৰ কথা কবলৈ আহিছে । মই আজি তেওঁক এনেদৰে পিটিম যাতে আৰু জীৱনত নাপাহৰে ।"

লক্ষ্মী সঁচাকৈয়ে সন্ত্ৰস্ত হ'ল । আগতে কোনেও তেওঁক এনে ধৰণে কথা কোৱা নাই । তেওঁ তাৰপৰা পলাই গৈ দেৱলোক পালে আৰু দেৱতাসকলৰ আগত গোটেই ঘটনাটো বিৱৰি কলে ।

ইয়াৰ পিছত দেৱতাসকলে বিদ্যাৰ অধিস্থাত্ৰী দেৱী, সৰস্বতীক ব্ৰাহ্মণৰ ওচৰলৈ গৈ বিধাতাক মুকলি কৰি আনিবলৈ অনুৰোধ কৰিলে ।

ব্ৰাহ্মণে বিদ্যাৰ অধিস্থাত্ৰী দেৱীক দেখি ভক্তিভাবে মূৰটো দোৱাই থিয় হৈ সুধিলে, "হে দেৱী সৰস্বতী মই তোমাৰ বাবে কি কৰিব পাৰো ?"

যিমানে নিচিঞৰক কিয় তেওঁ আৰু বিধাতাক বাহিৰ উলিয়াই নিদিয়ে ।

ইতিমধ্যে তিনিওলোকতে হাহাকাৰ লাগি গল। কাৰণ, এই ব্ৰাহ্মন্ডৰ সকলো বিষয়তে নিয়ন্ত্ৰন কৰে বিধাতাই । তেওঁৰ অবিহনে কোনো বস্তুৱে ঠিকমতে চলিব নোৱাৰে । জগতৰ পৰিস্থিতি এখন মহাযুদ্ধতকৈও বেয়া হ'ল । কি কৰিব লাগে, কলৈ যাব লাগে, কিহৰ কাৰণে কি হৈছে কোনেও একো নাজানিছিল । ইয়াৰ এটা সমাধান বিচাৰি উলিয়াবলৈ দেৱতাসকলৰ এখন সভা বহিল । তাত সকলো দেৱতাই উপস্থিত আছিল । বহুতো আলোচনাৰ পিছত দেৱতাসকলে ধন আৰু সৌভাগ্যৰ দেৱী লক্ষ্মীক ব্ৰাহ্মণৰ তালৈকে যাবলৈ কলে আৰু ব্ৰাহ্মণক কৈ বিধাতাক মুকলি কৰি আনিবলৈ কলে।

যেতিয়া সৰস্বতীয়ে তেওঁৰ অহাৰ উদ্দেশ্যৰ কথা ক লে, ব্ৰাহ্মণে খঙতে একো নাই হৈ লাঠিডাল অনাৰ বাবে ঘৈণীয়েকক চিঞৰি কলে । "মই দেৱীক আজি এসেকা দিম । সেই স্কুলত পঢ়া দিনৰে পৰা সৰস্বতীয়ে এবাৰ মোৰফালে মূৰদাঙি নাচালে, মোক জ্ঞান বিদ্যা একো নিদিলে, আৰু আজি মই বিধাতাক মোৰ বশলৈ অনা বাবে, বিধাতাক এৰি দিয়াৰ বাবে মোক কবলৈ আহিছে । চাওঁ মোক লাঠিডাল দিয়া, আজি মই দেৱীক ভালদৰে এশিকনি দিম ।"

বেচাৰি সৰস্বতীৰ অৱস্থা নোহোৱা হ'ল । তেওঁও তাৰপৰা পলাই গ'ল ।

এইবাৰ দেৱাদিদেৱ শিৱ নিজেই ব্ৰাহ্মণৰ ওচৰলৈ আহিল । ব্ৰাহ্মণ নিজেও এজন শিৱভক্ত আছিল । ব্ৰাহ্মণে আথেবেথে শিৱক আদৰি আনি তেওঁক পূজা কৰিলে । তাৰপাছত তেওঁৰ কাৰণে কি কৰিব পাৰে সুধিলে ।

শিৱই বিধাতাক মুকলি কৰি দিয়াৰ বাবে ব্ৰাহ্মণক কলে ।

ব্ৰাহ্মণে কলে, "হে প্ৰভু, আপুনি যিহেতু কৈছে মই আপোনাৰ কথা শুনিবই লাগিব । কিন্তু মোৰ সমস্যাৰ সমাধান কেনেকৈ হব? বিধাতা ওলাই আহিলে মোৰ অৱস্থা আকৌ আগৰদৰে দুঃখজনক হব ।



তেতিয়া শিৱই কলে, "এই বিষয়ে তুমি চিন্তা নকৰিবা । মই তোমাক মোৰ লগত স্বৰ্গলৈ লৈ যাম আৰু বিধাতাৰ কুচক্ৰান্তৰ কবলৰ পৰা তোমাক মুক্ত কৰিম ।

তেতিয়া ব্ৰাহ্মণে মুখখন ডাঙৰকৈ মেলি দিলে আৰু বিধাতা ভিতৰৰ পৰা ওলাই আহিল । ইয়াৰ পিছত শিৱই ব্ৰাহ্মণ আৰু তেওঁৰ পত্নীক শশৰীৰে তেওঁৰ লগত স্বৰ্গলৈ লৈ গ'ল ।

পৰ্যটক প্ৰসিদ্ধ ঠাই

পশ্চিমবঙ্গৰ ৰাজধানী কলিকতা এখন বুৰঞ্জী প্ৰসিদ্ধ পুৰণি চহৰ । ইয়াৰে চাবলগীয়া ঠাইবোৰ হ'ল ভিক্টোৰিয়া মেমোৰিয়াল, হাওৰা ব্ৰিজ, কালিঘাট আৰু দক্ষিণেশ্বৰৰ কালি মন্দিৰ ।

সুউচ্চ হিমালয় অঞ্চলৰ দাৰ্জিলিং এখন প্ৰসিদ্ধ পাৰ্বত্য চহৰ । শিলিগুড়িৰ পৰা দাৰ্জিলিঙলৈ টয় ট্ৰেইন যাত্ৰা ভ্ৰমণকাৰীসকলৰ বাবে অতি আমোদজনক ।

দাৰ্জিলিঙৰ ঠাণ্ডা জলবায়ু আৰু প্ৰাকৃতিক সৌন্দৰ্য্য অতি মনোৰম । দাৰ্জিলিং চহৰৰ আশে পাশে থকা চাবলগীয়া ঠাইবোৰ হ'ল কালিংপং, কাৰচিয়াং আৰু টাইগাৰ হিলচ্।

পৃথিবীৰ অতি উৎকৃষ্ট চাহৰ ভিতৰত দাৰ্জিলিঙৰ চাহ বাগানবোৰত কিছু উৎকৃষ্ট ধৰণৰ চাহ উৎপাদন হয় ।

কলিকতাৰ পৰা অলপ দূৰত গুৰুদেৱ ৰবীন্দ্ৰনাথে প্ৰতিষ্ঠা কৰা ঠাই শান্তিনিকেতন। সুকুমাৰ কলাৰ বাবে বিশ্ব-বিখ্যাত বিশ্বভাৰতী বিশ্ববিদ্যালয় এই শান্তিনিকেতনতে অৱস্থিত ।

ৰসিক ব্যক্তি

সম্ৰাট আকবৰে সিংহাসনত বহি চাৰিওফালে এবাৰ চালে। সভাসদ সকলক তেওঁ এটা সাঁথৰ সুধিলে, “পৃথিবীৰ ভিতৰত শ্ৰেষ্ঠ ফুল কোনটো?” সভাসদসকলে ইজনে সিজনেৰ ফালে চাবলৈ ধৰিলে।

তাৰে এজনে ভাবিছিল তেওঁ উত্তৰটো জানে। তেওঁ সম্ৰাটৰ ওচৰলৈ গৈ আতৰৰ বটল এটা উলিয়াই তাৰে এটোপ তেওঁৰ হাতৰ তলুৱাত ঢালি দিলে। “তাৰমানে তুমি গোলাপৰ কথা কৈছা?” সম্ৰাটে সুধিলে। সভাসদজনে এটা হাঁহি মাৰিলে।





সম্ৰাটে কোনো মন্তব্য নকৰা বাবে অন্য এজন সভাসদ থিয় হ'ল আৰু তেওঁৰ সোঁহাতখন দেখুৱালে। তেওঁৰ হাতত এধাৰি জেচমিন ফুলৰ মালা মেৰিওৱা আছিল। “নিঃসন্দেহে জেচমিনেই হব মহাশয়।”

সম্ৰাট আকবৰক পতিয়ন যোৱা যেন দেখা নগল। তৃতীয় সভাসদজনে স্তম্ভৰ ওপৰত খোদিত পদুম ফুল এটালৈ আঙুলিয়াই কলে, “মহাশয় স্তম্ভটোৰ ওপৰত পদুম ফুল এটা খোদিত কৰা আছে। সম্ভৱত এইটোৱে আপোনাৰ ভাল লগা ফুল...।” আকবৰে হাত এখন তুলিলে। সকলো সভাসদ নিস্তব্ধ হৈ গল।





আকবৰে আকৌ সভাসদসকললৈ চোৱাত আন এজন সভাসদ থিয় হ'ল। তেওঁ অকলে সম্ৰাটৰ সিংহাসনৰ দুয়োফালে থকা ফুলদানী দুটালৈ মন কৰিলে। "ফুলাদানীত থকা নীলা ভেঁটফুল মহাশয়! সেইবোৰ বাৰু ৰাজকীয় নহয় নে?"

ফুলবোৰ উজ্জল ৰঙৰ হব পাৰে, সেইবোৰৰ মধুৰ গন্ধ থাকিব পাৰে, সেইবোৰ স্তম্ভ নাইবা ফুলদানীত দেখিবলৈ অতি সুন্দৰ হব পাৰে, কিন্তু...কিন্তু..." সম্ৰাটে বাক্যটো সম্পূৰ্ণ নকৰি সুধিলে, "বীৰবল ক'ত? তেওঁ কিয় মৌন হৈ আছে?"



বীৰবলে বহা আসনৰ পৰা থিয় হৈ কলে, "মই ইয়াতে আছো মহাশয়! মোৰ মতে সেইটোৱে শ্ৰেষ্ঠ ফুল যিটোক আমি ভাল ব্যৱহাৰত লগাও।" সভাসদ সকলে ভাবিলে সম্ৰাটৰ প্ৰশ্ন তকৈও উত্তৰটো বেচি জটিল!

"মহাশয়, আমি পিন্ধা কাপোৰ বোৰ কপাহৰ পৰা তৈয়াৰ কৰা হয়! কিন্তু কপাহ ফুল নহলে আমি কোনো কাপোৰ পিন্ধিব নোৱাৰিলো হেতেন!" বীৰবলে কলে। বীৰবলৰ উত্তৰ শুনি আকবৰে আগবাঢ়ি আহি এডাল মুকুতাৰ হাৰেৰে বীৰবলক পুৰস্কৃত কৰিলে।

সংবাদ প্ৰবাহ

সম্পূৰ্ণ ব্যক্তিগত

চাৰিমাহ আগতে ডেনিচ টিটো নামৰ আমেৰিকাৰ এজন কোটিপতিয়ে প্ৰথম মহাকাশ যাত্ৰী হিচাবে ৰাছিয়াৰ দুজন মহাকাশচাৰীৰ সৈতে যোৱা পৃথিবীৰ মানুহে দেখিবলৈ পাইছিল । তেওঁলোকে আন্তৰ্জাতিক মহাকাশ ষ্টেচনত এসপ্তাহ কটোৱাৰ পিচত পৃথিবীলৈ ঘূৰি আহিছিল । তেওঁৰ মহাকাশ যাত্ৰাটোৱে বিবাদৰ ৰূপ লৈছিল । এজন বৃটিছ মহাকাশ প্ৰেমী, এসময়ৰ টুথপেষ্ট টেক্‌নিচিয়ান ষ্টিভ বেনেটেও মহাকাশলৈ যোৱাৰ পৰিকল্পনা কৰিছে, কিন্তু তেওঁ কোনো বিবাদলৈ যাব খোজা নাই । সেয়ে তেওঁ নোভা নামৰ মহাকাশ যানখন নিজে নিৰ্মাণ কৰি আছে আৰু ২০০১ চনৰ শেষৰ ফালে মহাকাশলৈ উৰা মাৰিব পাৰে । ১০০,০০০ পাউণ্ডৰ ৰকেটটোৱে তেওঁক মহাকাশৰ ৬২ মাইল ভিতৰলৈ লৈ যোৱাৰ সম্ভাৱনা আছে । ৩০ ফুট দীঘল এই যানখন তেওঁ নিজেই চলাব আৰু ইয়াৰ গতি হ'ব ঘন্টাত ৬,৪০০ কি.মি. । মহাকাশ যানখন এতিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু মি: বেনেটেও মহাকাশ যাত্ৰাৰ বাবে সাজু হৈ আছে।

ধেমালিতে

এজন ক্ৰীড়ানুৰাগীয়ে এনে এটা কাম কৰিব বিচাৰিছিল যত তেওঁ ৰোমাঞ্চ অনুভৱ কৰিব পাৰে । সেয়ে তেওঁ পেৰিচৰ ইফেল চাৱাৰৰ পৰা পেৰাচুটেৰে জাপ-মৰাৰ সিদ্ধান্ত ললে । যেতিয়া তেওঁ মাটি স্পৰ্শ কৰিলে তেওঁ দেখিলে কেইজনমান পুলিচ তেওঁক থানালৈ লৈ যাবলৈ ৰাখি আছে । "মইতো কোনো আইন লঙ্ঘন কৰা নাই, কৰিছো নেকি ?" তেওঁ সুধিলে । তেওঁলোকে আইনৰ সুৰুঙাৰ কাৰণে ইজনে সিজনৰ মুখলৈ চোৱাচুই কৰিলে । কিন্তু তাত কোনো সুৰুঙা নাছিল, তাৰোপৰি ক্ৰীড়ানুৰাগীজনৰ হাড়ো ভঙা নাছিল । পুলিচকেইজনে তেওঁক সুধিলে, ইমান মাৰাত্মক খেল এটা খেলিবলৈ কিহে তেওঁক প্ৰেৰণা দিলে। তেতিয়া তেওঁ হাঁহি মাৰি কলে, "অ' ! এইটো মই ধেমালিতে কৰিছিলো ।"



আদালতলৈ লৈ যোৱা

এটা দুষ্টালিপূৰ্ণ ধেমালি হ'ল, কেতিয়াবা কোনোবা এজনে চকীত বহিবলৈ সাজু হওতে ধেমালি কৰোতাজনে চকীখন টানি লৈ যায়। এই ঘটনাটো নিউ ইয়ৰ্কৰ ল কলেজ এখনত ঘটিছিল। এজন অধ্যাপকে ক্ষতিপূৰণৰ বাবে কেনেকৈ মোকৰ্দমা কৰিব পাৰি তাকে যুক্তি সহকাৰে ব্যাখ্যা কৰি আছিল। তেওঁ সেইটো উদাহৰণ দি বুজাব খুজিছিল। এজনী ছাত্ৰীয়ে তেওঁৰ আসনত বহিব খুজিছিল এনেতে অধ্যাপকজনে তেওঁৰ চকীখন টানি লৈ গৈছিল। তেতিয়া ছাত্ৰীজনীয়ে দুখ পাইছিল আৰু তাৰ বাবে তেওঁ লগে লগে অধ্যাপকজনৰ বিৰুদ্ধে ৫০০,০০০ ডলাৰৰ এটা গোচৰ তৰিছিল।

বিলুপ্তিৰ পথত

জন্তু-জানোৱাৰ, চৰাই-চিৰিকতি, গছ-গছনি আদি বিলুপ্ত হোৱা বা বিলুপ্ত হবলৈ ধৰা বাবে আমি সকলোৱে চিন্তিত। তাৰ লগত তুমি আৰু এটা বস্তু ধৰিব পাৰা, সেয়া হ'ল ভাষা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন বৃহত্তম ৰাজ্য আলস্কাৰ ইয়াক (Eyak) ভাষাটোও বিলুপ্তিৰ পথত। এই ভাষাটো মেৰী স্মিথ নামৰ এজনী ৮৩ বছৰীয়া মহিলাইহে মাথোঁ কয়। তেওঁৰ মৃত্যুৰ পিছত ইয়াক ভাষা কোৱা মানুহ আৰু নাথাকিব অথবা সেই ভাষাটো কোনেও নাজানিব। ইউনেচকো (UNESCO) ৰ হিচাব হতে গোটেই পৃথিবীত ৬,৮০০ ভাষা আছে আৰু প্ৰতিটো ভাষাই ২,৫০০ জনতকৈও বেচি মানুহে কয়। অহা ১০০ বছৰৰ ভিতৰত প্ৰায় ৯০ শতাংশ ভাষাই বিলুপ্ত হোৱাৰ সম্ভাবনা আছে, যদিহে তাক একলাখ মানুহে ব্যৱহাৰ নকৰে। ওৱাৰ্ল্ড ওৱাটচ্ ইনষ্টিটিউটৰ মতে এটা ভাষা নোহোৱা হোৱাৰ লগে লগে এটা বিশেষ সংস্কৃতিও চিৰদিনৰ বাবে লুপ্ত হৈ যায়।

যোগ্য উপহাৰ

ৰঞ্জিত এজন পোন্ধৰ বছৰ বয়সীয়া ল'ৰা। কিন্তু সি বৰ এলেহুৱা। কোনো কামেই সি কৰিব নোখোজে। খেলা, দৌৰা, পেটভৰাই খোৱা, শোৱা এইবোৰহে তাৰ বৰ প্ৰিয়। কোনো কাম কৰিবলৈ কলে সি দূৰতে পলায়।

তাক যদি কোৱা হয় গাঁত এটা খান্দি গছৰ পুলি এটা ৰোপন কৰ, তেতিয়া সি কব বসুমতীক আঘাত কৰাতো মোৰ দ্বাৰা নহব। তাক যদি কোৱা হয় অন্ততঃ গছৰ পুলিটোতটো পানী দি, তেতিয়া সি কব পানী লাৰিলে পানীলগা জ্বৰ হব। তাক যদি গছত উঠি ফল পাৰিবলৈ কোৱা হয়, তাৰ উত্তৰত সি কয়, মোক দেখি চৰাইবোৰ ভয়তে গছৰ পৰা উৰি যাব, এই কামটো মোৰ একদম পছন্দ নহয়। কামৰ পৰা আঁতৰি থাকিবলৈ সি কিবা নহয় কিবা এটা উপায় উলিয়াবই।

মাকে যদি তাক কয়, তইতো অন্ততঃ দুৱাৰ ঘৰখিনি চাফ চিকুন কৰা কামটো কৰিব পাৰ, তেতিয়া সি কয়, "মা, তুমি আমাৰ ঘৰদুৱাৰ এনে দৰে পৰিষ্কাৰ কৰি ৰাখা যে মই তাকে আৰু পৰিষ্কাৰ কৰাৰ আৱশ্যকে নাই। কোনখন দুৱাৰ চাফা কৰিব লাগে কোনখন দুৱাৰ কৰিব নালাগে সেইটো মই ভাবিয়ে নাপাও!"

বেচি সময় সি পঢ়িবও নোৱাৰে। সি কিতাপ লৈ পঢ়িবলৈ বহে। অলপ সময় কিতাপৰ পাতবোৰ লুটিয়াই চাই আৰু তাৰ পিছত উঠি যায়। তাক যদি একাগ্ৰচিত্তে পঢ়াৰ কথা কোৱা হয়, সি অন্য কথা কয়। বেচি সময় খেলি থাকিলে মাকে যদি তাৰ ওপৰত অসন্তুষ্ট হয়, তেতিয়া সি এইবুলি কয়, খেলা এবিধ ভাল ব্যায়াম, শৰীৰৰ বাবে ই অত্যন্ত উপকাৰী।

তাৰ উপস্থিত বুদ্ধি দেখি মাক পিতাক খুব সন্তুষ্ট হৈছিল আৰু তাক একো কাম কৰিব নিদিছিল। মনে মনে তাৰ বুদ্ধিক প্ৰশংসা কৰিছিল। সচাঁ কথা কবলৈ গলে ৰঞ্জিত এজন উদ্ধত প্ৰকৃতিৰ ল'ৰা। শিক্ষকেও তাৰ বুদ্ধিৰ প্ৰশংসা কৰে।

এদিন ৰঞ্জিতৰ মোমায়েক শংকৰ, বাইদেৱেকৰ ঘৰলৈ আহিছিল। ৰঞ্জিতৰ স্বভাৱ তেওঁৰ ভাল নালাগিল। তেওঁ বাইদেৱেকক কলে, "বাইদেই, ভাগিনৰ স্বভাৱ যদি এনে হৈ থাকে তেওঁ নিষ্কৰ্মা হৈ যাব। যেনেকৈয়ে নহওক তেওঁক শুধৰাব লাগিব।"

"সিয়ে এজন এলেহুৱা এইটো ঠিক, কিন্তু সি বৰ বুধিয়ক। তুমি যদি পাৰা তাৰ স্বভাৱৰ

ৰম্যা কৌশিক

সংশোধন কৰা।" বাইদেৱেকে কলে।

শংকৰে ভাগিনিয়েকৰ স্বভাৱৰ পৰিবৰ্তন কৰা উদ্দেশ্যে ৰঞ্জিতক মাতি আনি কলে, "চোৱাচোন ভাগিন আম গছডালত কিমান আম লাগি আছে? তাৰে যদি এশ আম পাৰি আনি বজাৰত বিক্ৰী কৰা হয় কমেও দেৰশ টকা পোৱা যাব। তাৰে আধা তোমাৰ হব আৰু আধা মোৰ হব। যোৱা গছত উঠি যোৱা আৰু আম পাৰা। মই সেইবোৰ বজাৰত বিক্ৰী কৰিম।"

ৰঞ্জিতে হাঁহি মাৰি কলে, "মামা, ইমান এটা সৰু কামৰ বাবে মই গছত উঠাৰ কিহৰ আৱশ্যক আৰু সেইবোৰ বিক্ৰী কৰিবলৈ তুমিয়ে বা বজাৰলৈ যাব লাগে কিয় ? আমাৰ কাম কৰা লৰা ৰামুক মাতা, সিয়ে আম পাৰি আনি বজাৰত বিক্ৰী কৰি আমাক পইচা দিব।"

শংকৰে ভাগিনিয়েকৰ কথাত আচৰিত হৈ কলে, "তুমিতো বহুত কথা জানা। তোমাৰ ইমান বুদ্ধি আছে, তথাপি কাম কৰিবলৈ কিয় হেলা কৰা ?"

"মামা, মই কাম নকৰা বাবে পিতাই মালী এজন ৰাখিছে। মায়ে এজনী কাম কৰা চাকৰণী ৰাখিছে। সিহঁতে বাচি থকাৰ বাবে এটা কাম পাইছে নহয় নে ? যদি সিহঁতৰ কামখিনি মই কৰো সিহঁতে ক'ত খাব পাব ? বেচেৰাহতে কেনেকৈ জীয়াই থাকিব ?" ৰঞ্জিতে নিজৰ মত সমৰ্থন কৰি কলে।

ভাগিনিয়েকৰ কথা শুনি শংকৰে কলে, তেতিয়াহলে এইটো নকৰা কিয় ? তুমি কাম কৰা আৰু সিহঁতে পাব লগা খিনি দান হিচাবে দিয়া।"

ৰঞ্জিতে তৎক্ষণাত কলে, "নিলাজ লোকেহে দান ধৰ্ম কৰে। আত্মাভিমানী লোকে নিজৰ পৰিশ্ৰমৰ ফল হে গ্ৰহণ কৰে। আমি আত্মাভিমানী লোকক আদৰ কৰা উচিত, এলাহুৱা তথা নিলাজ লোকক আদৰ কৰা উচিত



নহয়। এনে লোকক উৎসাহিত কৰিব নালাগে।

এতিয়াহে শংকৰে বুজিব পাৰিলে তেওঁৰ ভাগিনিয়েক আৱশ্যকতকৈ বেচি বুধিয়ক, তেওঁক কথাৰে পৰাস্ত কৰিব নোৱাৰি। তথাপি শংকৰে ঠিক কৰিলে যে যি কোনো প্ৰকাৰে হলেও তেওঁ ভাগিনিয়েকক কাম কৰাই হে এৰিব। দিনটো গাঁৱত ঘূৰি ঘূৰি তাৰ বিশেষ খবৰবোৰ তেওঁ জানি লালে। ৰাতিৰ আহাৰৰ সময়ত তেওঁ বায়েক ভিনিহিয়েকক কলে, "ৰাজাৰ দোকানত যিয়ে চাউল কিনে তাক আঢ়ৈশ গ্ৰাম চিৰা বিনামূল্যে দিয়ে। বীৰৰ দোকানত যিয়ে দুখন শাৰী কিনিব তেওঁক এখন ধৃতি বিনামূল্যে দিয়া হয়। সোমেশ্বৰৰ দোকানত দুটা পুতলা কিনিলে এটা পুতলা তাৰ লগত এনেয়ে দিয়ে। মোৰ অনুমান হয় আপোনালোকৰ গাঁৱৰ বেপাৰীবোৰ বৰ দানী।

ৰঞ্জিতেওঁ এই কথাবোৰ শুনি আছিল। সি তৎক্ষণাত কলে, "নিজৰ দোকানৰ বস্তুবোৰ

বিক্ৰী কৰা দোকানিবোৰৰ এইটো এটা কায়দা। মানুহক আকৰ্ষিত কৰিবলৈ তেওঁলোকে এইবোৰ কৰে। ইয়াক দান বুলি কব নোৱাৰি। কিছুমান অন্য বস্তুত অধিক দাম লৈ তেওঁলোকে এই লোকচান পূৰণ কৰে। মোৰ অনুমান ৰাজাৰ দোকানৰ চাউল, বীৰৰ দোকানৰ শাৰী আৰু সোমেশ্বৰৰ দোকানৰ পুতলা সস্তা হব পাৰে, কিন্তু অন্য বস্তুবোৰৰ দাম বেচি। সেয়েহে বুধিয়ক মানুহে যাৰ দোকানত যিটো বস্তুৰ সঠিক দাম সেইদোকানৰ পৰা সেইটো বস্তু কিনা উচিত।”

“ঠিক আছে। মানি ললো তুমি বুধিয়ক। কালি তুমি সেই তিনিখন দোকানলৈ যাব লাগিব আৰু চাউল, শাৰী আৰু পুতলা কিনি আনিব লাগিব।” শংকৰে ভাগিনিয়েকক কলে।

ৰঞ্জিতে এতিয়া কি কৰে ভাবি নাপালে। তাৰ কাম কৰিবলৈ ভাল নালাগে। সি মোমায়েকৰ কথাৰ চতুৰালি ধৰিব নোৱাৰিলে। তৎক্ষণাত সি যাম বুলি কলে।

ৰাতি পুৱাল। সকলোৱে টোপনিৰ পৰা উঠিছে, কিন্তু ৰঞ্জিত এতিয়াও শুই আছে। মাকে তাক জোৰকৰি উঠাই দিলে, কিন্তু সি এটা চল কৰিলে। সি কলে, তাৰ পেট আৰু মূৰটো বিষাইছে, গাটো খুব ভাগৰ ভাগৰ লাগিছে। মাকে চিন্তিত হৈ বৈদ্যক মাতি আনিলে। বৈদ্যই পিল কেইটামান দি গুচি গ'ল। ৰঞ্জিতে কেকাই কেকাই বিচনাত শুই থাকিল। মাক পিতাকে বহুত জোৰ কৰিলে তথাপি সি পানী এটোপাও নাখালে।

শংকৰে জানিছিল দোকানবোৰত এটা বস্তু কিনিলে এটা বিনামূল্যে দিয়াৰ আজিয়ে শেষ দিন। সেয়ে তেওঁ নিজে দোকানলৈ গ'ল। শংকৰ ঘৰৰ পৰা ওলাই যোৱাৰ লগে লগে ৰঞ্জিতে বিচানাৰ পৰা উঠি পেটভৰাই ভাত খাই খেলিবলৈ গ'ল।

ইতিমধ্যে বস্তুবোৰ কিনি লৈ শংকৰ উলতিল। তেওঁ বস্তুবোৰ কিনি সেইবোৰ এটা কুলিৰ হতুৱাই আনিছিল। উলতি আহোতে বাটতে তেওঁ ৰঞ্জিতক খেলি থকা দেখিলে। তেওঁৰ ভাগিনিয়েকে তেওঁক যে এনেদৰে ঠগাব তেওঁ ভবাই নাছিল।

ৰঞ্জিতেও মোমায়েকক দেখিছিল। সি মোমায়েকৰ পৰা নেদেখা হবলৈ এঠাইত লুকাব বিচাৰিলে, কিন্তু হঠাতে পিচল খালে। তাতে এটা শিলত খুন্দা লাগি সি আঠুত দুখ পালে।

মোমায়েকে ৰঞ্জিতক ধৰি উঠাবলৈ হাতখন আগবঢ়াই দিলে, কিন্তু সি নিজে উঠিবলৈ চেষ্টা কৰি আকৌ বাগৰি পৰিল। সি এইবাৰ ভৰিৰ আঙুলিত দুখ পালে। শংকৰে তেতিয়া তাক ভালদৰে ধৰি দাঙি তুলিলে আৰু কলে, “শৰীৰ ভালে নথকাৰ ভাত্ত জুৰি মোক দোকানলৈ পঠাই দিলা। এতিয়া মোৰ চকুৰ আগতে খেদিবলৈ গৈ পৰি গলা। তোমাৰ ইমান সাহস, মোৰ

আগত তুমি ফাকি দিয়া ?" শংকৰে ৰাগ কৰি কলে।

"তুমি যাতে মোক দেখা নোপোৱা সেয়ে মই লুকাব বিচাৰিছিলো। দুৰ্ভাগ্যক্ৰমে মই পিচল খাই ভৰিত দুখ পালো। ইয়াৰ দ্বাৰা এইটোৱে প্ৰমাণ নকৰেনে যে মই তোমাক কিমান সন্মান কৰো।" এইবুলি কৈ ৰঞ্জিতে ভৰিখন মোমায়েকক দেখুৱালে।

ৰঞ্জিতৰ ভৰিৰ ঘা দেখি শংকৰৰ চকুৰ পানী ওলাল। তেওঁ ভাগিনিয়েকক কলে, "যি হ'ল হৈ গ'ল। মই যেতিয়া হাতখন আগবঢ়াই দিছিলো তুমিতো ধৰিব পাৰিলাহেতেন। নিজে উঠিবলৈ গৈ মিছাতে আকৌ ভৰিৰ আঙুলিত দুখ পালো।"

"এইটো কোনো কথা নহয়। এই সৰু দুখটো ডাঙৰ দুখটোৰ লগত উপহাৰ হিচাবে পালো।" এইবুলি কৈ ৰঞ্জিতে হাঁহিবলৈ ধৰিলে।

এই কথা শুনি শংকৰেও হাঁহি ৰাখিব নোৱাৰিলে। তেওঁ ভাগিনিয়েকৰ পিঠিত থপৰিয়াই প্ৰশংসা কৰিলে আৰু ঘৰ পোৱাৰ পিছত তেওঁ সকলোৰে আগত কলে।

"বাকচাতুৰ্য্যত ৰঞ্জিতৰ সমান আৰু কোনো নাই। তেওঁৰ উপস্থিত বুদ্ধি আছে। দুখৰ সময়তো তেওঁ হাঁহিব পাৰে আৰু আনকো হঁহুৱাব পাৰে। সেয়েহে ভূদেৱীয়ে ডাঙৰ আঘাতটোৰ লগতে সৰু আঘাতটো বিনামূল্যে উপহাৰ হিচাবে দিছে।"

কিন্তু সেইদিনাৰ পৰা ৰঞ্জিতৰ ডাঙৰ পৰিবৰ্তন হ'ল। সি ঘৰৰ কাম কাজ নিজে কৰিছিল, লগতে আনৰ কামতো সহায় কৰিছিল। যদি তাক সোধা হয় তাৰ এই পৰিবৰ্তনৰ কাৰণ কি, তেতিয়া সি কৈছিল, "মামাক ফাকি দিয়াৰ বাবে সেইদিনা মই দুটা আঘাত পাইছিলো। মই ভাবো ভূদেৱীয়ে মোৰ ব্যৱহাৰৰ বাবে দুটা উচিত উপহাৰ দিছিল। এনে উচিত উপহাৰ পোৱা বাবে মই নিজৰ স্বভাৱৰ পৰিবৰ্তন কৰাৰ ঠিক কৰিলো।"

কামৰ পৰা দূৰত থকাৰ বিষয়তে নহয়, বৰং কাম কৰাৰ বিষয়তো যিয়ে নিজৰ বুদ্ধি দেখুৱায় তেওঁ হে আচল বুধিয়ক। আজিৰ পৰা আমাৰ ৰঞ্জিত আচল বুধিয়ক।" এইবুলি কৈ ৰঞ্জিতৰ মাক পিতাকে মনত সন্তুষ্টি লাভ কৰিলে।

ভাৰতৰ বিষয়ে জানো আহা

প্ৰশ্নাৱলী

৫ চেপ্টেম্বৰৰ দিনটো দাৰ্শনিক পণ্ডিত আৰু ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি ডঃ এচ. ৰাধাকৃষ্ণণৰ জন্ম দিন । সেই দিনাৰ দিনটো শিক্ষক দিবস হিচাবে পালন কৰা হয় । এই মাহৰ প্ৰশ্নাৱলী শিক্ষাৰ সৈতে জৰিত ।

১. প্ৰচীন ভাৰতৰ কোনখন ঠাইক শিক্ষাৰ কেন্দ্ৰ ৰূপে জনা গৈছিল ?

২. কোনে বিশ্বভাৰতী বিশ্ববিদ্যালয় স্থাপন কৰিছিল ? কেতিয়া ?

৩. চেন্নাইৰ প্ৰখ্যাত নৃত্য সঙ্গীত আৰু কলাৰ বিদ্যালয় খনৰ নাম কি ? ইয়াৰ প্ৰতিষ্ঠাতা কোন আছিল ?

৪. সংসদে কেতিয়া নতুন শিক্ষা নীতিত অনুমোদন জনাইছিল ?

৫. ইণ্ডিয়ান ইনষ্টিটিউট অব এডভান্স ষ্টাডিজ ক'ত অৱস্থিত ?

৬. বেনাৰস হিন্দু বিশ্ববিদ্যালয় কোনে প্ৰতিস্থা কৰিছিল ?

৭. ভৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড.জাকিৰ হুচেইন এখন বিশ্ববিদ্যালয়ৰ সৈতে জৰিত আছিল । বিশ্ববিদ্যালয় খনৰ নাম কি ?

৮. মহাত্মা গান্ধীয়ে এক নতুন শিক্ষা ব্যৱস্থাক জনপ্ৰিয় কৰি তুলিছিল । সেই শিক্ষা ব্যৱস্থাটোক কি বোলা হৈছিল ?

৯. নেহৰুৰ প্ৰথম মন্ত্ৰীসভাত শিক্ষামন্ত্ৰী কোন আছিল ?

১০. কলিকতা, মাদ্ৰাছ আৰু বোম্বে বিশ্ববিদ্যালয় একে বছৰতে স্থাপিত হৈছিল । কোন চনত ?

১১. শিক্ষাৰ মাধ্যম হিচাবে কেতিয়া ইংৰাজী প্ৰবৰ্ত্তন কৰা হৈছিল ?

১২. ভাৰতৰ এজন বিখ্যাত শিক্ষাবিদে ইউনেচকো (Unesco) ত ডেপুটি ডাইৰেক্টৰ জেনেৰেল পদত আধিস্থিত আছিল । তেওঁৰ নাম কি ?

১৩. কৌৰৱ আৰু পাণ্ডৱ ৰাজকুমাৰ সকলক কোনে ধনুৰ্বিদ্যা শিকাইছিল ?

১৪. কেৰেলাৰ নৃত্য প্ৰশিক্ষণৰ বাবে বিখ্যাত প্ৰতষ্ঠানটোৰ নাম কি ?

১৫. এখন প্ৰচীন বিশ্ববিদ্যালয়ৰ সৈতে মেডিকেল কলেজো সংলগ্ন আছিল । কোন বিশ্ববিদ্যালয়?

(উত্তৰ অহা সংখ্যাত)

আগষ্ট মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. তৃতীয় স্বদেশী অশ্বাৰোহী

২. এ.ও. হিউম নামৰ এজন ইংৰাজ লোক

৩. উমেশ চন্দ্ৰ বেনাৰ্জী, বোম্বাই, ১৮৮৫

৪. লালা হৰদয়াল

৫. ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীত গোৰখপুৰ জিলাত

৬. ১৩ এপ্ৰিল, ১৯১৯

৭. লোকমান্য বাল গঙ্গাধৰ তিলক

৮. ১৯১৫

৯. যতীন মুখাৰ্জী

১০. চাৰ তেজবাহাদুৰ চাপ্ৰু আৰু এম.আৰ জয়কৰ

১১. ভগৎ সিং

১২. চিঙ্গাপুৰত; ১৯৪৩ চনত

৬৬. স্বৰ্গাৰোহণ

মহাভাৰত

যুধিষ্ঠিৰে ভোজৰ আয়োজন কৰি সকলো ঋষিকে তৃপ্ত কৰি খুৱালে আৰু কৃষ্ণৰ ফালৰ পৰা বহুত দান দিলে । পৰীক্ষিতক কৃপাচাৰ্যৰ শিষ্যৰ ৰূপত অৰ্পন কৰিলে । নিজৰ মন্ত্ৰীসকলক মাতি আনি কলে যে তেওঁ মহাপ্ৰস্থান কৰিবলৈ ওলাইছে । মন্ত্ৰীসকলে আপত্তি কৰিছিল যদিও তেওঁ বিভিন্ন উদাহৰণ দি মন্ত্ৰীসকলক বুজালে ।

ইয়াৰ পিছত পাঁচ পান্ডৱ আৰু দ্ৰৌপদীয়ে দেহৰ সকলো অলঙ্কাৰ আদি ত্যাগ কৰি বাকলি বসন পিন্ধি ললে । নিজৰ সকলো ইচ্ছা আককাংক্ষা বিসৰ্জন দি যাবলৈ ওলাল। পান্ডৱসকলৰ অৱস্থা দেখি নগৰৰ নাৰীসকলৰ এই ঘটনাৰ কথা মনলৈ আহিল, যেতিয়া পান্ডৱসকলে পাশা খেলত হাৰি বনবাসলৈ গৈছিল । তেওঁলোকৰ এই অৱস্থা দেখি নাৰীসকলে কান্দিবলৈ ধৰিলে । কিন্তু পান্ডৱসকল অকনো বিচলিত নহল ।

পান্ডৱসকল যেতিয়া নগৰ পাৰ হৈ গৈছিল এটা কুকুৰ তেওঁলোকৰ লগ লৈছিল। এতিয়া মুঠ সাতটা প্ৰাণী মহাপ্ৰস্থানৰ বাবে যাত্ৰা কৰিলে। তেওঁলোকৰ সিদ্ধান্ত পৰিবৰ্তন কৰিবলৈ বহুতো প্ৰজাই আহি তেওঁলোকক অনুৰোধ কৰিলে । শেষত পান্ডৱসকলৰ অলৰ সিদ্ধান্তৰ বাবে তেওঁলোক উলতি আহিব লগা হ'ল । দ্ৰৌপদীৰ সৈতে

পান্ডৱসকল গুচি যোৱাত উলুপী গঙ্গা নদীৰ ভিতৰলৈ আৰু চিত্ৰাঙ্গদা মণিপুৰলৈ গ'ল। পান্ডৱসকলৰ অন্যান্য পত্নীসকল পৰীক্ষিতৰ লগতে থাকিল ।

আৰম্ভনিতে পান্ডৱসকল পূব দিশলৈ এজনৰ পিছত এজনকৈ যাত্ৰা কৰিলে । তেওঁলোকে বহুতো দেশ আৰু নদী পাৰ হ'ল। কিছুদিন পিছত তাহিত্য নামৰ সমুদ্ৰৰ পাৰত গৈ উপস্থিত হ'ল । অৰ্জুনে তেতিয়ালৈকে গাণ্ডিৱ ধনু আৰু অক্ষয় তুন নিজৰ লগত ৰাখিছিল । পথৰ মাজতে অগ্নি দেৱে পৰ্বতৰ সমান শৰীৰ ধাৰণ কৰি পান্ডৱসকলক দেখা দি কলে, “হে পান্ডৱ, মই অগ্নিদেৱতা ! এই সময়ত অৰ্জুনৰ লগত গাণ্ডিৱৰ কোনো প্ৰয়োজন নাই । অৰ্জুনে এই গাণ্ডিৱ ত্যাগ কৰিব লাগিব । এইখন বৰুণদেৱতাৰ অস্ত্ৰ, গতিকে এইখন বৰুণ দেৱতাকে অৰ্পণ কৰা ।”

অৰ্জুনক আনবোৰেও সেই একেই কথাই কলে । তেতিয়া অৰ্জুনে গাণ্ডিৱ ধনু আৰু অক্ষয় তুণ সমুদ্ৰত পেলাই দিলো । তাৰ পাছত অগ্নিদেৱতা অদৃশ্য হৈ গ'ল ।

ইয়াৰ পাছত পান্ডৱসকল দক্ষিণ দিশলৈ গতি কৰিলে । সমুদ্ৰৰ পাৰে পাৰে গৈ পশ্চিম দিশলৈ ঘূৰিলে । তেওঁলোকে সমুদ্ৰত বুৰ যোৱা দ্বাৰকা নগৰখন দেখিবলৈ পালে । তাৰপৰা তেওঁলোকে উত্তৰ দিশৰ ফালে যাত্ৰা কৰিলে । তেতিয়া তেওঁলোকে হিমালয় পৰ্বত দেখিবলৈ পালে । তেওঁলোকে সেইখন পাৰহৈ মেৰু পৰ্বত দেখা পালে ।

পান্ডৱসকল আগবাঢ়ি গৈয়ে আছিল । বাটতে দ্ৰৌপদী পৰি গৈ মৃত্যু বৰণ কৰিলে । ভীমে গৈ যুধিষ্ঠিৰক এই বাতৰিটো দিলে । কিন্তু যুধিষ্ঠিৰে পিছলৈ ঘূৰি নোচোৱাকৈয়ে আগবাঢ়ি গৈ থাকিল ।

ইয়াৰ অলপ পিছত সহদেৱ পৰি গ'ল । এইদৰে ক্ৰমশঃ নকুল আৰু অৰ্জুন পৰি যোৱা খবৰটো ভীমে যুধিষ্ঠিৰক দিলে । ইয়াৰ পিছত ভীমেও পৰি গলো বুলি যুধিষ্ঠিৰক কৈ নিজেই পৰি গ'ল । যুধিষ্ঠিৰে পিছলে ঘূৰি নোচোৱাকৈয়ে আগবাঢ়ি গৈ থাকিল । সেই কুকুৰটোও যুধিষ্ঠিৰৰ লগে লগে গৈ আছিল।

কিছু সময় পিছতে দেৱৰাজ ইন্দ্ৰই ৰথ এখন লৈ আহি সেই ঠাই পালে আৰু যুধিষ্ঠিৰে তাতে উঠি যাব লাগে বুলি অনুৰোধ জনালে। তেতিয়া যুধিষ্ঠিৰে ইন্দ্ৰক কলে,- “মোৰ সকলো ভাই মৰি গৈছে । তেওঁলোকেও মোৰ লগত আহিব লাগিব । দ্ৰৌপদীও আমাৰ লগত থাকিব লাগিব ! মোৰ এই চৰ্ত আপুনি মানিলেহে মই যাম। তেওঁলোকক লগত নোলোৱাকৈ মই স্বৰ্গলৈ যাব নিবিচাৰো ।

ইয়াৰ উত্তৰত ইন্দ্ৰই কলে-“তেওঁলোক

আতায়ে ইয়াৰ আগতেই নিজৰ নিজৰ শৰীৰ ত্যাগ কৰি স্বৰ্গ পাইছে গৈ । কিন্তু তুমি শশৰীৰে স্বৰ্গলৈ যাব পাৰিবা । সেয়ে মোৰ লগত বলা ।”

তেতিয়াহলে এই কুকুৰটো অতি বিশ্বাসেৰে সৈতে মোৰ লগত আহিছে । ইয়াকো স্বৰ্গলৈ লৈ যাব লাগিব । এই কুকুৰটোক এৰি অকলে মই স্বৰ্গলৈ যাব নিবিচাৰো ।” যুধিষ্ঠিৰে ইন্দ্ৰক অনুৰোধ কৰি কলে ।

“তুমি মোৰ সমতুল্য ব্যক্তি হৈ স্বৰ্গলৈ যাবলৈ ওলাইছা । এই কুকুৰটোৰ লগত কিহৰ সম্বন্ধ ? ইয়াক এৰি দিয়া ।” ইন্দ্ৰই কলে । কিন্তু যুধিষ্ঠিৰে নামনিলে । ইন্দ্ৰই বুজাই কলে যে স্বৰ্গত কুকুৰৰ স্থান নাই । তথাপিতো যুধিষ্ঠিৰে নিজৰ মত লৰচৰ নকৰিলে ।

“ইয়াৰ পিছত কুকুৰ ৰূপী যমৰাজে যুধিষ্ঠিৰৰ সম্মুখত নিজ ৰূপ ধাৰণ কৰি কলে- “বনবাসৰ সময়ত এজন যক্ষৰ ৰূপত মই তোমাৰ পৰীক্ষা লৈছিলো । এইবাৰ কুকুৰৰ ৰূপ ধৰি মই তোমাৰ পুনৰ পৰীক্ষা ললো । তোমাৰ সমকক্ষ ব্যক্তি স্বৰ্গতো কোনো নাই । তুমি শশৰীৰে উত্তম লোকলৈ যাব পাৰিবা ।

ইয়াৰ পাছত ইন্দ্ৰ, মৰুত, অশ্বিনী দেৱতা তথা অন্য দেৱতাসকলেও যুধিষ্ঠিৰক ৰথত বহুৱাই দিলে আৰু তেওঁলোকে নিজৰ নিজৰ বাহনত উঠি যুধিষ্ঠিৰৰ লগত গ’ল ।

“বহুতো ৰাজৰ্ষিয়ে উত্তম লোকলৈ আহিছে, কিন্তু তেওঁলোকে শশৰীৰে অহা যুধিষ্ঠিৰৰ সমকক্ষ হব পৰা নাই ।” নাৰদে কলে ।

“সুখেই হওঁক লাগে দুখেই হওঁক, মোৰ ভাইহঁতৰ বাহিৰে মোৰ ইয়াৰ কোনো আৱশ্যক নাই ।” যুধিষ্ঠিৰে উত্তৰ দিলে ।

ইয়াৰ উত্তৰত ইন্দ্ৰই কলে- “ৰাজন, উত্তম লোকলৈ যাবলৈ ওলাই তুমি কিয় মানৱ সম্বন্ধ ত্যাগ কৰিব পৰা নাই ? মই আচল কথাতো



দুৰ্যোধনে বীৰৰ দৰে মৃত্যু বৰণ কৰি স্বৰ্গপ্ৰাপ্ত হৈছে।"

"যদি সমস্ত প্ৰকাৰৰ পাপ কৰি এই দুৰ্যোধনে স্বৰ্গ লাভ কৰিব পাৰে, তেতিয়াহলে মই জানিব বিচাৰো মোৰ পুণ্যাত্মা ভ্ৰাতৃসকল কোন উত্তম লোক প্ৰাপ্ত হৈছে ? ধৃষ্টদ্যুম্ন, অভিমন্যু তথা উপ পাণ্ডৱসকল ক'ত আছে? মই তেওঁলোকক অতি শীঘ্ৰে চাব বিচাৰো।" যুধিষ্ঠিৰে নাৰদক কলে।

ইয়াৰ পিছত কৰ্ণ তথা তেওঁৰ হিতৈষী ৰজা সকলক, যি সকলে তেওঁৰ নিমিত্তে যুদ্ধত প্ৰাণ বিসৰ্জন দিছিল, স্বৰ্গত তেওঁলোকক নেদেখি যুধিষ্ঠিৰে যি কৈছিল তাৰ উত্তৰত দেৱতাসকলে কলে-"তেতিয়াহলে তেওঁলোকৰ ওচৰলৈ বলক! আপোনাৰ ইচ্ছা পূৰণ কৰিবলৈ ইন্দ্ৰই আমাক আদেশ দিছে!"

তেতিয়া দেৱতাসকলে এটা দূতক মাতি আনি কলে যে, যুধিষ্ঠিৰে যিসকল ব্যক্তিক চাব খোজে তেওঁক যেন দেখুৱা হয়। দূতে যুধিষ্ঠিৰক লগত লৈ পাণ্ডৱসকল থকা ঠাইলৈ আগবাঢ়ি গল।

তেওঁলোক যি পথেৰে গৈছিল সেই পথত পাপীসকল আছিল। পথটো খোজকঢ়াৰ যোগ্য নাছিল। গোটেই পথতে তেজ আৰু মাংস চিটিকি পৰি আছিল। তাৰ ওপৰত মাখিয়ে ভোন-ভোনাই আছিল। গোটেই ৰাস্তাটোতে লেতেৰা পানীৰ নদী বৈ গৈছিল।

"আমি এইদৰে আৰু কিমান দূৰ যাব লাগিব ?" যুধিষ্ঠিৰে তেওঁৰ আগে আগে গৈ থকা দূতক সুধিলে।

"আপোনাৰ ভাগৰ লাগিছে যেন অনুমান হৈছে। বলক উভতি যাও! আগলৈ যোৱাৰ আৰু পথো নাই।" দেৱদূতে কলে।

দূতৰ কথা শুনি যুধিষ্ঠিৰ নিৰাশ হ'ল,

কও শুনা! তোমাৰ ভ্ৰাতৃসকল উত্তম লোক প্ৰাপ্ত হোৱা নাই। তুমি স্বৰ্গ দেৱতা, সিদ্ধপুৰুষ আৰু দেৱৰ্ষিসকলক আগতে চাই লোৱা।"

মই নিজৰ ভ্ৰাতৃসকলক এৰি বেলেগ কৈ থাকিব নোৱাৰো। মোৰ ভ্ৰাতৃসকল, দ্ৰৌপদী আৰু আমাৰ পুত্ৰসকল যত আছে মইও তালৈকে যাম।" যুধিষ্ঠিৰে দৃঢ়ভাৱে উত্তৰ দিলে।

স্বৰ্গলৈ গৈ পোৱাৰ পাছত যুধিষ্ঠিৰে দেৱতাসকলৰ মাজত এখন উত্তম আসনত বহি থকা দুৰ্যোধনক দেখিবলৈ পালে। তেওঁ অত্যন্ত দীপ্তিমান আছিল। এই কথাত যুধিষ্ঠিৰৰ মনত ঈৰ্ষা জন্মিল, লগতে এই কথাত তেওঁ আচৰিত হ'ল দুৰ্যোধনৰ দৰে পাপী এজনে কেনেকৈ স্বৰ্গপ্ৰাপ্ত হ'ল। তাৰপৰা পিছলৈ ঘূৰি চাই কলে-"এই লোভী দুৰ্যোধনৰ সৈতে স্বৰ্গসুখ লাভ কৰাৰ মোৰ আৱশ্যক নাই।"

তেতিয়া নাৰদে হাঁহি মাৰি কলে-"ৰাজন, স্বৰ্গত পুৰণি মনোমালিন্য ত্যাগ কৰিব লাগিব।



লগতে দুৰ্গন্ধৰ কাৰণে তেওঁৰ মূৰ ঘূৰাইছিল। এনেতে কোনোবাই অত্যন্ত সৰু সৰু স্বৰে তেওঁক মতা শুনিলে-"যুধিষ্ঠিৰ ! তুমি অহা বাবে আমি খুব সুখ অনুভব কৰিছো । কিছু সময় তুমি ইয়াত ৰোৱা ।"

যুধিষ্ঠিৰে সেই কন্ঠস্বৰক উদ্দেশি কলে- "তোমালোক কোন ? ইয়াত কিয় আছা ?"

"মই কৰ্ণ ! মই ভীম ! মই অৰ্জুন ! মই নকুল ! মই সহদেৱ ! মই দ্ৰৌপদী । এনেদৰে তেওঁলোকে নিজে নিজে উত্তৰ দিলে ।

এই উত্তৰ শুনি যুধিষ্ঠিৰে মনত অত্যন্ত দুখ অনুভৱ কৰিলে । তেওঁ কলে-"এই পুণ্যাত্মাসকলেনো কি পাপ কৰিছে ? কি পুণ্যকাম কৰিনো দুৰ্যোধনে স্বৰ্গসুখ লাভ কৰিছে ? এইবোৰ কি হৈছে ? মই শুই আছো নে সাৰে আছো ? নে মই পাগল হৈ গৈছো? ইয়াৰ পাছত যুধিষ্ঠিৰৰ দেৱতা আৰু ধৰ্মৰাজৰ ওপৰত অত্যন্ত খং উঠিল । তেওঁ সকলোকে অভিশাপ দিলে ! তাৰপাছত দেৱদূতক কলে -"তুমি যি দেৱতাৰ দূত তেওঁৰ ওচৰলৈ যোৱা । তেওঁক গৈ কবা, মই নিজৰ ভ্ৰাতৃসকলক এৰি ইয়াৰ পৰা নাযাওঁ । মই ইয়াত থাকিলে এওঁলোক অন্ততঃ সুখী হব।"

দেৱদূতে ইন্দ্ৰৰ ওচৰলৈ গৈ এই আতাইবোৰ কথা বিবৰি কলে ।

যুধিষ্ঠিৰ কিছু সময় তাতে থাকিল । এনে সময়তে ইন্দ্ৰ আদি দেৱতাসকল তাক আহি উপস্থিত হ'ল । তেওঁলোক অহাৰ লগে লগে তাৰ চিঞৰ বাখৰ বন্ধ হ'ল । লগতে বৈতৰণী অদৃশ্য হৈ গ'ল । নিৰ্মল বতাহ ববলৈ ধৰিলে । চাৰিও দিশ সুগন্ধৰে ভৰি পৰিল । এক নতুন বায়ুমন্ডল উৎপন্ন হ'ল ।

ইন্দ্ৰই যুধিষ্ঠিৰক কলে -"যুধিষ্ঠিৰ ! দেৱতাসকল তোমাৰ ব্যৱহাৰত সন্তুষ্ট

VanKar

হৈছে। এতিয়া আমাৰ লগত বলা ! তুমি সিদ্ধি প্ৰাপ্ত হৈছা । তুমি তথা তোমাৰ ভ্ৰাতৃসকল উত্তম লোক প্ৰাপ্ত হবা । অসন্তুষ্ট নহবা । প্ৰত্যেক ৰজাই এবাৰ নৰক দৰ্শন কৰিব লগা হয় । প্ৰতিজন ব্যক্তিয়ে যিয়ে পাপ আৰু পুণ্য কৰে, তেওঁ যদি প্ৰথমতে পুণ্যৰ ফল ভোগ কৰে শেষত পাপৰ ফলো ভোগ কৰিব লগা হয় । সেইদৰে যিয়ে প্ৰথমতে পাপৰ ফল ভোগ কৰে, শেষত তেওঁলোকে পুণ্যৰ ফল ভোগ কৰে । যি ব্যক্তিয়ে কম পাপ কৰে তেওঁলোকে প্ৰথমতে নৰক ভোগ কৰে । সেই কাৰণে মই তোমাক প্ৰথমতে নৰক দৰ্শনৰ বাবে পঠালো। তোমাৰ ভ্ৰাতৃসকল তথা দ্ৰৌপদীয়ে যি অলপ পাপ কৰিছিল, ইয়াৰ ফলত নৰক ভোগ কৰিলে । এতিয়া তেওঁলোক পাপৰ পৰা মুক্তি লাভ কৰিছে । এতিয়া তোমাৰ সকলো প্ৰিয় ব্যক্তি স্বৰ্গত থাকিব । তুমি কৰ্ণৰ বাবে চিন্তিত হৈ আছা!

তেওঁও স্বৰ্গ লাভ কৰিব পাৰিব ।তুমি অন্যান্য ৰজা সকলতকৈ অধিক পুণ্য লাভ কৰিছা । হৰিশ্চন্দ্ৰ, মান্ধাতা, ভগীৰথে যি স্থান লাভ কৰিছে তুমিও সেই স্থানেই লাভ কৰিব পাৰিবা । চোৱা, এইটোৱে আকাশী গঙ্গা । ইয়াতে যদি স্নান কৰা তোমাৰ সকলো মানৱীয় ভাব দূৰ হৈ যাব । সেই কাৰণে প্ৰথমতে তুমি এই গঙ্গাত স্নান কৰা ।"

যুধিষ্ঠিৰে আকাশী গঙ্গাত নিজৰ মানৱ শৰীৰ ত্যাগ কৰি পোনে পোনে নিজৰ ভ্ৰাতৃসকলৰ ওচৰলৈ গ'ল । তাৰ পৰা তেওঁ কৃষ্ণক দেখা পালে । কৃষ্ণ এতিয়াও চিনিব পৰা ৰূপতে আছিল । অৰ্জুন কৃষ্ণৰ লগতে আছিল । যুধিষ্ঠিৰক দেখিয়েই সন্মানেৰে সৈতে দুয়ো তেওঁৰ ওচৰলৈ আহিল ।

অন্য এঠাইত সূৰ্য্যৰ পোহৰ পৰাৰ লগে লগে কৰ্ণই দেখা দিলে । ভীমে আগৰ ৰূপতেই মৰুৎসকলৰ মাজত দেখা দিলে । সেইদৰে নকুল আৰু সহদেৱে অশ্বিনী দেৱতাসকলৰ স্থানত দেখা দিলে ।

ইয়াৰ পিছত ইন্দ্ৰই যুধিষ্ঠিৰক দ্ৰৌপদী আৰু তেওঁৰ পুত্ৰসকল, অভিমন্যু, ধৃতৰাষ্ট্ৰ, পাণ্ডু, কুন্তী, মাদ্ৰী, ভীষ্ম, দ্ৰোণ তথা অন্যান্য বীৰসকৱক দেখুৱাই তেওঁলোকৰ বিষয়ে সবিশেষ কলে ।

চান্দমামাৰ নিবেদন
6
অজেয় গৰুড়
চিত্ৰ : পাণি
চন্দ্ৰপুৰীৰ মুখ্যমন্ত্ৰীৰ পুত্ৰ আদিতাই তাৰ অধিবাসী সকলক জুলুম কৰি থকা ডকাইতবোৰক গ্ৰেপ্তাৰ কৰিলো,। কিন্তু ৰজা মহেন্দ্ৰদেৱে তেওঁৰ সেনাপতিৰ পুত্ৰক মুকলি কৰি অনাৰ বাবে ডকাইতবোৰক এৰি দিলে। সেই সন্ত্ৰাসবাদী ডকাইতবোৰৰ ৰাম সিংহ নামৰ এজন ব্যক্তিয়ে আদিত্যক এই কথাটো কলে যে সেনাপতিয়ে তেওঁৰ পিতাক বধ কৰিছে। আদিতাই সন্ত্ৰাসবাদী জনক আশ্বাস দিলে যে সেনাপতিৰ বিৰুদ্ধে হোৱা আন্দোলনত তেওঁক সহায় কৰিব। সেনাপতিয়ে তেওঁৰ পুতেকক সাৱধান কৰি দি গল। নৰেন্দ্ৰদেৱে গৰুড়ক ধৰিবলৈ নিজৰ মানুহ পঠালে।
আঠজন মুখ্য সেনা অধিকাৰীক গৰুড়ক বিচাৰি উলিয়াবলৈ আঠটা অঞ্চল দিয়া হ'ল।
তেওঁলোকে আঠটা ভিন্ন দিশৰ ফালে গ'ল।
গৰুড়ে আচৰিত ভাবে আঠোজন সেনা অধিকাৰিকে পৰাস্ত কৰিলে। গৰুড়ৰ আঠজন মানুহে তেওঁৰ দৰেই একে পোচাক পিন্ধিছিল।

ৰাজসভাত নৰেন্দ্ৰদেৱে দাংকোৰ মাৰি কলে যে তেওঁৰ চিপাহী সফল হৈছে ।
সেনাপতি মহাশয় ! তেওঁলোকে গৰুড়ক ধৰিছে নেকি? তেওঁ কত আছে ?
মই তোমাক অধিক খবৰ দিব নোৱাৰিম । অতি শীঘ্রে তুমি গৰুড়ক তেজত লুতুৰি-পুতুৰি হৈ থকা দেখিবা ।
সেই ৰাতি সেনাপতিয়ে গৰুড়ক নিজৰ শয়ন কক্ষত দেখা পালে । তেওঁ দেহৰক্ষীবোৰৰ বাবে হাততালি বজালে ।
কোনো আৱশ্যক নাই সেনাপতি মহাশয় ! তেওঁলোকে এক খোজো আগনাবাঢ়ে ।
যদি তোমাৰ সাহস আছে মোৰ সৈতে যুদ্ধ কৰা । বলা বাজী ৰখা যাওক ।

নৰেন্দ্ৰদেৱে যুদ্ধ কৰিলে, গৰুড়ে তেওঁক স্তম্ভিত কৰি দিলে ।
গৰুড় ইয়াত-তাত আৰু সকলো ফালেই আছে ।
নৰেন্দ্ৰদেৱ অতি সোনকালে মূৰ্চা গ'ল ।
সেই সময়ত জনা গ'ল যে গৰুড়ক নাৱত দেখা গৈছে । তেতিয়া আঠোজন অধিকাৰী জলাশয়ৰ ফালে আগবাঢ়ি গ'ল ।

অধিকাৰীসকল তালৈ গৈ দেখিবলৈ পালে, গৰুড়ে তাতে শুই আছে ।
গৰুড়ক অচেতন হৈ থকা দেখি তেওঁলোক আনন্দিত হ'ল ।
তেওঁলোকৰ ভিতৰৰ এজনে কলে যে গৰুড়ৰ মুখা খুলি দিয়াৰ কাম সেনাপতিৰ ওপৰতে এৰি দিয়া যাওক । সকলোৱে সাজু হৈ লোৱা ।
বলা, তেওঁক শিকলিৰে বান্ধি দৰবাৰত হাজিৰ কৰা যাওক ।
(ক্ৰমশঃ)



অব্যৰ্থ বাণী

নিৰঞ্জনপুৰ গাঁৱত সুদাম নামৰ এজন মানুহে বাস কৰিছিল । তেওঁ এক সাধাৰণ কৃষক পৰিয়ালৰ আছিল । তেওঁৰ দুই একৰ খেতিৰ মাটি আছিল । তাতে নিজে খেতি বাতি কৰি নিজৰ পত্নী আৰু সন্তানেৰে সৈতে সুখেৰে জীৱন যাপন কৰিছিল।

সেই গাঁৱতে পশুপতি নামৰ এজন ধনী মানুহ আছিল । যাৰ আৱশ্যক হৈছিল তাক তেওঁ সুতত ধন ধাৰে দিছিল আৰু কিবা নহয় কিবা এটা উপায় উলিয়াই তেওঁৰ সম্পত্তি আত্মসাৎ কৰিছিল । সুদামৰ পিতাকে পশুপতিৰ পৰা ধন ধাৰে লৈছিল আৰু তেওঁৰ জীৱিত কালত তাক পৰিশোধ কৰিব পৰা নাছিল । সুদামেও তেওঁৰ পিতাকে লোৱা ধাৰ সুজিব পৰা নাই । সেয়েহে উপায়হীন হৈ তেওঁ পশুপতিক তেওঁৰ খেতিৰ শস্য সুত বাবদ দিব লগা হৈছিল ।

গোটেই বছৰজুৰি পৰিশ্ৰম কৰি যি খেতিৰ শস্য পাইছিল, তাকে নিবলৈ পশুপতিৰ মানুহ আহি শস্য চপোৱাৰ সময়ত সুদামৰ চোতালত হাজিৰ হৈছিল । বেচেৰা সুদামে কিয়েইবা কৰিব। মনৰ খং মনতে মাৰ নিয়াই যি শস্য পাইছিল তাকে দি দিছিল । ইয়াৰ বাহিৰে কোনো উপায় নাছিল ।

এবাৰ পশুপতিৰ গৰখীয়াৰ ভুলৰ বাবে তেওঁৰ চাৰি পাঁচটা গৰু সুদামৰ খেতি পথাৰত সোমাই খেতিৰ শস্য নষ্ট কৰি দিয়ে । চুবুৰীয়া সকলে সুদামক গাওঁবুঢ়াৰ ওচৰত গোচৰ দিবলৈ পৰামৰ্শ দিলে যাতে তেওঁ ক্ষতিপূৰণ পায় । কিন্তু সুদামে তেওঁলোকৰ পৰামৰ্শ নুশুনিলে । কাৰণ, পশুপতিৰ গৰুৱে যিহেতু তেওঁৰ ফচল নষ্ট কৰিছে গতিকে এইবাৰ তেওঁ পশুপতিক সুত নিদিয়ে । কিন্তু শস্য কটাৰ লগে লগে পশুপতিৰ মানুহ আহি তেওঁৰ চোতালত হাজিৰ হ'ল আৰু তেওঁলোকক কলে,-"চোৱা ভাই, তোমা-লোকেতো জানা তোমালোকৰ মালিকৰ গৰুৱে মোৰ খেতিৰ শস্য নষ্ট কৰিছে । যি অলপ শস্য পাইছো সেইখিনিৰে আমাৰ পৰিয়ালকে নুজুৰিব। তোমালোকে মালিকক কবা এইবছৰৰ

ৰমা জৈন

বাবে মোক যেন ৰেহাই দিয়ে । অহা বছৰলৈ যথা নিয়মে তেওঁক খেতিৰ ধান দিম ।

এই কথা শুনি পশুপতি নিজে আহি হাজিৰ হ'ল । তেওঁ আহি কলে যি কোনো পৰিস্থিতিয়ে নহওক কিয় তেওঁক ধান দিব লাগিবই । সুদাম তথা তেওঁৰ পত্নী পুত্ৰ আহি তেওঁক মিনতি কৰি কলে এইবাৰ যেন ৰেহাই দিয়ে, কিন্তু পশুপতিয়ে কাৰো কথাই নুশুনিলে । তেওঁৰ এই দুৰ্ব্যৱহাৰত সুদামৰ সহ্যৰ সীমা পাৰ হৈ গ'ল ।

অতি খঙেৰে তেওঁ পশুপতিক কলে, - "মোৰ এই দুৰৱস্থাৰ বাবে দায়ী তোমাৰ গৰুবোৰ । তোমাৰ গৰু যদি মোৰ খেতিপথাৰত সোমাই শস্য নষ্ট নকৰিলেহেতেন তেতিয়াহলে সেই শস্যৰে মই তোমাৰ সুত আদায় দিব পাৰিলোহেতেন । তোমাৰ বাবেই মোৰ আজি এই অৱস্থা । তথাপি তুমি ইমান নিৰ্দয় । তোমাৰ অকণো মানৱতা নাই । তোমাৰ আৰু পশুৰ মাজত কোনো প্ৰাৰ্থক্য নাই ।"

সুদামৰ এই কটু কথা শুনি পশুপতি কিছুসময়ৰ বাবে নিস্তব্ধ হৈ ৰ'ল । তেওঁ কল্পনাই কৰিব পৰা নাছিল সুদামৰ দৰে এজন সাধাৰণ খেতিয়কেও বিদ্ৰোহ কৰি এনে কটু ভাষা শুনাব পাৰে । খঙতে তেওঁৰ চকুদুটা ৰঙা হৈ উঠিল আৰু নিজৰ মানুহবোৰক সুদামক গছত বান্ধি থবলৈ কলে । গছত বন্ধাৰ পিছত পশুপতিয়ে সুদামক চাবুকেৰে কোবাবলৈ ধৰিলে । তেওঁক বাধা দিবলৈ অহা সুদামৰ পত্নী পুত্ৰকো পশুপতিয়ে মাৰিবলৈ ধৰিলে । এই অৱস্থা চাবলৈ তাত গোটখোৱা কোনো মানুহেই পশুপতিক বাধা দিবলৈ সাহস কৰা নাছিল । তাত এনে এজন ব্যক্তি নাছিল যিয়ে পশুপতিৰ পৰা ধাৰ লোৱা নাই ।

মাৰি মাৰি ভাগৰি পৰাৰ পিছত চাবুকডাল দূৰলৈ দলিয়াই দি পশুপতিয়ে কলে-"হেই সুদাম, তোৰ যদি ঘৰদুৱাৰ আৰু খেতিৰ মাটি মই নিজৰ কৰিও লও, তেতিয়া তোৰ আধা ধাৰহে সুজা যাব । বাকী আধা ধাৰ কেনেকৈ সুজা সেই কথা মই নাজানো । কিন্তু তই ধাৰ সুজিবই লাগিব। ইয়াৰ বাবে মই তোক অহাকালি ৰাতিপুৱালৈ সময় দিলো ।" এইবুলি কৈ তেওঁ



আকাশ চমকি উঠিল। এনেকুৱা লাগিছিল যেন আকাশখন ভাগি পৰিব। পশুপতিৰ ঘৰৰ ওপৰত বজ্ৰ পৰি ঘৰটো ভাগি গৈছিল। তাত থকা কোনো মানুহেই বাচি থকা নাছিল। সকলোৰে মৃত্যু হৈছিল।

ঠিক সেই সময়তে মহৰ্ষি নাৰদে ভূলোক যাত্ৰা সমাপ্ত কৰি সত্যলোকলৈ গৈ আছিল। সুদামৰ ঘৰত যি ঘটিছিল আৰু ৰাতি গাঁৱত যি হৈছিল তেওঁ নিজ চকুৰে সকলো দেখিলে। তেওঁ এইটো দেখি অতি আচৰিত হ'ল যে এজন সামান্য মানুহৰ কথাতো ইমান মহান শক্তি থাকিব পাৰে।

সত্যলোকত উপস্থিত হৈয়ে নাৰদে ব্ৰহ্মাক সুধিলে-"পশুপতিৰ মৃত্যু ঘটনাক্ৰমে হ'ল নে সুদামৰ অভিশাপৰ বাবে হ'ল? এজন সামান্য মানুহৰ কথাই কেনেকৈ ইমান শক্তি পালে? এইটো কেনেকৈ সম্ভৱ হ'ল?"

তেতিয়া ব্ৰহ্মাই এটা হাঁহি মাৰি কলে, "নাৰদ, সুদাম কোনো সামান্য মানুহ নহয়। তেওঁ এজন সত্যবাদী, ধৰ্মপৰায়ণ, কৰ্ত্তব্যনিষ্ঠ আৰু নিস্বাৰ্থবান ব্যক্তি। সেই কাৰণে তেওঁৰ কথাত ইমান শক্তি আছে। যি হ'ল, সেইটো যদি ভালদৰে জানিব বিচৰা তেতিয়াহলে সেইফালে চোৱা। এইবুলি কৈ ব্ৰহ্মাই পৃথিবীৰ এটা ভাগ নাৰদক দেখুৱালে।

অৰণ্য পথেৰে সুবোধক নামৰ এজন সন্ন্যাসী গৈ আছিল। পথৰ দাঁতিত থকা এটা জাৰণিত কালদ্ৰষ্ট নামৰ এটা সাপ আহত হৈ চটফটাই আছিল। যেতিয়া সাপটোয়ে সন্ন্যাসী সুবোধকক দেখিলে খুব কষ্টেৰে জাৰণিৰ মাজৰ পৰা ওলাই আহি তেওঁক সুধিলে, "স্বামী, আপুনি মোক চিনি পাইছেনে?"

সুবোধকে সাপটো দেখিয়েই চিনিব পাৰি আচৰিত হৈ কলে--"হে তুমিতো কালদ্ৰষ্ট,

যাবলৈ ওলাইছিল, এনেতে সুদামে নিজৰ শক্তি গোটাই চিঞৰি উঠিছিল "ঐ মহাজন. ৰবা।"

পশুপতি ৰৈ গ'ল। তেওঁৰ ঐ বুলি কোৱাৰ সাহস দেখি পশুপতি স্তব্ধ হৈ গ'ল। তেওঁ অতি আচৰিত হ'ল।

সুদামে দুয়োহাত যোৰ কৰি মূৰ দাঙি আকাশৰ ফালে চাই কলে-"মানুহৰ বিনাশৰ দিন আহিলে বুদ্ধি ভ্ৰষ্ট হয় বুলি কোৱা শুনা যায়। তোমাৰ বিনাশৰ দিন ওচৰ চাপি আহিছে। সেই কাৰণে তুমি নিজকে সকলোতকৈ ওপৰত বুলি ভাবিছা। তুমি নিজৰ সীমা লঙ্ঘন কৰিছা। যদি মই সঁচাকৈ, বিশ্বাসযোগ্য হওঁ, সত্যবাদী হওঁ, ধৰ্মপৰায়ণ হওঁ মই শাপ দিলো কালি ৰাতিপুৱাৰ ভিতৰত সৰ্বনাশ হব। ইয়াৰ সাক্ষী এই সূৰ্য্য, যিয়ে এই দুপৰীয়া পোহৰ দি আছে।"

সুদামৰ কথা শুনি পশুপতিয়ে এটা হাঁহি মাৰি তাৰ পৰা গুচি গ'ল। সেইদিনা ৰাতি হঠাতে খুব ডাঙৰ বৰষুণ হ'ল। বিজুলীৰ পোহৰত

তোমাৰ কি হৈছে ? কেনেকৈ তুমি ইমান আহত হলা ?"

"কি কম স্বামী । এই বাটেৰে গৈ থকা মানুহক দংশন নকৰাকৈ মাথোঁ ফোচফোচাই ভয় খুৱাই আছিলো । এইদৰে কিছুদিন গ'ল । এতিয়া মানুহে বুজিব পাৰিছে মোৰ দাঁত নাই আৰু বিষো নাই । অকাৰণতে মোক মানুহবোৰে আক্ৰমণ কৰি আহত কৰিছে । অতি কষ্টেৰে কোনোমতে প্ৰাণটো লৈ বাচি আহিছো । আপুনি কোৱা মতে মই এনে কৰিছিলো । আপুনিয়েই কওক, এতিয়া মই কি কৰো ?" কালদ্ৰষ্টই অনুনয় কৰি কলে ।

সকলোবোৰ শুনাৰ পিছত এটা দীঘলীয়াকৈ নিশ্বাস টানি সুবোধকে কলে -"কালদ্ৰষ্ট, তোমাৰ সৈতে যি হৈছে আৰু তুমি যি দৰে অতিবাহিত কৰিছা, আগতে এনেকুৱা বহুতৰে সৈতে হৈছে । বেচিভাগ মানুহৰে হিংসা প্ৰবৃত্তি আছে । কিন্তু তুমি ধৰ্মনিষ্ঠ ভাবে ইয়াক অনুমান কৰিব পৰা নাই । ধৰ্মনিষ্ঠভাবে জীৱন কটোৱা সকলো জীৱৰে জীৱন অগ্নিৰ সমান হয় । মূৰ্খসকলক এই কঠোৰ সত্যটো কথাৰে নহয়, বৰং কাৰ্য্যৰ দ্বাৰা বুজাব লাগিব যে অগ্নি স্পৰ্শ কৰিলে পোৰে । মোৰ কথাৰ অন্তৰ্নিহিত অৰ্থ বুজিব পাৰিছা ?" এইবুলি কৈ সুবোধকে সাপটোৰ শৰীৰত হাত বুলাই দিলে আৰু তাৰপৰা গুচি গ'ল ।

এই ঘটনাৰ কিছু সময় পিছত তালৈ দুজন মনুহ আহিল । এজনৰ হাতত এডাল লাঠি আৰু আনজনৰ হাতত সাপটো ধৰি ৰাখিবলৈ এটা টুকুৰী ।

যিজনৰ হাতত লাঠি আছিল তেওঁ জাৰণিৰ মাজলৈ ভূমুকিয়াই চাই কবলৈ ধৰিলে -"বিষ দাঁত নোহোৱা সাপ এইটোৱে । মই ইয়াক জাবনিৰ মাজৰ পৰা খেদি দিম আৰু তুমি তাক ধৰি টুকুৰীটোতে সোমাই থবা ।" এইবুলি কৈ তেওঁ জাৰণিত জোৰে জোৰে লাঠিৰে কোবাবলৈ ধৰিলে ।

অলপ পিছতে কালদ্ৰষ্ট জাৰণিৰ মাজৰ পৰা ওলাই আহি তাক দাংশন কৰিলে । সি চুচৰি আনজনৰ ওচৰলৈ গ'ল । তাৰপিছত দুয়ো চিঞৰ মাৰি তাৰপৰা পলাই ফাট মাৰিলে ।

এতিয়া নাৰদে বুজিব পাৰিলে ধৰ্মমতে চলা সকলো জীৱেই অগ্নিৰ সমান হয় । ইয়াৰ পিছত তেওঁ ব্ৰহ্মাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলে ।

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স আফচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

জুলাই সংখ্যাৰ পুৰস্কাৰ বিজয়ী

পুণিত বাজখোৱা

পো: শিৱসাগৰ

জিলা: শিৱসাগৰ (অসম)

বিজয়ী বাক্য

চৰিয়াত বন্দী মই কেনেকৈ ওলাও ।

ঘৰত বন্দী মই কেনেকৈ খেলিবলৈ যাওঁ ।

চান্দমামাৰ বছৰেকীয়া বৰঙণি

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

Payment in favour of CHANDAMAMA INDIA LIMITED

No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam



GREET YOUR TEACHERS
WITH A FLOWER, A CARD, A SMILE
AND A PROMISE TO WORK HARD!
AND EARN THEIR BLESSINGS!

CHANDAMAMA

SALUTES THE TEACHERS OF THE
CITIZENS OF TOMORROW.

CHANDAMAMA (Assamese) SEPTEMBER 2001 Regd. with RNI. No. 30278/76
Registered No. TN/Chief PMG-870/2001